


সম্পাদক : শ্ৰীৰঞ্জিত ফুকন।

# ডিগবৈ মহাবিদ্যালয় আলোচনী

## দশম সংখ্যা

বছেৰেকীয়া প্ৰকাশ ঃ ১৯৮৬-৮৭ চন

### সম্পাদনা সমিতি ঃ

পৃষ্ঠপোষক ঃ

অধ্যক্ষ ডঃ প্ৰফুল্ল কুমাৰ ভূঞা ।

ভাৰপ্ৰাপ্ত অধ্যাপিকা ঃ

শ্ৰীমতী অনু বৰগোহাঁই ( গগৈ ) ।

সদস্য ঃ

অধ্যাপক শ্ৰীযুত বিনোদ গগৈ
" " পূৰ্ণানন্দ শইকীয়া

অধ্যাপিকা শ্ৰীমতী মধুমীতা চক্ৰবৰ্ত্তী ।

সদস্য ঃ ছাত্ৰ ঃ

শ্ৰীবিনন্দ কোঁৱৰ
শ্ৰীপ্ৰভাত কুমাৰ বৰুৱা
শ্ৰীহীমেন গগৈ
শ্ৰীমৃদুল তামূলী ।

সম্পাদক ঃ

**শ্ৰীৰঞ্জিত ফুকন ।**

বেটুপাত আৰু অলংকৰণত ঃ

শ্ৰীকমলাকান্ত বুঢ়াগোহাঁই

মুদ্ৰক ঃ

ইষ্টাৰ্ণ এণ্টাৰ প্ৰাইজ
ডিগবৈ - ৭৮৬১৭১

প্ৰকাশক ঃ ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ হৈ
শ্ৰীৰঞ্জিত ফুকনৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত ।

[ডিগবৈ মহাবিদ্যালয় ছাত্র একতা সভাৰ মুখপত্ৰ]

# "ডিগবৈ মহাবিদ্যালয় আলোচনী"

## সূচী নিৰ্দেশিকা

॥ অসমীয়া বিভাগ ॥


● মুখপত্ৰ খনিলৈ শুভেচ্ছা জনাইছে

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি
শ্ৰী যোগেশ দাস ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ
অধ্যাপিকা ডঃ কৰবী ডেকা হাজৰিকা ।

সদৌ অসম ছাত্ৰ সন্থাৰ মাননীয়
সাধাৰণ সম্পাদক শ্ৰী অতুল বৰা দেৱে ।

● সম্পাদকীয়

● প্ৰবন্ধ শিতানত ॥ ১ ॥

ডঃ প্ৰফুল্ল কুমাৰ ভূঞা ।
শ্ৰীমতী চম্পা বালা বৰা ।
শ্ৰীমতী ইভা সোনোৱাল ।
শ্ৰী পূৰ্ণানন্দ শইকীয়া ।
শ্ৰী বিনন্দ কুমাৰ কোঁৱৰ ।
শ্ৰী প্ৰভাত কুমাৰ বৰুৱা ।

● কবিতাৰ শিতানত ॥ ২৫ ॥

ছৈয়দা আকেলা খানম ।
শ্ৰীমতী জুনা শইকীয়া ।
শ্ৰীমতী আভা বৰদলৈ ।
শ্ৰীমতী নিৰা ৰাজকোঁৱৰ ।
শ্ৰী পঙ্কজ গোস্বামী ।
শ্ৰী অনুপম ফুকন ।
শ্ৰী বিনোদ গগৈ ।
শ্ৰীমতী বন্তি গগৈ ।
শ্ৰী ৰঞ্জিত ফুকন ।

● সাক্ষাৎকাৰ ॥ ৩০ ॥

ডঃ লীলা গগৈৰ সৈতে ।

● গল্পৰ শিতানত ॥ ৩৩ ॥

শ্ৰী গোলাপ গগৈ ।
শ্ৰীমতী মনমন্দিৰ কৌৰ ।
শ্ৰী বুধিন শইকীয়া ।
শ্ৰীমতী আভা বৰদলৈ ।
শ্ৰীমতী বন্তি গগৈ ।

● গীত ॥ ৪৭ ॥

গীতিকাৰ ৺অমৰজ্যোতি বৰগোহাঁই ।

● বেটুপাতৰ ব্যাখ্যা ॥ ৪৮ ॥

লগতে

ইংৰাজী বিভাগ আৰু
বিভাগীয় সম্পাদকৰ
প্ৰতিবেদন
সমূহ ।

ডিগবৈ মহাবিদ্যালয় সঙ্গীত আৰু স্বৰলিপি ।

# • উছৰ্গা •

ডিগবৈ মহাবিদ্যালয় আলোচনীৰ
এই দশম সংখ্যাটি (১৯৮৬-৮৭)

অসমৰ সুসাহিত্যিক, 'পদ্মশ্ৰী' ৰাষ্ট্ৰীয় সন্মানেৰে বিভূষিত
সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, অসম প্ৰকাশন
পৰিষদৰ উপসভাপতি, শিক্ষা বিভাগৰ
বিভিন্ন দায়িত্ব বহন কৰোঁতা
আব্দুছ ছাত্তাৰৰ স্মৃতিত
গভীৰ শ্ৰদ্ধাৰে
উছৰ্গা
কৰিলোঁ।

**সম্পাদনা সমিতি,**
ডিগবৈ মহাবিদ্যালয় আলোচনী।



## অশ্ৰু অঞ্জলি

*অসমৰ বিগত বছৰৰ শ্বহীদ আৰু প্ৰয়াত প্ৰথিতযশা বৰেণ্য ব্যক্তি সকললৈ আমাৰ অশ্ৰু অঞ্জলি যাচিছোঁ।*

— সাহিত্যাচাৰ্য ৺অতুল চন্দ্ৰ হাজৰিকা।
— প্ৰগতিশীল সাহিত্যিক আৰু সাংবাদিক ৺দধি মহন্ত।
— প্ৰবীণ মুক্তি যোদ্ধা, বিশিষ্ট সাংবাদিক আৰু হিন্দী কবি ৺সচ্চীদানন্দ বাৎসায়ন।
— প্ৰাক্তন ভাৰতৰ প্ৰধান মন্ত্ৰী ৺চৌধুৰী চৰণ সিং।
— প্ৰবীণ মুক্তি যুঁজাৰু আৰু প্ৰাক্তন মন্ত্ৰী ৺ঘনশ্যাম দাস।
— মাজুলিত পুলিচৰ গুলীত নিহত হোৱা ছাত্ৰ ৺ৰাজু হাজৰিকা আৰু ৺গুণদা বৰা।
— অসমৰ বিশিষ্ট ক্ৰীড়া সংগঠক ৺শশী শৰ্ম্মা।
— আন্তঃ ৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন পক্ষীবিদ ডঃ ছেলিম আলি।
— প্ৰখ্যাত সাংবাদিক, লিখক, চিত্ৰনিৰ্মাতা খাজা আহমদ আব্বাছ।
— যশস্বী অভিনেত্ৰী ৺স্মীতা পটিল।
— ডিগবৈ আই, অ, চি লৰা হাই স্কুলৰ জনপ্ৰিয় শিক্ষক ৺চেনীৰাম দত্ত।
— প্ৰখ্যাত সাংবাদিক ৺ৰমেশ থাপৰ আৰু ৺হৰেন্দ্ৰনাথ বৰুৱা।
— ৰাজনীতিবিদ আৰু মুক্তি যুঁজাৰু আমজাদ আলি।

আমি

শ্ৰদ্ধাৰে

সুঁৱৰিছো



৺ অমৰজ্যোতি বৰগোহাঁই
[ ১৯৬৮ — ১৯৮৭ ]

জন্ম ১৯৬৮ চনৰ ২৩ জুলাইত ডিগবৈত । তেওঁ ১৯৮৪ চনত ধেমাজী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা ১ম ৰিভাগত হাইস্কুল শেষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন মহাবিদ্যালয়ৰ পৰা ক'লা বিভাগত উচ্চতৰ মাধ্যমিক পৰীক্ষাত ২য় বিভাগ পায় । মনত অযুত আশা আকাংঙ্খ্যাৰে কাৰেং সাজি তাৰ পৰা ডিগবৈ মহা-ৰিদ্যালয়ত অৰ্থনীতি বিভাগত মেজৰ বিষয়লৈ ভৰ্ত্তি হৈ ১ম বাৰ্ষিকৰ পৰীক্ষা দিয়ে ।

স্বৰ্গীয় অমৰজ্যোতি ছাত্ৰ হিচাপে অমায়িক, 'নিৰ্জু আৰু মৰমিয়াল প্ৰকৃতিৰ আছিল । তেওঁ অতি কম দিনৰ ভিতৰতে বিদ্যাৰ্থীসকলৰ মাজত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল । কিন্তু যোৱা ইং ২৯/৬/৮৭ তাৰিখে বৰবৰুৱাৰ চেচাঁ অঞ্চলত বাছ দুৰ্ঘটনাত করুণভাৱে মৃত্যুক আঁকোৱালি ললে । আমি ডিগবৈ মহাবিদ্যালয় আৰু মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰা তেওঁৰ পবিত্ৰ স্মৃতিত গভীৰ সমবেদনা জ্ঞাপন কৰি আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ ।

JOGESH DAS
Lachit Nagar
Guwahati-781007
Phone : 25918

যোগেশ দাস
লাচিত নগৰ
গুৱাহাটী-৭৮১০০৭



## শুভেচ্ছাবাণী

"ডিগবৈ মহাবিদ্যালয় আলোচনী" খনিৰ দশম বাৰ্ষিক সংখ্যাটি (১৯৮৬-৮৭) সৰ্বাঙ্গসুন্দৰ হৈ ওলাওক ইয়াকে কামনা কৰিলোঁ। আলোচনী এখন ভালকৈ উলিওৱা এটা টান কাম, যিটোক প্ৰত্যাহবান ৰূপে গ্ৰহণ কৰিব লাগে। কিয়নো ছাত্ৰ-ছাত্ৰীয়ে এনে কামৰ পৰা সংবাদসেৱাৰ এটা আবাস পাব পাৰে, ভাগৰ কালিকা কি বুজিব পাৰে আৰু সামাজিক দায়িত্ব উপলব্ধি কৰে। আজি আমাৰ চৌপাশৰ সমাজখন বৰ জটিল হৈ পৰিছে। বিশেষকৈ অসমখনক নানান সমস্যাই আগুৰি ধৰিছে। এনে পৰিস্থিতিত ভাৰসাম্য বজাই ৰাখিবলৈ চেষ্টা কৰা আমাৰ সকলোৰে কৰ্তব্য। আলোচনীখনেও এনে পৰিস্থিতি প্ৰতিবিম্বিত কৰিব বুলি মোৰ বিশ্বাস। ঔদ্যোগিক নগৰী হিচাপে ডিগবৈৰ এটা সুদীৰ্ঘ ঐতিহ্য আছে। তাৰো প্ৰতিফলন আলোচনীখনৰ ওপৰত হব বুলি আশা কৰিলোঁ। শেষত ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অধ্যক্ষ ডাঙৰীয়া আদি সকলোলৈকে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

৬ মাৰ্চ ১৯৮৭

স্বা : শ্ৰীযোগেশ দাস।

Dr Karabi Deka Hazarika, M.A. Ph. D.
Lecturer, Department Of Assamese.

Dibrugarh University
Dibrugarh-786004
Assam.

Date.................

# শুভেচ্ছাবাণী

একোখন মহাবিদ্যালয়ৰ আলোচনীৰ মাজত ছাত্ৰ-ছাত্ৰীৰ সকলো ৰঙৰ মানসিক প্ৰতিভাই প্ৰকাশৰ বাট বিচাৰি পায়। বাহিৰৰ জগতত ভৰি দিয়াৰ আগতে ইয়াতেই তেওঁলোকৰ সাহিত্য প্ৰতিভাই লাভ কৰে আত্মপ্ৰকাশৰ প্ৰথম সুযোগ। ভৱিষ্যতৰ সু সাহিত্যিক গঢ়ি তোলাৰ ক্ষেত্ৰত সেয়েহে এই আলোচনী সমূহৰ ভূমিকা অসীম।

মই আশাকৰোঁ, ডিগবৈ মহাবিদ্যালয় আলোচনী'য়েও এই ভূমিকা নিষ্ঠাৰে পালন কৰিব। সম্পাদনা গোষ্ঠীৰ লগতে মহাবিদ্যালয়ৰ সমূহ সাহিত্যপ্ৰেমী ছাত্ৰলৈ শুভেচ্ছা জনাই আলোচনীখনিৰ সফল আত্মপ্ৰকাশলৈ বাট চালোঁ।

স্বাঃ ডঃ কৰবী ডেকা হাজৰিকা
২৩/২/৮৭

সদৌ অসম ছাত্র সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
Head Office : GAUHATI UNIVERSITY
GUWAHATI-781014

Ref................ Date. ১৯-৩-৮৭ ইং

## শুভেচ্ছাবাণী

ডিগবৈ মহাবিদ্যালয় ছাত্র একতা সভাই ১৯৮৬-৮৭ চনৰ বাবে 'ডিগবৈ মহাবিদ্যালয় আলোচনী'ৰ দশম সংখ্যাটি প্ৰকাশৰ বাবে চলোৱা প্ৰস্তুতিৰ কথা জানিব পাৰি সুখী হৈছো। মহাবিদ্যালয় একোখনত সুস্থ বিদ্যায়তনিক আৰু বৌদ্ধিক পৰিবেশ গঢ়ি তোলাত ছাত্ৰ একতা সভা সমূহে প্ৰকাশ কৰা মুখপত্ৰসমূহৰ বৰঙণি অপৰিসীম। মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰতে এখন ক্ষুদ্ৰ 'সাহিত্য জগতৰ সৃষ্টিকৰি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সুপ্ত হৈ থকা সাহিত্য আৰু কলা সংস্কৃতিৰ চেতনা জগাই তোলাৰ লগতে প্ৰকৃত প্ৰতিভাৰ সন্ধান আৰু উত্তৰণত এই মুখপত্ৰ সমূহে চলোৱা প্ৰচেষ্টাক প্ৰতিভাসন্ধানী এক নীৰৱ আন্দোলন আখ্যা দিবপাৰি। সমাজ আৰু সময়— সৃষ্টিশীল সাহিত্যৰ প্ৰধান উপাদান। আমাৰ গভীৰ বিশ্বাস, ডিগবৈ মহাবিদ্যালয়ৰ এই মুখপত্ৰখনিত অসমৰ সাম্প্ৰতিক সময় আৰু সমাজৰ প্ৰতিফলন ঘটাবলৈ চেষ্টাৰ ত্ৰুটি কৰা নহব।

আলোচনীখনৰ উদ্দেশ্যৰ সফলতা কামনা কৰাৰ লগতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী; শিক্ষক কৰ্মচাৰীলৈ আমাৰ শুভেচ্ছা জ্ঞাপন কৰিলো।

প্ৰতি ঃ

শ্ৰীৰঞ্জিত ফুকন
সম্পাদক, আলোচনী বিভাগ
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা

স্বাঃ শ্ৰীঅতুল বৰা।
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা।




কৰ্মৰত অৱস্থাত ডিগবৈ মহাবিদ্যালয়ৰ
অধ্যক্ষ মহোদয় ডঃ প্ৰফুল্ল কুমাৰ ভূঞা



এন্ধাৰ বিনাশী
আলোকিত কৰা হে
সূৰুযৰ ৰক্তিম ৰ'দালি



হুঁয়, হুঁয় !
আমি আমাৰ আঁৰীক আশ্ৰয়
আৰু নিৰাপত্তাৰ সুলক
আহৃত কৰিছোঁ ।



বসন্তত বিৰ্বিৰাষে হাঁহে

ফটো—ৰণ্টু শইকীয়া ।

# সম্পাদকীয়

*"শিক্ষিত শ্ৰেণীৰ মাজত উদ্ভৱ হোৱা দৰিদ্ৰতাৰ ভীতিয়ে বৰ্তমান সমাজৰ এক ঘৃণনীয় নৈতিক জৰাগ্ৰস্ততাৰ ৰূপত দেখা দিছে যাৰ বাবে বৰ্তমান আমাৰ মানৱ সভ্যতা হেৰাই যোৱাৰ উপক্ৰম হৈছে।"*

**—উইলিয়াম জেমচ্‌।**

## সমস্যা : সৃষ্টিশীল সমাজ গঢ়াৰ—

এটা শতিকা অৱসান ঘটিবলৈ আগত মাথো কেইটামান বছৰ। বহু প্ৰত্যাশিত একবিংশ শতিকা (যাক আমি নৱ প্ৰভাত বুলি কৈছোঁ) নাতিদূৰত। কুৰি শতিকাৰ অন্তিম ক্ষণত আমাৰ সমাজ জীৱনত যুৱ-ছাত্ৰ সকলৰ দ্বাৰা সংঘটিত অবাঞ্চনীয় নিত্য নতুন ঘটনা বাজি স্খলিত মানসিকতাৰ ফল বুলি চিহ্নিত কৰা হৈছে। যুৱ মানসিকতাক তেনেহলে গভীৰ শতাশাই আগুৰি ধৰিছে নেকি?

একৈশ শতিকা যদিও সমাগত অথাপি এই সন্ধিক্ষণতে যুৱ ছাত্ৰসকলৰ মানসিক স্বৰূপ আৰু কৰ্মপদ্ধতিৰ লগত বৰ্তমান সমাজ ব্যৱস্থাৰ বিচাৰ হব লাগে। যিকোনো আচহুৱা কাম এটা কৰিবলৈ যোৱাৰ আগতে বৰ্তমানৰ স্থিতিক বুজ লোৱা নিতান্তই প্ৰয়োজনীয়। গতিকে আমি তাকে কৰি আঁসোৱাহ সমূহ আঁতৰাই সুস্থ মানসিক অৱস্থা আৰু উন্নত ৰুচি বোধ সৃষ্টিত ব্ৰতী হব লাগে; যিহেতু আজি এক আচহুৱা নতুন সভ্যতাৰ সন্ধেদ পোৱা গৈছে। পশ্চাৎগামী কাৰ্য্যকলাপ আৰু অসুস্থ চিন্তাধাৰাই যুৱ ছাত্ৰ মানসিকতাক যে বিপথগামী কৰিছে তাক স্বকীয়াকৈ কোৱাৰ প্ৰয়োজন বোধকৰো নাই। বিভিন্ন অলোচনী বাতৰি কাকত, কথাছবি, নাটক আদিৰ দ্বাৰা জনসাধাৰণক অৱগত কৰাবলৈ কৰা প্ৰচেষ্টাই প্ৰমাণ কৰে। প্ৰকৃততে এনে প্ৰতিকূল অৱস্থাৰ কাৰণ কি? যুৱক যুৱতী-সকলৰ মানসিক পৰিবৰ্তনে ইমান ভয়াবহ ৰূপ লৈছে যাৰ ফলত সামাজিক আচৰণ, নৈতিকতা

শালিনতাবোধ নষ্ট হোৱাৰ ভয়ত তেওঁলোকৰ মাজৰে সচেতন এ'চাম স্তম্ভিত হৈ পৰিছে। এই সমস্যাৰ পৰা ৰক্ষা পাবৰ বাবে কি কৰা উচিত তাৰ উৱাদিহ পোৱা নাই।

আজি পশ্চিমীয়া দেশ তথা ভাৰতবৰ্ষৰ বিভিন্ন অংশৰ যুব-ছাত্ৰৰ মানসিক পৰিৱৰ্তনে যিহেতু জনসাধাৰণক ভাবিবলৈ বাধ্য কৰাইছে। গতিকে আমাৰ অসম ভূমিত এই পৰিৱৰ্তনৰ প্ৰভাৱ কেনেকুৱা তাক অতি চমুকৈ আলোচনা কৰিবলৈ এই নিবন্ধৰ দ্বাৰা প্ৰয়াস কৰা হৈছে।

আমি আজি কি দেখিবলৈ পাইছোঁ! যদি শিক্ষক ছাত্ৰৰ সম্পৰ্কলৈ চোৱা যায় আৰু নিৰপেক্ষভাৱে বিচাৰি কাৰ্য্য চলে, তেনেহলে দেখিবলৈ পাম শিক্ষক আৰু ছাত্ৰৰ মাজত সৌহাদ্যপূৰ্ণ সম্পৰ্কৰ অৱনতি ঘটিছে। ক'ৰবাত হয়তু বেমেজালি হৈছে। ই অপ্ৰিয় হলেও সঁচা, যাৰ ফলত শিক্ষক সকল ছাত্ৰৰ দ্বাৰা অপদস্থ হয় বুলি অভিযোগ শুনা যায় আমি যদি ইয়াৰ সমাধান বিচাৰো; এটা পক্ষক নিলগাই ৰাখি আনটোক ৰক্ষণা-বেক্ষণ দি সামাধানৰ সূত্ৰ বিচৰাটো নিৰ্বোধিতাৰ পৰিচায়কহে হব।

অসমৰ মুখ্য সমস্যা সমূহৰ ভিতৰত নিবনুৱা সমস্যাও এটা, অসমত প্ৰাকৃতিক সম্পদৰ অভাৱ নাই। গতিকে নিয়োগৰ প্ৰচুৰ সম্ভাৱনা থকা স্বত্তেও অসমৰ যুৱক যুৱতী সকল নিবনুৱা হৈ থকা অৱস্থাই জাতীয় উন্নতিৰ কেনে এটা অৱস্থাৰ ইঙ্গিত দিছে সি অতি সহজে অনুমেয়। প্ৰকৃততে আমাৰ সম্পদ সমূহৰ যথোচিত ব্যৱহাৰ হোৱা নাই, সেয়েহে সমস্যায়ো লগ এৰা নাই। আৰ্থিক ভাবে জুকলা হৈ মানসিক ভাৱসাম্য হেৰুৱা যুৱক যুৱতী সকলে সামাজিক দায়িত্ববোধ, কৰ্তব্যবোধ বিসৰ্জন দি সততা, নৈতিকতাৰ প্ৰবল গৰা খহনীয়াত পৰিছে। শিক্ষানুষ্ঠানৰ স্বীকৃতিটোহে আজি শিক্ষাৰ প্ৰধান উদ্দেশ্য হৈছেগৈ। গতিকে সামগ্ৰিক দিশ বিলাক কিমান থৰক বৰক হৈছে তাক ভাবিবলগীয়া।

স্বাভাৱিকতে মানুহৰ মনত প্ৰশ্ন উদয় হৈছে যে, এই অভাবনীয় পৰিবৰ্তনৰ উৎস ক'ত? এই সম্পৰ্কে যদি পৰ্য্যালোচনা চলোৱা হয় তেন্তে উল্লেখিত কাৰণ সমূহকে সাধাৰণতে জগৰীয়া কৰিব পাৰি। জ্ঞান লাভৰ প্ৰতি অনিচ্ছা আৰু অধ্যয়নৰ প্ৰতি থকা উদাসীনতাই মানসিক সংঘাতৰ ঘাই কাৰণ। গতিকে এই উদাসীনতাৰ কৰাল গ্ৰাসত আজিৰ যুৱ ছাত্ৰ সকল কিয় পৰিব লগা হৈছে তাক বিচাৰ কৰিলে তলত উল্লেখ কৰা কথা কেইটা ইয়াৰ কাৰণ হব পাৰে।

১। আসোঁৱাহপূৰ্ণ শিক্ষা ব্যৱস্থা:
কৰ্মসংস্থানহীন ব্যৰ্থ অৰ্থনৈতিক ব্যৱস্থা, শিক্ষা দান আৰু গ্ৰহণ সম্পৰ্কে উদাসীন মনোভাবে শিক্ষাৰ মানদণ্ডৰ অৱনতি ঘটাইছে।

২। প্ৰবেশ পৰীক্ষা, বৃত্তিমূলক পৰীক্ষা আদি ছাত্ৰৰ মেধা শক্তিতকৈ অভিভাৱক সকলৰ চতুৰালি আৰু আৰ্থিক সামৰ্থ্যৰ ওপৰত নিৰ্ভৰশীল হোৱাত একশ্ৰেণী ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ প্ৰতি বিতৃষ্ণা জন্মিছে।

৩। আমোদ প্ৰমোদৰ নামত আবিষ্কাৰ হোৱা বিভিন্ন মাধ্যম যেনে—নিম্ন মানদণ্ডৰ কল্পনা-বিলাসী সচিত্ৰ পুথি, অমাৰ্জিত গীত, ভিডিঅ' আদিৰ বহুল প্ৰচলনে আমাৰ আজৰি সময় কণৰ বাদেও বহু মূল্যবান সময়ৰ অধিকাংশ দখল কৰাত গঠনমূলক-উচ্চ চিন্তা-চৰ্চা আৰু কাজ কৰ্মৰ পৰা আমাক আঁতৰাই আনিছে। এইবিলাকে যুৱ ছাত্ৰ সকলক উশৃংখল হোৱাত অৰিহণা যোগাইছে।

৪। সাম্প্ৰতিক কালৰ ৰাজনৈতিক নেতাসকলে নিজ স্বাৰ্থ পূৰণৰ উদেশ্যে দুৰ্নীতিত লিপ্ত হোৱা বাবে যুৱক-যুৱতী সকলৰ সমস্যাৰ প্ৰতি উদাসীন ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। ফলস্বৰূপে অভাৱ অভিযোগৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি হৈছে। যুৱক - যুৱতীসকলৰ অভাৱ অভিযোগ আৰু ন্যায্য চাহিদা পূৰণত চৰকাৰৰ উদাসীন আৰু অনমনীয় মনোভাৱে যুৱক সমাজক বিপথগামী কৰি তুলিছে. আৰু বিছিন্নতাবাদৰ দৰে কাৰ্য্যকলাপত নিজকে জড়িত কৰি পেলাইছে। এক শ্ৰেণী যুৱকৰ মনত প্ৰত্যয় জন্মিছে যে তেওঁলোকৰ ন্যায্য অধিকাৰ সাব্যস্ত কৰাত বিছিন্নতাবাদেই শক্তিশালী অস্ত্ৰ। তদুপৰি উপৰোক্ত কাৰণ বিলাকৰ এনে কিছুমান আনুসঙ্গিক কাৰণ আছে যিবিলাকে যুৱক—যুৱতী সকলক বিপথে পৰিচালিত কৰি আছে।

আমাৰ সমাজৰ প্ৰতিজন দায়িত্বশীল ব্যক্তি, যুৱক-যুৱতীয়ে উপৰোক্ত কাৰণ সম্পৰ্কত সচেতন। সেয়েহে এনেবোৰ প্ৰতিক্ৰীয়াশীল কাৰণ সম্পৰ্কত আলোচনা বিলোচনাৰো অন্ত নাই। অথচ উপৰোক্ত কাৰণ সমূহে আমাক সমস্যাত পেলাইছে। আমি সাধাৰণতে এই কথা বিলাক আলোচনাহে কৰো কিন্তু কাৰ্য্যত উচিত প্ৰয়োগ নকৰো। ইয়েই আমাৰ আজি আটাইতকৈ ডাঙৰ দুৰ্বলতা। গতিকে আমাৰ চিন্তা আৰু কৰ্মপদ্ধতিৰ মাজত সামঞ্জস্য থকা উচিত।

ছাত্ৰ সমাজৰ এচামে গ্ৰহণ কৰা বিতৰ্কিত দিশটো সৰহ দিন জীয়াই থকাত কোন কোন দিশৰ পৰা সহায় পাইছে তাক বিচাৰি উলিয়াই নিৰ্মূল কৰাৰ সময় আজি উপস্থিত। অন্যথাই কিছু কালৰ পাছত এই বেলেগ ৰূপ লোৱা ক্ৰিয়দংশই সংখ্যাগৰিষ্ঠ হৈ সামাজিক বাতাৱৰণ সন্ত্ৰস্ত কৰি তুলিব। আজি অসমৰ জাতীয় জীৱনৰ সামগ্ৰিক দিশ সমূহ উৰঙিল গৈছে। বিশেষকৈ সংস্কৃতিৰ ওপৰত অপসংস্কৃতিৰ আক্ৰমণে তীব্ৰ ৰূপ ধাৰণ কৰিছে। ইয়াক সুদূৰপ্ৰসাৰী হবলৈ দিব পৰা নেযায়। আজিকালি সততে এযাৰ কথা কোৱা হয় যে যুৱক - যুৱতীসকলে সংঘবদ্ধহৈ তেওঁলোকক বিপথগামী কৰি তোলা অপসংস্কৃতিত আশ্ৰয় দিয়া প্ৰতিক্ৰীয়াশীল শক্তিৰ বিৰুদ্ধে থিয় দিব লাগে। সদৌ অসম ভিত্তিত আৰু আঞ্চলিক পৰ্য্যায়ত বিভিন্ন নবীন লেখক লেখিকা সকলৰ সাহিত্য চৰ্চ্চা কেন্দ্ৰকে ধৰি সামাজিক মঙ্গল সাধনৰ দৰে মহৎ আদৰ্শ থকা কেতবোৰ সংগঠন গঢ় লৈ উঠা পৰিলক্ষিত হৈছে। এইটো অতি সুখৰ কথা। এই সংগঠন সমূহে সাহিত্য চৰ্চা আদিৰ দৰে গঠন মূলক কামত নিজকে জড়িত কৰি ৰাখিব পাৰিলে আৰু ইয়াৰ গঠনমূলক কাম বিলাকে ছাত্ৰ সকলক সঠিক পথত ধৰি ৰখাত নিশ্চয় সহায়ক হ'ব।

## *আলোচনীখনৰ বিষয়ে দুআষাৰ :—*

বৰ্তমান নবীন লেখক লেখিকা সকলে সাহিত্য সৃষ্টি কৰাত সমস্যাৰ গৰাহত পৰিছে। সময়ৰ ব্যৱধান নবীন – প্ৰবীণ লেখকৰ ভাৱ—অনুভূতিৰ সংঘৰ্ষক ধৰি বহুবোৰ কাৰক জগৰীয়া হলেও সাহিত্য সৃষ্টি কৰিবলৈ নিজ মনত সাহিত্যৰ উপলব্ধি সবল হব লাগিব। গতিকে উপযুক্ত পৰিবেশত একাগ্ৰ সাধনাৰে সাহি-ত্য সৃষ্টিৰ অনুশীলন কৰাতো যুগুত হব। এইক্ষেত্ৰত উপযুক্ত পৰিবেশ একোটা সৃষ্টি কৰি দিয়াত শিক্ষানুষ্ঠান সমূহৰ মুখপত্ৰ বিলাকৰ ভূমিকা অতি মহৎ। সেইদৰে মহাবিদ্যালয় সমূহৰ মুখপত্ৰ বিলাকে মহাবিদ্যালয় খনৰ চৰিত্ৰ প্ৰকাশ কৰাতে সীমাবদ্ধ আছে বুলি কলে ভুল কৰা হব। এই মুখপত্ৰ বিলাকৰ দ্বাৰাই ছাত্ৰ ছাত্ৰীসকলৰ শিক্ষা তথা অন্যান্য সকলো দিশ আৰু বাস্তৱ স্থিতি প্ৰকাশ পায়। ছাত্ৰ অৱস্থাতে হৃদয়ত লুপ্ত হৈ থকা ভাৱ অনুভূতিবোৰক জাগ্ৰত কৰি ভবিষ্যতে একোজন মহৎ সাহিত্যিক হোৱাৰ স্বপ্নত আৰু উৎকৃষ্ট সাহিত্য সৃষ্টিৰ অনুশীলন কৰাত মহাবিদ্যালয়ৰ মুখপত্ৰখনি সাহস আৰু অনুপ্ৰেৰণাৰ আধাৰ স্বৰূপ। গতিকে সমাজৰ নতুন নতুন দাবীক পূৰণ কৰিবৰ বাবে আমাক লাগে দাবী পূৰণ কৰিব পৰাকৈ ন-চিন্তাৰে পৰিপুষ্ট মনৰ নতুন লেখকৰ। "সাহিত্যই এটা জাতিৰ দাপোন" যদি হয়; এটা জাতিৰ জাতীয়ত্ব, এটা জাতিৰ ইতিহাস, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিৰ কৰ্মধাৰা সাহিত্যত প্ৰতিফলিত হয় তেন্তে সাহিত্য সৃষ্টিৰপ্ৰচেষ্টা আৰু অভ্যাস হব লাগিব ছাত্ৰ অৱস্থাৰ পৰাই।

## *মহাবিদ্যালয় সপ্তাহ : মুকলি চিন্তা*

স্বাভাৱিকতে মহাবিদ্যালয় সপ্তাহ বুলি কলে আনন্দ আৰু উলহ—মালহৰ কেইটামান দিন, কেইটামান পুৰস্কাৰৰ কথাই মনলৈ আহে। প্ৰকৃততে মহাবিদ্যালয় সপ্তাহৰ সংজ্ঞামতে কেৱল আনন্দ আৰু উলহ মালহৰ অনুষ্ঠান

জানো ? ইয়াৰ অন্তৰালত ছাত্ৰ আৰু শিক্ষাগুৰু সকলৰ মাজত মধুৰ সম্পৰ্ক স্থাপনৰ পৰিবেশ একোটা সৃষ্টি কৰি লোৱাৰ লগতে গভীৰ তথা গুৰুত্বপূৰ্ণ প্ৰয়োজনীয়তা কিছুমান লুকাই থাকে। ক্ৰীড়াৰ দৰে এটা অত্যাৱশ্যকীয় আনুষ্ঠানিক শিক্ষা ব্যৱস্থা মহাবিদ্যালয়ত থকাটো অতি প্ৰয়োজনীয়। কেৱল স্বাস্থ্য ৰক্ষাৰ্থে যে খেলা ধূলা কৰা উচিত এনে নহয়, এটা জাতিৰ তথা এখন দেশৰ প্ৰগতিৰ কথা ভাবিলে ক্ৰীড়াৰ দিশটো উন্নতিৰ প্ৰাসঙ্গিকতা গভীৰ ভাবে উপলব্ধি কৰা যায়।

প্ৰতিটো বছৰে বছৰৰ শেষৰ ফালৰ পৰা নববৰ্ষৰ আৰম্ভনিলৈকে অসমৰ চুকে কোণে থকা প্ৰতিখন মহাবিদ্যালয়ৰ লগতে ডিগবৈ মহাবিদ্যালয়তো বছৰেকীয়া মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। আশ্চৰ্যৰ বিষয় এই ক্ৰীড়া অনুষ্ঠানত প্ৰতিযোগী আৰু দৰ্শকৰ উপস্থিতিৰ দৈন্য দেখিলে ছাত্ৰ ছাত্ৰী সকল মহাবিদ্যালয় সপ্তাহ সম্পৰ্কে বিতৰাগ হোৱা যেন ভাব হয়।

এই বিষয়ে ছাত্ৰ ছাত্ৰীসকলৰ মতামত সমূহ বিশ্লেষণ কৰি চালে দেখা যায় যে তেওঁলোকৰ বিভিন্ন অভাৱ অভিযোগ আছে। তেওঁলোকে সততে খেল অনুষ্ঠিত কৰা পদ্ধতি বা খেলৰ মানদণ্ড নিম্ন-পৰ্যায়ৰ হোৱাটোকে দোহাৰে। অনুপযোগী খেলপথাৰো ছাত্ৰ—ছাত্ৰীসকলৰ অভিযোগৰ অন্য এক কাৰণ বুলি ভাবিবৰ স্থল আছে। বহুতে আকৌ মহাবিদ্যালয় সপ্তাহক অযথা টকা পইচাৰ শৰাধ আৰু সময়ৰ অপব্যৱহাৰ হোৱা অনুষ্ঠান বুলি মন্তব্য কৰি ইয়াৰ প্ৰয়োজনীয়তা নুই করে। এই ক্ষেত্ৰত বিভাগীয় সম্পাদক সকল সমালোচনাৰ সন্মুখীন হবলগীয়া হয়। অৱশ্যে সম্পাদক সকলক সমালোচনা কৰাতে ব্যস্ত নেথাকি আটাইতকৈ জনপ্ৰিয়তা লাভ কৰা সাম্প্ৰতিক কালৰ প্ৰাসঙ্গিক ক্ৰীড়া বিষয়ক শিক্ষা দিয়াৰ আনুষ্ঠানিক তথা সংলগ্ন ব্যৱস্থা প্ৰৱৰ্ত্তন কৰাৰ দিহা কৰিব লাগে। আমি বিভাগীয় সম্পাদক সকলক সমালোচনাৰ উৰ্দ্ধত বুলি কবলৈ যোৱা নাই; কিন্তু উমৈহতীয়া সুচিন্তিত দিহা পৰামৰ্শৰে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰি দিনক দিনে পৰি অহা অপৰিহাৰ্য্য ক্ৰীড়া ব্যৱস্থাৰে সমাহাৰ মহাবিদ্যালয় সপ্তাহক জীপ ধৰি উঠাৰ ব্যৱস্থা কৰাহে উচিত হব।

এটা মহাবিদ্যালয় সপ্তাহৰ পৰা পৰবৰ্ত্তী মহাবিদ্যালয় সপ্তাহলৈ যথেষ্ট দীঘলীয়া সময় পোৱা যায়। এই সময় ছোৱাত আমাৰ মাননীয় শিক্ষাগুৰু সকলে বিশিষ্ট ক্ৰীড়াবিদ সকলক লগত লৈ ছাত্ৰ প্ৰতিনিধিকো অন্তৰ্ভূক্ত কৰি নিষ্ক্ৰিয় হব ধৰা মহাবিদ্যালয় সপ্তাহক কি দৰে আকৰ্ষণীয় তথা যুগ উপযোগী শিক্ষা ব্যৱস্থা হিচাপে গঢ় দিব পাৰি সেই সম্পৰ্কে বিস্তৃত আলোচনা কৰি বিজ্ঞানসম্মত কাৰ্যসূচী গ্ৰহণ কৰি ছাত্ৰ ছাত্ৰী সকলৰ মনত মহাবিদ্যালয় সপ্তাহৰ উপযোগিতা সম্পৰ্কে দৃঢ় প্ৰত্যয় উপজাৰ পৰাকৈ সামগ্ৰিক ভাৱে সজ্জিত হৈ কৰ্মশালা অনুষ্ঠিত কৰাতো সময়ৰ আহ্বান বুলি ভবা হৈছে।

## কৃতজ্ঞতা প্ৰকাশ :

ডিগবৈ মহাবিদ্যালয়ৰ প্ৰতিজন বিদ্যাৰ্থী বন্ধুলৈ আমাক আলোচনী সম্পাদনা কৰাৰ দৰে এটা মহৎ কাম অনুশীলন কৰিবলৈ সুবিধা দিয়াত আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। সম্পাদকীয়ত আগতে উল্লেখ কৰিছো যে যিকোনো আচহুৱা কাম কৰিবলৈ যোৱাৰ আগতে নিজৰ বাস্তৱ স্থিতিৰ বিষয়ে জনা আৱশ্যক। অন্যথাই কৰ্ম সম্পাদনত বিভিন্ন অসুবিধাৰ সন্মুখীন হব লগীয়া হয়। আমাৰ বেলিকাও এই কথাষাৰ সত্য প্ৰমাণিত হ'ল। মাননীয়া ভাৰপ্ৰাপ্ত অধ্যাপিকা অনু বৰগোহাঁই (গগৈ) বাইদেউৰ পৰা অনৱৰতে পোৱা সুচিন্তিত দিহা পৰামৰ্শ আৰু অনুপ্ৰেৰণাই মোৰ অক্ষমতাক অভয় দিলে। সম্পাদনা সমিতিৰ সদস্য অধ্যাপকদ্বয় শ্ৰী পূৰ্ণানন্দ শইকীয়া, শ্ৰী বিনোদ গগৈ আৰু সদস্যা অধ্যাপিকা শ্ৰীমতী মধুমীতা চক্ৰৱৰ্ত্তী সম্পাদনা সমিতিৰ ছাত্ৰ সদস্য—বিনন্দ, হীমেন, প্ৰভাত আৰু বন্ধুবৰ মন্টু, শঙ্কৰৰ লগতে বহুতৰে সহায় সহযোগিতাৰ বাবে মই চিৰ কৃতজ্ঞ। এখেতসকলৰ সহায় সহযোগিতাৰ অবিহনে আলোচনী সম্পাদনাত বহু খিনি অসুবিধা হ'লহেঁতেন।

আমাৰ অনুৰোধ ৰক্ষা কৰি আমাৰ মুখপত্ৰ খনিলৈ শুভেচ্ছা বাণী প্ৰেৰণ কৰাৰ বাবে অসম সাহিত্যসভাৰ প্ৰাক্তন সভাপতি

যোগেশ দাস, ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ডঃ কৰবী ডেকা হাজৰিকা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মাননীয় অতুল বৰা দেৱলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আমাৰ অনুৰোধ ৰক্ষা কৰি প্ৰবন্ধ, কবিতা আদিৰে সহায় কৰাৰ বাবে মাননীয় অধ্যক্ষ মহোদয় ডঃ প্ৰফুল্ল কুমাৰ ভূঞা, শ্ৰীপূৰ্ণানন্দ শইকীয়া, শ্ৰীমোহিনী কুমাৰ বৰদলৈ, শ্ৰীবিনোদ গগৈ, চৈয়দা আকেলা খানম আৰু শ্ৰীমতী অনু বৰগোহাঁই (গগৈ) লৈ কৃতজ্ঞতা জনালোঁ। আমি আশাবাদী এইসকল শিক্ষাগুৰুৱে আগবঢ়োৱা ৰচনা সম্ভাৰে সাহিত্যানুৰাগী বন্ধু বান্ধৱীক সাহিত্য সৃষ্টিত অফুৰন্ত প্ৰেৰণা যোগাব। আমাৰ মহাবিদ্যালয় সঙ্গীতৰ স্বৰলিপি প্ৰস্তুত কৰি দিয়া বাবে বিবেকানন্দ বিদ্যালয়ৰ অধ্যাপক শিৱতোষ দাস আৰু ডিগবৈ মহাবিদ্যালয়ৰ বৰুণ দেব মহোদয়লৈ আন্তৰিক কৃতজ্ঞতা জনালো।

আমাৰ মহাবিদ্যালয়ৰে ছাত্ৰ চিত্ৰশিল্পী কমলা কান্ত বুঢ়াগোহাঁইয়ে তুলিকাৰে শুন্দৰ বেটুপাত অঙ্কন কৰি আমাৰ মুখপত্ৰ খনিৰ জেউতি চৰাইছে; তেওঁক আমাৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জনাইছোঁ। লগতে এই সাধনা উত্তৰণ ঘটিবলৈ কামনা কৰিছোঁ।

## উপসংহাৰ ঃ

এখন মহাবিদ্যালয় আলোচনীৰ মানদণ্ড সম্পাদকৰ ওপৰত নিৰ্ভৰশীল হলেও, মুখপত্ৰখনিলৈ আগবঢ়োৱা ৰচনা সম্ভাৰৰ ওপৰতহে বেছি নিৰ্ভৰ কৰে। মুখপত্ৰখনি সৰ্বাঙ্গসুন্দৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হৈছে। তথাপি অনিচ্ছাকৃত ভাবে কৰবাত ভুল ভ্ৰান্তি ৰৈ গৈছে। সহৃদয় পাঠক সমাজৰ ওচৰত ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো।

সদৌ শেষত ডিগবৈ মহাবিদ্যালয়ৰ প্ৰতিজন বিদ্যাৰ্থী তথা— সাহিত্যানুৰাগী বন্ধু বান্ধৱীৰ নিজ নিজ সাধনা সমূহৰ উন্মেষ ঘটক এই কামনাৰে সম্পাদকীয় সামৰিলো।

জয়তু ডিগবৈ মহাবিদ্যালয় আলোচনী

**শ্ৰীৰঞ্জিত ফুকন।**

সম্পাদক ডিগবৈ মহাবিদ্যালয় আলোচনী।



জীৱনৰ সঁচা অভিজ্ঞতা সমূহৰ পাণ্ডিত্যপূৰ্ণ বিশ্লেষণতেই প্ৰৱন্ধৰ সৃষ্টি হয়। সমাজ তথা জীৱনৰ দোষ ক্ৰটিবোৰৰ নিৰপেক্ষ্য আৰু নিৰ্ভীক সমালোচনাই হ'ল প্ৰৱন্ধ। প্ৰৱন্ধত কল্পনাৰ কোনো প্ৰলেপ নাথাকে।

# EDITORIAL BOARD.

**SESSION 1986–87**

**DIGBOI COLLEGE MAGAZINE**



Sitting ( From L. to R. ) — Prof. Madhumita Chekraborty ( Staff ), Prof. Purnananda Saikia ( Staff ), Prof. Binod gogoi ( Staff ), Prof. Anu Borgohain gogoi ( Prof-In-charge, Magazine ).

Standing (From L. to R. ) — Sri Ranjit phukan ( Magazine Editor ), Sri Hinen Gogoi ( Student Member ), Sri Prabhat Baruah (Student members), Sri Binanda Kumar Konwar ( Student member ).

Not in the Picture — Dr. Prafulla Kumar Bhuyon ( Patron ), Sri Mridul Tamuli ( Student Member ).

।। অধ্যয়নৰত অৱস্থাত অধ্যয়ন কক্ষত বিদ্যাৰ্থী ।।



# আমাৰ সাংবিধানিক দায়িত্ব

ডঃ প্ৰফুল্ল কুমাৰ ভূঞা
অধ্যক্ষ,
ডিগবৈ মহাবিদ্যালয়, ডিগবৈ

আমাৰ এটা ভুল মনোভাব সাধাৰণতে জাগ্ৰত হয়, যাৰ ফলত আমি আমাক নিদিয়া বা বঞ্চিত কৰা অধিকাৰ বোৰৰ কথা কৈ চৰকাৰ বা সমাজক দোষাৰোপ কৰোঁ। কিন্তু অধিকাৰ অকলশৰীয়া যাত্ৰী নহয়। ই লগতে দায়িত্বকো লৈ যায়। অধিকাৰ আৰু দায়িত্ব এটা মুদ্ৰাৰ দুটা পিঠি মাথোন। গতিকে এটাক বাদ দি আনটোৰ কথা ক'লে দুখুৰাম। মোক যথোচিত মৰ্য্যদা সমাজে দিয়া নাই বুলি দাবি কৰিলে, মই নিজে মোতকৈ তলৰ মানুহক যথোচিত মৰ্য্যদা দিছোনে নাই সেইটো প্ৰশ্ন নিশ্চয় আহিব। ৰাষ্ট্ৰ এখন আৰু চৰকাৰ এটাৰ বেলিকা অধিকাৰৰ লগত দায়িত্ব সাঙুৰি নিদিলে বহুত সমস্যাই আহি পৰিব।

সোভিয়েট ৰাছিয়াৰ সংবিধানত এনেদৰে লেখা আছে যে নাগৰিক সকলে তেওঁলোকৰ অধিকাৰ সাব্যস্ত কৰিবলৈ যাওঁতে তেওঁলোকৰ কৰ্তব্য আৰু দায়িত্বও স্বীকাৰ কৰিব লাগিব। সেই আদৰ্শৰ আধাৰত ভাৰতৰ সংবিধানৰ দ্বাচত্বাৰিংশ সংশোধনী ১৯৭৬ চনতে গৃহীত কৰা হ'ল আৰু তাৰ ফলস্বৰূপে ভাৰতীয় সংবিধানত ৫১ ক দফাৰ সৃষ্টি হ'ল। এই নতুন দফাই ভাৰতীয় সংবিধানত ভাৰতীয় নাগৰিকৰ মৌলিক কৰ্তব্য ৰাজি প্ৰথম বাৰৰ কাৰণে উল্লেখ কৰিলে। ভাৰতৰ মৌলিক কৰ্তব্য ৰাজিৰ এটা বিশেষত্ব হ'ল এই কৰ্তব্যৰাজি ন্যায়ালয়ৰ যোগেদি বলৱত কৰোৱাব নোৱাৰি আৰু এই কৰ্তব্য ৰাজি ভঙ্গ কৰিলে অথবা আওহেলা কৰিলে ন্যায়ালয়ৰ যোগেদি শাস্তি বিহোৱাৰ পথ নাথায়। কিন্তু যদি কোনো ব্যক্তি বা অনুষ্ঠানে এটা মৌলিক অধিকাৰ ন্যায়ালয়ৰ যোগেদি সাব্যস্ত কৰিব খোজে তেতিয়া কাছাৰী বা ন্যায়পালিকাই সেই ব্যক্তি বা অনুষ্ঠানে নিজা কৰ্তব্য পালন কৰিছেনে নাই সেইটো নিৰ্ণয় কৰিহে অধিকাৰ সাব্যস্ত কৰিবলৈ দিব। এই খিনিতেই ভাৰতীয় সংবিধানৰ মৌলিক দায়িত্ব আৰু ৰাচিয়াৰ সংবিধানৰ মৌলিক দায়িত্বৰ মাজত সাগৰ-সম ব্যৱধান। কিয়নো ৰাচিয়াৰ সংবিধানত অধিকাৰ যেনেকৈ ন্যায়াপালিকাৰ যোগেদি সাব্যস্ত কৰিব পাৰি ঠিক তেনেকৈ মৌলিক দায়িত্বও ন্যায়াপালিকাৰ যোগেদি সাব্যস্ত কৰোৱাব পাৰি। আমাৰ মৌলিক দায়িত্ব আৰু কৰ্তব্য এনে ধৰণৰ দোষী এজনক যদি এজন মানুহে কয়, "আনক যি কৰ কৰি থাক, কিন্তু মোক দিগদাৰী কৰিলে সুদাই নেৰিম।" এনে এটা ব্যৱস্থাত সম্পূৰ্ণ ন্যায় পোৱা যায় জানো?

তথাপিটো এটা কথা নকৈ নোৱাৰিয়ে একেবাৰে নগণ্যতকৈ ভাৰতীয় সংবিধানত মৌলিক দায়িত্ব আৰু কৰ্তব্যৰ উল্লেখ কৰি ১৯৭৬ চনত ভাৰত চৰকাৰে সমাজবাদৰ পথত এটা ক্ষীণ হ'লেও পদক্ষেপ দিলে।

ভাৰতৰ সংবিধানত উল্লেখ কৰা মৌলিক কৰ্তব্য আৰু দায়িত্ব দহোটা আৰু সেইবোৰ এনেধৰণৰঃ

১) সংবিধান মানি চলা আৰু জাতীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতক সন্মান কৰা,

২) স্বাধীনতাৰ অৰ্থে যুদ্ধ কৰিবলৈ যি বিলাক সাধু আদৰ্শই অনুপ্ৰাণিত কৰিছিল, সেইবোৰ আদৰ্শ অনুকৰণ কৰা;

৩) ভাৰতৰ সাৰ্বভৌমত্ব, একতা আৰু অখণ্ডতা ৰক্ষা কৰা;

৪) দেশখন ৰক্ষা কৰা;

৫) ভাৰতৰ সকলো মানুহৰ মাজত ভাতৃত্ববোধ জগাই তোলা;

৬) আমাৰ সংমিশ্ৰিত সংস্কৃতিৰ বহুমূলীয়া ঐতিহ্য সংৰক্ষণ কৰা;

৭) প্ৰাকৃতিক পৰিবেশ ৰক্ষা আৰু উন্নত কৰা;

৮) অনুসন্ধানৰ হেপাহ আৰু বৈজ্ঞানিক মনোভাব উন্নীত কৰা;

৯) ৰাজহুৱা সম্পত্তি সংৰক্ষন কৰা;

১০) ব্যক্তিগত আৰু সমূহীয়া কাৰ্যাৱলীক শ্ৰেষ্ঠত্ব দিবলৈ চেষ্টা কৰা।

ন্যায়ালয় বিলাকে মৌলিক দায়িত্ব বলবৎ নকৰে যদিও মৌলিক অধিকাৰ সম্বন্ধীয় গোচৰত অথবা আন গোচৰত যদি মৌলিক কৰ্ত্তব্য আৰু দায়িত্বৰ কথা আছি পৰে, ন্যায়ালয় বিলাকে এই কৰ্ত্তব্য আৰু দায়িত্ব বিলাকৰ কথালৈ লক্ষ্য ৰাখে আৰু এই অনুপাতে বা অনুক্ৰমে ৰায় দান কৰে।

আচলতে এখন স্বাধীন দেশৰ নাগৰিকৰ এনেবোৰ দায়িত্ব বহন কৰা আৰু এনেবোৰ কৰ্ত্তব্য পালন কৰা নিতান্তই বাঞ্ছনীয়। সংবিধানত এইবোৰ কৰ্ত্তব্যৰ উল্লেখ কৰি ভাৰতীয় নাগৰিকক সেইবোৰ পালন কৰিবলৈ পুনৰাই দোহৰা হ'ল মাথোন। যেতিয়া ভাৰতীয়ৰ জাতীয় চৰিত্ৰ অধঃপতনৰ পথত তেতিয়া এই কৰ্ত্তব্য-বোৰৰ সাংবিধানিক উল্লেখে অধঃমুখী গতিক কম বেছি ৰূপে প্ৰতিহত কৰিব।

অলপতে কেৰেলাৰ এক সম্প্ৰদায়ৰ মানুহে ৰাষ্ট্ৰীয় সঙ্গীত নোগোৱা আৰু জাতীয় পতাকাক সন্মান প্ৰদৰ্শন নকৰা কথাক লৈ যি সাংবিধানিক গোচৰ হৈছিল আৰু ভাৰতৰ উচ্চতম ন্যায়ালয়ে কেনেকৈ সেই দুয়োটা কামেই অসাংবিধানিক বুলি ঘোষণা কৰিছিল তাৰ কথা সকলোৰেই জানে। ৰাষ্ট্ৰীয় সঙ্গীতক আৰু ৰাষ্ট্ৰীয় পতাকাক সন্মান প্ৰদৰ্শন কৰা ভাৰতীয় নাগৰিকৰ অৱশ্যে কৰ্ত্তব্য। যোৱা গণৰাজ্য দিৱসত যোগদান কৰিবলৈ জনৈক মুছলমান নেতাই আহবান দিয়াত গোটেই ভাৰতত মুছলমান সকলে আপত্তি কৰি এনে এটা মৌলিক কৰ্ত্তব্যকে পালন কৰিছিল। গতিকে ৰাছিয়াৰ সংবিধানত থকাৰ দৰে আমাৰ সংবিধানৰ মৌলিক দায়িত্ব আৰু কৰ্ত্তব্য প্ৰকট নহয় যদিও, এনেবোৰ সাংবিধানিক কৰ্ত্তব্য আৰু দায়িত্বৰ জটিল সমস্যা সমাধান কৰাত এই দায়িত্ববোৰৰ সাংবিধানিক উল্লেখে আমাক কম সহায় কৰা নাই। ইউৰোপীয় দুই এখন সংবিধানত সাংবিধানিক দায়িত্বৰ হয়তো উল্লেখ নাই। কিন্তু সেইবোৰ মানুহৰ জাতীয় চৰিত্ৰ ইমান প্ৰবল যে, তেওঁলোকে এনেবোৰ দায়িত্ব সংবিধানত উল্লেখ নকৰা স্বত্তেও আখৰে আখৰে পালন কৰি আহিছে। জাপানত মানুহৰ সাংবিধানিক দায়িত্বৰ কথা নকওৱেই লাগে। সামাজিক দায়িত্ব ইমান বেছি যে যদি কোনো এটা কোম্পানী দেউলীয়া হোৱাৰ সম্ভাৱনা থাকে আৰু সেই কোম্পানীটোৱে ৰাইজলৈ গোহাৰি জনায়, তেতিয়া ক্ৰেতাই বেছি দামত সেই কোম্পানীৰ বস্তু কিনি হ'লেও সেই কোম্পানীটোক সুস্থিৰ অৱস্থালৈ আনে আৰু সেই কোম্পানীটোৱেও সুস্থিৰ অৱস্থালৈ অহাৰ লগে লগেই প্ৰতিযোগিতাৰ আহিত দাম নিৰূপন কৰে। এইবোৰ ৰাষ্ট্ৰীয়, সাংবিধানিক আৰু সামাজিক দায়িত্বৰ অতি উচ্চ মানৰ নিদৰ্শন। গতিকে অতি আৱশ্যকীয় কথা হৈছে আমাৰ মানসিক প্ৰস্তুতিহে, সংবিধানত উল্লেখ কৰা দায়িত্ববোৰ দ্বিতীয় থাপৰ আৱশ্যকতা মাথোন। কিন্তু যেতিয়া এটা জাতিৰ এই দায়িত্ববোধ আৰু মানসিক প্ৰস্তুতি অতি নিম্ন মানৰ হয়, তেতিয়াই সংবিধানত ইয়াৰ উল্লেখ আৰু ৰাছিয়াৰ দৰে তাৰ প্ৰকট বলবত দৰকাৰ হৈ পৰে। ভাৰতত্তো এই আৱশ্যকতা বৰ বেছি ৰূপে বাঢ়ি আহিছে। গতিকে আমাৰ সাংবিধানিক দায়িত্ব ন্যায়ালয়ৰ যোগেদি বলবত কৰিব পৰা কৰাই ভাল, বিশেষকৈ যেতিয়া আমাৰ সাংবিধানিক দায়িত্ববোৰ ৰাজহুৱা সম্পত্তি ৰক্ষণ, অস্পৃশ্যতা বৰ্জন, আদি ৰাজহুৱা কথাতেই নিহিত আছে ব্যক্তিগত জীৱনৰ কথালৈ প্ৰায় অহাই নাই।

+

*বিবেক : বিবেক এক পবিত্ৰ আদালত যত ভগবানে নিজে বিচাৰ কৰে।*

**—জেমছ নাইট।**

# নাৰী ঃ তেতিয়া আৰু এতিয়া

চম্পা বালা বৰা
স্নাতক, দ্বিতীয় বাৰ্ষিক
(কলা)

*"প্ৰকৃতি পুৰুষ দুয়ো*
*নিয়ন্তা যাৰ"*

প্ৰকৃতি আৰু পুৰুষৰ যোগসূত্ৰে এই বিশাল পৃথিৱীৰ বিস্তাৰ হৈছে । এটাক বাদ দি আনটোৰ কথা চিন্তা কৰা আমাৰ কল্পনাৰো অতীত । সমাজৰ সকলো দিশতে নাৰী-পুৰুষে সমানে আগভাগ লোৱা স্বত্বেও পুৰুষৰ বৰ্ণনা যিদৰে পোৱা যায় বা কাগজে পত্ৰে আলোচিত হয় অথচ নাৰীৰ দিশটো এই ক্ষেত্ৰত চাবলগীয়া । আন নালাগে আমাৰ দেশৰ সু-সাহিত্যিক সকলেও নাৰী সমাজৰ বিষয়ে সম্যক আলোচনা কৰা দেখা নাযায় । আজি কুৰিশতিকাৰ দেওনা পাৰ হৈয়ো সমাজত নাৰীৰ এনে অৱস্থা কিয় ?

পৃথিৱীৰ প্ৰায়ভাগ দেশতেই নাৰীৰ সামাজিক মৰ্য্যদা প্ৰায় একেই দেখা যায় । কেৱল সমাজতান্ত্ৰিক দেশ-সমূহৰ ইয়াৰ কিছু ব্যতিক্ৰম পৰিলক্ষিত হয় । মানৱসমাজত আদিমতম অৱস্থালৈ লক্ষ্য কৰিলে বৰ্ত্তমান নাৰীসমাজৰ উন্নয়নৰ মান তেনেই নগন্য । আদিম অৱস্থাত মানৱে অঘৰী জীৱন-যাপন কৰিব লগীয়া হোৱাত তেওঁ লোকে প্ৰকৃতি বা অদৃশ্যশক্তিকে বিশ্বাস কৰিছিল । আৰু সেই শক্তিয়েই সকলোৰে মূল বুলি ধৰি লৈছিল । গছৰ পৰা যেতিয়া ফল সৰে, আকাশে যেতিয়া বৰষুণ দিয়ে তেতিয়া গছ, আকাশ ইত্যাদিক এক নিৰ্দিষ্ট শক্তি বুলি ভাবি সেই শক্তিৰ ওপৰতে সকলো বিশ্বাস ৰাখিছিল । ঠিক সেইদৰে সন্তান জন্ম হ'লেও সেই সন্তান এক নিৰ্দিষ্ট শক্তিৰেই দান বুলি ধৰি লৈছিল আৰু জন্মদাত্ৰী মাতৃয়ে মাতৃত্বৰ উপযুক্ত সম্মান সমাজৰ পৰা পোৱা নাছিল । নাৰীজাতিৰ অধিকাৰৰ বিষয়ে সেই যুগত কোনো ধৰনৰ চিন্তাচৰ্চা হোৱা নাছিল । পুৰুষেই ঘৰৰ সৰ্বেসৰ্বা আছিল সমাজত পশুপালন, কৃষি-কৰ্ম আদিৰ সম্প্ৰসাৰণে সমাজৰ উৎপাদন ব্যৱস্থাত নাৰীৰ ভূমিকাতকৈ পুৰুষৰ ভূমিকা বেছি গুৰুত্বপূৰ্ণ কৰি তুলিলে । পৰিয়ালৰ নৱজাত শিশুবোৰৰ তত্বাৱধানত অধিক গুৰুত্ব থকাৰ কাৰণে নাৰীয়ে সাধাৰণতে ঘৰতে আবদ্ধ হৈ থাকি ঘৰৰ পৰিচালনা, ওচৰে-পাজৰে থকা পথাৰখনিৰ কৃষিকৰ্ম, ঘৰৰ নিত্য প্ৰয়োজনৰ বাবে ৰখা পোহনীয়া জীৱজন্তু তত্বাৱধানতে ব্যস্ত থাকিব লগাত পৰিছিল । আনহাতে ঘৰৰ বাহিৰৰ ডাঙৰ ডাঙৰ কাম-বনবোৰৰ আগভাগ লৈছিল পুৰুষে । স্বাভাৱিকতেই ঘৰত থকা সম্পত্তিখিনি নাৰীৰ আৰু বাহিৰত উৎপাদন হোৱা সম্পত্তিৰ গৰাকী পুৰুষৰূপে গন্য হ'ল । অৰ্থাৎ পুৰুষ হ'ল বৃক্ষ আৰু নাৰী হ'ল লতা ॥

লাহে লাহে সভ্যতাৰ অগ্ৰগতিত ভৰি পৰাৰ পাছতো সমাজত সেই আদিম প্ৰথাই ভুমুকি মাৰিছিল ।

ভাৰতীয় সমাজৰ আদিমতম অবস্থা আছিল ঋক্‌বেদৰ যুগ । ঋক্‌বেদৰ পৰাই জানিব পৰা যায় যে সেই যুগত জাতিভেদ প্ৰথা সমাজত স্পষ্ট আছিল যদিও পুৰুষৰ সমানেই নাৰীয়ে বিভিন্ন প্ৰকাৰৰ অধিকাৰ ভোগ কৰিছিল । এই যুগৰ পাছতেই আহিল ব্ৰাহ্মণ্য যুগ । ব্ৰাহ্মণ্য যুগত আকৌ নাৰীৰ সামাজিক স্থান নিম্ন আছিল । সতীদাহ প্ৰথা সেই যুগত বহুল ভাবে প্ৰচলিত আছিল । কিছুমান অঞ্চলত সতীদাহ প্ৰথা প্ৰচলনৰ নগ্নৰূপ হিচাবে সদ্য বিধবা নাৰীক ভাং, ঘোটা আদি খুৱাই প্ৰায় অৰ্দ্ধ উন্মাদ অৱস্থাত পেলাই লৈ মৃত স্বামীৰ চিতাত একেলগে জাপি দিছিল । মৃত চিতাত জুই দিয়াৰ পাছত বিধবা নাৰীগৰাকীৰ কণ্ঠস্বৰ কোনেও নুশুনিবলৈ ঢোল, খোল আদি বাদ্য বজোৱাৰ ব্যৱস্থা ৰাখিছিল । ইয়াৰ উপৰিও বৈদিক যুগত ভাৰতীয় নাৰীয়ে বিয়াৰ পাছতো পুৰুষৰ সমানে আগবাঢ়িব পৰা নাছিল অৰ্থাৎ পৰ্দা আৰু ওৰণি লোৱা প্ৰথা সমাজত কটকটীয়া আছিল । এনে প্ৰথাৰ বাবেই বিবাহিত নাৰীয়ে নিজ স্বামীৰ বাহিৰে অন্য পুৰুষৰ লগত মুক্ত ভাৱে কথা পাতিব নোৱাৰিছিল অৰ্থাৎ বিবাহিত বুলি এটা 'চিন' লগাই দিছিল । এনে ব্যৱস্থাবোৰ যে নাৰীৰ কাৰণে মৰ্য্যাদা হানিকৰ আছিল এতিয়াও হৈ আছে তাত কোনো সন্দেহ নাই । অথচ বিবাহিত পুৰুষৰ ক্ষেত্ৰত তেনে কোনো 'চিন' মাৰি দিয়া নহয় আৰু বিবাহিত পুৰুষে আন যিকোনো নাৰীৰ লগতে মুক্তভাৱে কথা-বতৰা পতাত কোনো বাধা নিষেধো নাই ।

ভাৰতত প্ৰাচীন কালতে গঢ়ি উঠা হিন্দু সাম্ৰাজ্যবোৰে, মধ্যযুগৰ মুছলমান সাম্ৰাজ্যই আৰু পৰৱৰ্ত্তী কালৰ বৃটিছ সাম্ৰাজ্যই যদিও একোটা বৃহত্তৰ অঞ্চলত ৰীতি-নীতি সাজপোছাক, খাদ্যাভ্যাস, মিশ্ৰিত সংস্কৃতি আদি গঢ়ি উঠাত সহায় কৰিছিল তথাপি বিভিন্ন অঞ্চলত এতিয়াও বিয়াবাৰু ৰীতি-নীতি আদিত পাৰ্থক্যজনিত প্ৰথা পৰিলক্ষিত হয় । সভ্যতাৰ অগ্ৰগতিৰ লগে লগে নাৰীবন্ধনৰ জৰীদালো কঠিন হৈ পৰিছিল ; যাৰ ফলত উনৈশ শতিকাৰ মাজভাগলৈকে নাৰী, ভোটৰ অধিকাৰৰ পৰাও বঞ্চিত আছিল । নাৰীক ৰাজনীতিত অংশ গ্ৰহন কৰিবলৈ দিলে পুৰুষৰ সমানে সকলো দাবী তুলিব পাৰে বুলি ভাবিয়েই ভোটৰ অধিকাৰৰ পৰা তেওঁলোকক বহুদিনলৈ বঞ্চিত কৰি থোৱা হৈছিল । নাৰীবন্ধনৰ মূল কথা হিচাবে কব পৰা যায় যে— সামাজিক উৎপাদন ব্যৱস্থাত অংশ গ্ৰহন কৰাৰ পৰা নাৰী জাতিক আতঁৰাই ৰখা । আনহাতে ধৰ্মীয়মত, লোকাচাৰ, ৰীতি-নীতি আইন আদিয়ে ভাৰতীয় নাৰীৰ ক্ষেত্ৰত যিমানখিনি বন্ধনৰ কাৰণ পৃথিৱীৰ অন্যান্য দেশৰ তুলনাত ই বহুত বেছি । এই ভাৰতৰ বুকুতেই আকৌ পোৱা গৈছিল নাৰীৰ সমানাধিকাৰ আৰু সামাজিক মুক্তিৰ বাবে চলোৱা আন্দোলনৰ দীৰ্ঘম্যাদী ইতিহাস ।

নাৰীৰ ওপৰত চলা বিভিন্ন প্ৰকাৰৰ অত্যাচাৰৰ বিৰুদ্ধে ৰাজা ৰাম মোহন ৰায়, বিদ্যাসাগৰ, ৰবীন্দ্ৰনাথ ঠাকুৰ, মহাত্মা গান্ধী, শৰৎ চন্দ্ৰ প্ৰমুখ্যে বহুতো সমাজ সংস্কাৰকে প্ৰতিবাদ কৰিছিল । এই সকলৰ যত্নতেই সতীদাহ প্ৰথা নিবাৰন, বিধবা বিবাহ প্ৰবৰ্ত্তনৰ আইন প্ৰনয়ণ কৰা হৈছিল । সেই সংস্কাৰ কামী নেতা সকলৰ মুখ্য উদ্দেশ্য আছিল স্ত্ৰীশিক্ষাৰ প্ৰচাৰ আৰু নাৰীৰ সামাজিক-আইনগত অধিকাৰ প্ৰতিষ্ঠা কৰা । বিংশ শতাব্দীৰ প্ৰথম ভাগৰ পৰাই নাৰীয়েও নিজৰ অধিকাৰৰ দাবীত আন্দোলন আদি গঢ়ি তুলিছিল । ইয়াৰ উপৰিও ভাৰতৰ জাতীয় কংগ্ৰেছে জাতীয় আন্দোলনৰ স্বাধীনতাৰ দাবী তুলি ধৰাৰ সময়ৰ পৰাই ভাৰতৰ নাৰী সমাজৰ যথেষ্ট সংখ্যকে কংগ্ৰেছত যোগ দিছিল আৰু নাৰী সকলৰ উদ্যোগতে "ভাৰতীয় নাৰী কংগ্ৰেছ" (All India Womens' Congress) গঢ়ি উঠিছিল । প্ৰাদেশিক আৰু আঞ্চলিক ভিত্তিত গঠিত এই সংগঠনৰ শাখাবিলাকে মূলত সূতাকটা, নিৰাশ্ৰয়া মহিলাক আশ্ৰয় দিয়া ইত্যাদি ধৰণৰ সংস্কাৰমূলক কাম কৰিছিল । মুঠৰ ওপৰত স্বাধীনতাৰ জাতীয় আন্দোলনত নাৰী সকলৰ উল্লেখনীয় ভুমিকা মন কৰিবলগীয়া । তেওঁলোকে জাকে জাকে আন্দোলনত যোগ দিছিল, কাৰাবৰণ কৰিছিল আৰু বহুতে প্ৰাণ পৰ্য্যন্ত হেৰুৱাইছিল । এনেধৰণে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ৰাজনৈতিক কাম কাজত অংশ গ্ৰহণ কৰাত নাৰী সকলৰ ৰাজনৈতিক চেতনা বাঢ়ি গৈছিল আৰু এই বৃদ্ধিয়ে নাৰী সমাজৰ সামাজিক অৱস্থানৰ বিষয়ে অন্ততঃ সমাজৰ এক অংশক সচেতন কৰি তুলিছিল ।

স্বাধীনতা লাভ কৰাৰ পাছত ভাৰতৰ জাতীয় চৰকাৰে স্বাধীনতা আন্দোলনত নাৰীৰ সক্ৰিয় সহযোগিতালৈ লক্ষ্য কৰি নাৰীৰ সামাজিক অধিকাৰ বৃদ্ধি কৰিব পৰা কেইবাখনো আইন প্ৰনয়ণ কৰিছিল । সেই সমূহ আছিল— "১৯৫৪ চনৰ বিশেষ বিবাহ আইন"

(Special Marriage Act, 1954), "১৯৫৫ চনৰ হিন্দু বিবাহ আইন" (Hindu Marriage Act, 1955), ১৯৫৬ চনৰ হিন্দু উত্তৰাধিকাৰ আইন" (Hindu" Successor Act, "1956); "১৯৫৬ চনৰ নাৰীৰ অৰ্থনৈতিক ব্যৱসায় নিষিদ্ধ আইন" (Suppression of Immoral Traffic in Women and girls, 1956); "১৯৬১ চনৰ যৌতুক নিষিদ্ধ আইন" (Dowry Prohibition Act, 1961); ইত্যাদি। ইয়াৰ উপৰিও ভাৰতীয় সংবিধানৰ প্ৰায় ভাগ ক্ষেত্ৰতে নাৰী—পুৰুষৰ সমান অধিকাৰ দিয়া আছে।

স্বাভাৱিকতে আমাৰ মনত প্ৰশ্ন জাগিব পাৰে—সংবিধানে নাৰীৰ বাবে ইমানবিলাক সা-সুবিধা কৰি দিয়াৰ পাছতো নাৰীৰ বাৰু আৰু কি সমস্যা থাকিব পাৰে? ওপৰে ওপৰে চালে এই প্ৰশ্নই সকলোৰে মনত জাগিব। কিন্তু ভালদৰে বিশ্লেষণ কৰিলে পৰিলক্ষিত হ'ব দেশৰ শতকৰা একভাগেও উপযুক্ত সা-সুবিধা পোৱাৰ পৰা আজিও বঞ্চিত। আজিও ভাৰতীয় নাৰীৰ শতকৰা ৮০/৯০ ভাগ মহিলাৰ সামাজিক মৰ্য্যদা হ'ল কেৱল গৃহকৰ্ম কৰি থকা দাসী পৰ্য্যায়ৰ, ৮০ ভাগৰো অধিক নিৰক্ষৰ। বিয়াবাৰুৰ ক্ষেত্ৰতো সামাজিক ৰীতি নীতি আৰু নানা প্ৰকাৰৰ অৰ্থ-নৈতিক কাৰণত শতকৰা ৯০ ভাগৰো অধিক নাৰীয়ে ইচ্ছামতে বিবাহ পাশত আবদ্ধ হ'ব নোৱাৰে। এইবোৰৰ উপৰিও বৰ্ত্তমানে দেখা যায় যে সমাজৰ অধিক সংখ্যক নাৰীয়ে সমাজৰ সমগ্ৰ শোষণ, উৎপীড়ন, বঞ্চনা আদিৰ বোজা গ্ৰহণ কৰিবলগীয়া হৈছে। স্বাধীনতাৰ ৪০ বছৰৰ পাছতো আজি খুব কম সংখ্যক নাৰী শিক্ষাৰ পোহৰলৈ আহিবলৈ সমৰ্থ হৈছে; নিজৰ ভৰিৰ ওপৰত নিজে থিয় হৈ সক্ষম কিছুমান দায়িত্ব লৈছে। কৰ্ম ক্ষেত্ৰত যদিও নাৰীক পুৰুষৰ সমানে মজুৰিৰ অধিকাৰ দিছে কিন্তু এই অধিকাৰবোৰ সময়বিশেষে সলনি হৈ থাকে। দেশৰ ভিতৰত থকা আৰ্থ সামাজিক ব্যৱস্থাই এই সমস্যাবোৰৰ মূল কাৰণ বুলি ক'ব পৰা যায়। ব্যৰ্থতাক একমাত্ৰ কৰ্মৰ ফল বুলি ধৰি থাকিলে এটা সময়ত সমগ্ৰ নাৰী জাতি পৃথিবীৰ পৰা নিচ্ছিন্ন হৈ যাব। সেয়ে নাৰীৰ প্ৰকৃত সমস্যা উৎঘাটন আৰু সমাধানৰ প্ৰচেষ্টা চলোৱা সকলোৰে কৰ্ত্তব্য।

আমি প্ৰথমেই চাব লাগিব নিৰ্য্যাতিতা নাৰীক ৰক্ষা কৰি সমাজত কেনেকৈ প্ৰতিষ্ঠা কৰিব পৰা যায়। আজিৰ এই শতিকাতো দেখা যায় বহুতো নাৰীয়ে স্বামী জীৱিত থকা স্বত্বেও মাক-দেউতাকৰ ঘৰত বৈধব্য যাতনা ভোগ কৰিব লগা হৈছে। যৌতুকৰ ধন কম হোৱা অপৰাধত বহুতো নাৰীয়ে স্বামীৰ ঘৰলৈ গৈ স্বামীৰ হাততেই হওঁক বা পৰিয়ালৰ আনসকলৰ হাততেই হওঁক আজিও নিৰ্য্যাতিত জীৱন কটাব লাগে, আনকি বহুতে আত্মহত্যা কৰিবলৈও বাধ্য হয়। এনে ধৰণৰ ঘটনা বাতৰি কাকত আদিত প্ৰায়ে প্ৰকাশ পাব লাগিছে। জীৱন নিৰ্বাহৰ কোনো পথ নথকা কাৰণে বা সন্তান আৰু পৰিয়ালৰ কাৰণে প্ৰয়োজনীয় ধনখিনি পৰিয়ালৰ পুৰুষ সকলে কাম কৰি উপাৰ্জন কৰিবলৈ অপাৰগ হোৱাৰ কাৰণে বহুতো নাৰীয়ে আজি প্ৰকাশ্যে বা গোপনীয়ভাৱে বেশ্যা বৃত্তি কৰিবলৈ বাধ্য হোৱা পৰিস্থিতি চলিয়েই আছে। পিতৃ-মাতৃয়ে অনেক কষ্ট স্বীকাৰ কৰি ছোৱালীক ডাঙৰ দীঘল কৰি সজাই পৰাই দহোজনক সাক্ষী কৰি বিয়া দিয়ে। কিন্তু দেখা যায় যে স্বামীৰ ঘৰৰ চাৰিচুক ভালদৰে চিনি নেপাওঁতেই সেই ছোৱালী স্বামীৰ ঘৰৰ যন্ত্ৰনাত পুনৰ মাক দেউতাকৰ ঘৰ পায়হি। কোনো মাক-দেউতাকে ধৰ্মৰ নীতিৰে ছোৱালীক বুজনি দিয়ে—"পতি পৰম গতি, তেওঁৰ কথামতে চলিলেই সংসাৰ সুখৰ হয়"। কিছুমানে কয় "কপালত যি থাকে সি ফলিবই"। এই দৰেই সীতা সাবিত্ৰীৰ মতত চলিলে কোনো দিনে নাৰী জাতিৰ সুখ নাহে। আনহাতে অনেক ক্ষেত্ৰত দেখা যায় বহুতো মহিলাই নিতৌ লম্পট, মদপী, পৰনাৰী আসক্ত স্বামীৰ লগত লাঞ্চিতা হ'ব লগাত পৰিছে অথচ ঘৰলৈ ঘূৰি অহাৰ কথাও চিন্তা কৰিব নোৱাৰে। কিয়নো আমাৰ বিদ্যান শাস্ত্ৰকাৰ কিছুমানৰ মতে পুৰুষৰ নিজৰ অধিকাৰ আছে অৰ্থাৎ যি ইচ্ছা তাকে কৰিব পাৰে। কিন্তু নাৰী 'অবলা' গতিকে মূল্যও সীমিত। সমাজত আজিও নিজে নিজৰ নামত নাৰীয়ে পৰিচয় দিব পৰা হোৱা নাই। নাৰীৰ পৰিচয় পোৱা যায় কোনোবা পুৰুষৰ মাক, কোনোবা পুৰুষৰ ঘৈণীয়েক, কোনোবা পুৰুষৰ জীয়েক ইত্যাদি। পুৰুষৰ সামাজিক স্থান অনুসাৰে পত্নীৰ স্থান নিৰ্ণয় হৈছিল। 'ক' 'ম' নজনা নাৰীয়েও পুৰুষৰ সামাজিক মৰ্য্যদা অনুসৰি হাকিমনী, মিচেচ বৰুৱা, মূখ্যমন্ত্ৰীৰ ঘৈণীয়েকৰ সন্মান পাইছিল। সেই দৰে গাঁৱলীয়া অঞ্চলত দুই চাৰি গৰাকী নাৰীয়ে শ্ৰমৰ ভিত্তিত কলীবাই, নসিনী আপি ইত্যাদি নামবোৰ পাইছিল।

পৃথিৱীৰ অন্য দেশ বোৰক বাদ দি আমি যদি অসমৰ সংস্কৃতি জগত খনলৈ চকু দিওঁ তেন্তে দেখিম

যে আজি বিজ্ঞানৰ দ্ৰুত অগ্ৰগতিতো বহুতো পিতৃ-মাতৃয়ে, স্বামীয়ে নিজৰ ছোৱালী বা পত্নীক মঞ্চ জগতৰ পৰা আঁতৰি থকাতো বিচাৰে। অন্যান্য দেশৰ সাংস্কৃতিক জগতত নাৰী সকলৰ ভূমিকা মন কৰিবলগীয়া। আমাৰ দেশৰ ছোৱালীৰ শিল্প প্ৰতিভা থকা স্বত্বেও ঠেক মনোবৃত্তিৰ মাক-দেউতাকে ছোৱালীৰ ভবিষ্যৎ বৈবাহিক জীৱনৰ কথা ভাবি সেই বিলাক গুন প্ৰকাশৰ বাবে বাট মুকলি কৰি নিদিয়ে। তেওঁলোকৰ মতে ছোৱালী সকলো কালৰ পৰাই বন্দী হৈ থাকক। কিন্তু মহামানৱ মহাত্মাগান্ধীয়ে কৈছিল যে তিৰোতাই নিজকে পুৰুষৰ অধীন বা পুৰুষতকৈ হীন বুলি ভবাৰ প্ৰয়োজন নাই। ভাষা সাহিত্যত তিৰোতা পুৰুষৰ আধা বুলি কৈছে আৰু সেই কাৰণে যুক্তি বিচাৰেৰে চালে পুৰুষ তিৰোতাৰ আধা। তেওঁলোক দুয়োজনৰে বিভিন্ন সত্তা নাই—এজন আনজনৰ অৰ্ধেকহে মাত্ৰ। গতিকে নাৰীয়ে পুৰুষৰ সন্মান হানিৰ ভয়ত সাংস্কৃতিক জগতৰ পৰা বিৰত থকাৰ কোনো প্ৰশ্ন থাকিব নোৱাৰে।

নাৰীৰ সৰলতাৰ সুযোগ লৈ কেন্দ্ৰই বহুপ্ৰকাৰ নীতি সংসদত উত্থাপন কৰা দেখা যায়। উদাহৰণ স্বৰূপে আমি আঙুলিয়াব পাৰো লোকসভাত কেন্দ্ৰীয় চৰকাৰে মুছলমান নাৰীৰ ক্ষেত্ৰত ১৯৮৬ চনত প্ৰয়োগ কৰা "মুছলমান নাৰীৰ বিল" খনৰ কথা। এই বিল অনুসাৰে ফৌজদাৰী আইনৰ ১২৫ ধাৰা অনুযায়ী স্বামীয়ে বিভিন্ন কাৰণবশতঃ বিচ্ছেদ কৰা কোনো মুছলমান নাৰীয়ে আইনৰ সাহায্যৰ বাবে আদালতৰ ওচৰ চাপিব নোৱাৰিব। অন্যান্য সম্প্ৰদায়ৰ সকলো নাৰীৰ ক্ষেত্ৰত এই অধিকাৰ থাকিব কিন্তু মুছলমান নাৰীসকল এই অধিকাৰৰ পৰা বঞ্চিত থাকিব লাগিব। এনে অধিকাৰৰ পৰা বঞ্চিত হৈ নাৰীয়ে তেন্তে নিজৰ আত্মসন্মান, মৰ্য্যাদাবোধ সকলো নিজেই জলাঞ্জলি দিব লাগিব। পৃথিৱীৰ ভিতৰত সভ্য দেশ হিচাবে পৰিগণিত হোৱা ভাৰতবৰ্ষৰ বাবে ই সচাঁ কৈয়ে বৰ লাজৰ বিষয়। এই বিলখনৰ বিৰুদ্ধে অৱশ্যে বহুতো উচ্চব্যক্তিৰ মাজত মতানৈক্য ঘটিছিল। আনহাতে ভাৰতীয় মুছলমান সমাজত 'তালাক'ৰ যি প্ৰচলন আছে সি অন্যান্য বহুতো সভ্যদেশৰ বিপৰীত পন্থী। স্বামীয়ে নিজ ইচ্ছা মতে পত্নীক 'তালাক' দিব আৰু তেনে তালাকপ্ৰাপ্ত নাৰীয়ে বাটে ঘাটে ভিক্ষাৰ জোলোঙা লৈ ঘুৰি ফুৰিব ই কোনো সংবিধান স্বীকৃত আৰু সভ্যদেশৰ আইন হ'ব নোৱাৰে। এনে সামাজিক কলঙ্কবোৰে নাৰীসমাজৰ প্ৰগতিৰ পথ ৰুদ্ধ কৰিছে আৰু এইবোৰ জাতীয় সংহতি ও জাতীয় ঐক্যৰো এক প্ৰধান বাধা। ধৰ্মনিৰপেক্ষতা গণতান্ত্ৰিক সংবিধান অনুযায়ী হিন্দু মুছলমান, খ্ৰীষ্টান প্ৰভৃতি জাতি ধৰ্ম নিৰ্বিশেষে সমগ্ৰ নাৰী সমাজৰেই আইনগত সমান অধিকাৰৰ ব্যৱস্থা কৰাটো সংবিধানৰ কৰ্ত্তব্য। ৰাষ্ট্ৰসংঘই নাৰীসমাজৰ সকলো দিশৰ উন্নয়ণৰ বাবে ১৯৭৫ চনটো "আন্তৰ্জাতিক নাৰী বৰ্ষ" হিচাবে ঘোষণা কৰিছিল কিন্তু এই নাৰীবৰ্ষই নাৰীক দিলে কি ? সংবিধানত থকা নাৰীৰ ভোটৰ অধিকাৰটোতেই নাৰীৰ সকলো অধিকাৰ সীমাবদ্ধ হৈ থকা যেন অনুভৱ হয়। অৱশ্যে এই কথা স্বীকাৰ কৰিব লাগিব যে আন্তৰ্জাতিক নাৰীবৰ্ষই ছোৱালী আৰু মহিলা সকলৰ শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিছিল। আমাৰ সমাজৰ আদিমতম অৱস্থা পৰিহাৰ কৰিবলৈ বৰ্ত্তমান ব্যাপক অৰ্থত দীৰ্ঘম্যাদী শিক্ষাৰ অতিশয় প্ৰয়োজন আছে। সেয়েহে স্ত্ৰীশিক্ষা বিষয়টো কেৱল সামাজিক সমস্যা হিচাবে নধৰি এটা ৰাজনৈতিক বিষয় হিচাবে ল'ব লাগিব। কাৰণ শিক্ষাই মানৱ সমাজলৈ কঢ়িয়াই আনিব পাৰে চেতনা আৰু সমগ্ৰ ব্যক্তিসত্বাৰ পৰিপূৰ্ণ বিকাশ। সমাজৰ উচ্চস্তৰৰ লেখক সাহিত্যিক সকলে কলমৰ আগেৰে কেৱল নাৰীৰ কলঙ্কিত জীৱনকে উপন্যাস বা গল্পৰ মূল কাহিনী হিচাবে নলৈ নাৰীৰ কলঙ্কিত জীৱনৰ মূল কাৰণবোৰ উদ্ঘাটন কৰি লিখনিৰ মাজেৰে প্ৰকাশ কৰাৰ সময় আহি পৰিছে। আনহাতে সমাজৰ সকলো পৰ্য্যায়ৰ লোকে নাৰীক কেৱল "গৃহলক্ষ্মী", "অবলা", দুৰ্বল" হিচাবে গণ্য নকৰি নাৰীও যে এক শ্ৰেণীৰ 'মানুহ' সেই হিচাপে ভাবিব লাগিব। ভাৰতীয় নাৰী 'অবলা' কেতিয়াও নহয়। অতীতৰ বীৰত্বমূলক কামৰ কাৰণে নাৰী বিখ্যাত হৈ আছে। এই বীৰত্বমূলক কাম তেওঁলোকে অস্ত্ৰবলেৰে কৰা নাছিল, চৰিত্ৰবলেৰেহে কৰিছিল। আজিকালিও ভাৰতীয় নাৰীয়ে জাতিক বহুত ধৰনেৰে সহায় কৰিব পাৰে। তেওঁলোকে কিছুমান লাগতীয়াল কাম কৰিব পাৰে আৰু লক্ষ্যত উপনীত হ'বলৈ দেশক আগবঢ়াই লৈ যাব পাৰে। অৱশ্যে আমি কেৱল আমাৰ সমাজব্যৱস্থাকে নাৰীৰ সমস্যাৰ কাৰণ বুলি ধৰি থাকিলে ভুল হ'ব। কিয়নো নাৰীৰ কৰ্ত্তব্যও এই ক্ষেত্ৰত অসীম। যিবিলাক দোষৰ বাবে সমাজে নাৰীক জগৰীয়া কৰিব বিচাৰে সেইবিলাকৰ পৰা নাৰীয়ে নিজেই নিজক ৰক্ষা কৰিব পাৰিব লাগিব। তেতিয়াহে নাৰীয়ে নিজৰ অধিকাৰৰ প্ৰতি চৰকাৰ বা আইনৰ ওচৰত দাবী তুলিব পাৰিব। নহলে এটা সময়ত সমগ্ৰ নাৰী জাতিয়ে যে মৃত্যুৰ কৰাল গ্ৰাসত পৰিব লাগিব তাত কোনো সন্দেহ নাই।

# ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ ব্যক্তি প্ৰতিভা

ইভা সোনোৱাল
দ্বাদশ শ্ৰেণী (কলা)

জ্যোতি ! জ্যোতি মানে পোহৰ । সঁচাকৈ জ্যোতিপ্ৰসাদ আমাৰ এক চিৰ উজ্জল পোহৰ । যি চিৰ উজ্জল পোহৰে আমাক আগবঢ়াই লৈ গৈছে আৰু এক মহান উজ্জল ভবিষ্যতৰ ফালে ।

'সুন্দৰ যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে ।'

নৱ প্ৰভাতৰ আলোক ৰাশিৰ দৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ বহুমুখী প্ৰতিভা অসমীয়া জাতিৰ জাতীয় জীৱনৰ প্ৰগতিৰ স্বৰ্ণ ৰেখা । জ্যোতিপ্ৰসাদ আছিল বহুমুখী প্ৰতিভাৰ আকৰ স্বৰূপ । তেওঁ আছিল একে ধাৰে কবি, সাহিত্যিক, নাট্যকাৰ, সুৰকাৰ, গায়ক, বাদক, গল্পকাৰ, চিত্ৰকৰ, অভিনেতা, বোলছবি নিৰ্মাতা, সাংবাদিক আৰু বিপ্লৱী প্ৰতিভাৰ স্নায়ুকেন্দ্ৰ । তেওঁ আছিল এক অখণ্ড জ্যোতি । সেই জ্যোতিৰ অনিৰ্বাপিত শিখাৰেই নিজ দেশৰ আশা-ভাষা, সাহিত্য-সংস্কৃতি, গাত-নাট, কথা-সুৰ, বোল-তাল, কলা-কাব্যৰ বসুধা বিস্তৃত ক্ষেত্ৰলৈ এক অভিনৱত্বৰ জোৱাৰ আনিছিল । তেওঁৰ বহুমুখী প্ৰতিভাৰে অসমীয়া জাতিৰ জাতীয় জীৱনত যি অতুলনীয় দান দি গ'ল তাক আজি কোনো অসমীয়াই পাহৰিব নোৱাৰে । তেওঁ আছিল বিপ্লৱী বীৰৰ জীৱন্ত প্ৰতিমূৰ্ত্তি—যি আছিল স্ৰষ্টা আৰু যি জন লোক আছিল আমাৰ জাতীয় জীৱনৰ প্ৰতিটো অংগলৈ নৱ-প্ৰাণৰ জোৱাৰ আনি দিব পৰা প্ৰেৰণাৰ উৎস ।



মোৰ যদি নতুন অসমীয়া-সুৰীয়া গানবোৰ নাগায় তেন্তে মই মোৰ নাটকো কাঁৰৰ নিদিওঁ আৰু বাণ থিয়েটাৰত একো সহযোগ নকৰো ।' এই দৰেই আৰম্ভ হৈছিল অসমীয়া সংগীতৰ এক নৱযুগ ।

—জ্যোতি প্ৰসাদ আগৰৱালা

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ ফুলকুমলীয়া বিপ্লৱী মনটোৱে অতি কম বয়সৰ পৰাই ঠন ধৰি উঠি লহ-পহকৈ বাঢ়ি আহিছিল, সাহিত্যত, সংস্কৃতিত, আৰু শিল্পকলাত । তেওঁৰ অন্তৰত জ্বলিছিল একুৰা বিপ্লৱৰ জুই । সেই বিপ্লৱী বহ্নি গোটেই অসমতে বিয়পি পৰিছিল তেওঁ ৰচিত কবিতা, গীত আৰু নাটকৰ মাধ্যমেৰে । তেওঁ আছিল গণ শক্তিৰ কৰ্ণধাৰ । নৱজাগৰণৰ অগ্ৰদূত ৰূপকোঁৱৰৰ প্ৰায়ভাগ গীত স্বদেশ প্ৰেমৰ উজ্বল চানেকি আৰু মুক্ত চিন্তা ধাৰাৰ অভিনৱ নিদৰ্শন । তেওঁ আছিল আজন্ম শিল্পী । সুন্দৰৰ সাধক তেওঁৰ সৃষ্টিত শ্ৰীকৃষ্ণ হৈছে অসম তথা ভাৰতৰ সংস্কৃতিৰ প্ৰতীক আৰু দুস্কৃতি হৈছে কৌৰৱ । দুস্কৃতি ধ্বংস কৰিবলৈ তেওঁৰ বিপ্লৱী মনটোৱে সদা সহস্ৰ বিদ্ৰোহ কৰিছিল কথাৰে, কবিতাৰে, নাটকেৰে আৰু গীতেৰে । সেয়েহে জ্যোতিপ্ৰসাদৰ গীত তেওঁৰ বিপ্লৱী মনৰ মাজত থকা গতিশীল সংগ্ৰামৰ জীৱন দৰ্শনৰ চিন্তা ৰাশিক মানৱৰ কল্যাণত প্ৰয়োগ কৰাৰ বাবে কৰা সামগ্ৰিক প্ৰয়াসৰ মাধ্যম । তেওঁ কৌৰৱ ৰূপী দুস্কৃতিক গাণ্ডীৱ ধাৰী অৰ্জুন হৈ মৃত্যু জয় কৰি সঁচা সংস্কৃতিৰ আলোক ভাৰতৰ বুকুত বিকশিত কৰাৰ সংকল্প কৰিছিল ।

'শক্তি পুত্ৰ মই,
ভক্তি বুকুত লৈ
মুক্তি প্ৰয়াসী মই
অৰ্জুন মই—
ময়ে অসমৰ
ময়ে ভাৰতৰ
ময়ে ডেকাল'ৰা অগ্নিময় ।'

নবীন সূৰ্য্যৰ আলোকেৰে পূৰ্ব ভাৰত আলোকিত কৰাৰ মানসেৰে গাইছিল——

পূৰ্বাঞ্চলত বজাওঁ তূৰ্য্য
মোৰ পোহৰৰ গানে
*　　*　　*
কৰিম জগত জয়
নবীন সূৰ্য্য মই ।'

তেওঁ আৰু কৈছিল, জগতৰ নিমাতী কইনা শান্তিয়ে সেই দিনাহে পৃথিৱীত হাঁহিব যিদিনা বিশ্বজনতাই ৰূপকোঁৱৰৰ হৈ সাৰ পাই উঠি নিমাতীৰ কণ্ঠত অভিনৱ গান আৰু সুৰৰ 'বোধন' কৰিব । তেওঁ পৃথিৱীৰ জনতাৰ প্ৰতিজনৰে অন্তৰৰ শিল্পী চাকিটো জ্বলাই এখন শিল্পীৰ পৃথিৱী গঢ়িবলৈ প্ৰয়াস কৰিছিল ।

শত যুগৰ ... চাকি
জ্বলাই আহিলি—
আপোনাৰ আনন্দত নিজে হাঁহিলি,
নিজৰেই তই চকুপানী
নিজে মচিলি ।

তেওঁৰ দৰ্শনত মানুহ সৃষ্টিৰ লগে লগে কৃষ্টি-সংস্কৃতিৰো আগমন হয় । দৃষ্টিৰ আগত শ্ৰৱনৰ জৰিয়তে গীত, মাত, নদীৰ কুজন, ধ্বনি শুনি সকলো মানুহে কিবা এটা আমেজ, আনন্দ পায় । গতিকে মানুহ মাত্ৰেই শিল্পী । সেয়েহে প্ৰতিজন ব্যক্তিয়ে শিল্পী, এই কথাটো যেতিয়া সবলোৱে বুজি পাব, সেই দিনাই জ্যোতিৰ আদৰ্শই বাস্তৱ ৰূপ পাব পাৰিব । সেয়েহে তেওঁ আছিল জনতাৰ শিল্পী ।

'জনতা তোৰ
প্ৰানৰো প্ৰানত
মনৰো মনত
শিল্পীয়ে মই
লুকাই লুকাই আছোঁ ।'

জ্যোতিপ্ৰসাদে সংস্কৃতি, জনতা, ভাৰতীয় ঐক্য, ঐতিহ্য, অসমীয়া জাতিৰ পুনৰুত্থাপন আৰু তাৰ মাজেদি বিশ্ব মানৱৰ প্ৰগতি আৰু কল্যাণৰ জখলাত অৰোহন, এই সকলোবোৰৰ এক অভূতপূৰ্ব সমন্বয়ৰ ৰূপৰেখা কল্পনা কৰিছিল । জনতাৰ কল্যাণত বিপ্লৱৰ মাজেদি কলাৰাশিৰ প্ৰয়োগ আৰু ৰাষ্ট্ৰীয় শাসনতো তাৰ প্ৰভাৱ ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদে বিচাৰিছিল । এই চিন্তা ৰাশিৰ প্ৰবাহমান শ্ৰোতাৰ প্ৰকাশৰ ৰূপেই তেওঁৰ শিল্পী সুলভ সুৰভি কাব্য, নাটক, গীত, আদিৰ সৃষ্টি ।

জ্যোতিপ্ৰসাদ আছিল স্বাধীনতা সংগ্ৰামৰ যুৱশক্তিৰ প্ৰানত জাতীয় চেতনাৰ প্ৰান প্ৰতিষ্ঠাতা । স্বাধীনতা

## THE EXECUTIVE COMMITTEE

# DIGBOI COLLEGE STUDENTS' UNION 1986-87



*FROM* L to R: Mr Himen Gogoi ( Social Service secy. ), Mr Ranjit Roy ( General sports Secy ) Mr prabhat Baruah ( Debating Secy ), Mr Ranjit phukan ( Magazine Editor ), Mr Krishna Bikram Rana ( V. President ), Miss Manu Borgohain ( Cultural Secy ), Miss Bandana Hazarika ( Girls' Common Room Secy ), Ismail Khan ( Music Secy ), Mr Bharat Borgohain ( Gymnasium Secy ), Mr Prasanta Kr. Gogoi ( Minor Games Secy ), Mr Himadri Sekhar Bhattacharjee ( Boys' Common Room Secy ), Mr Binanda Kr. Kunwer ( Member )

*Not in the picture :* Mr Ranjan Boro ( General Secy ) Sudip Gosh ( Major Games Secy ) Mr Biren Hazarika ( Asst. General Secy )

**They have brought glory and laurels to us in the Inter College Music Competition held in Golaghat Commerce College in 1987.**



*Shri Pradyot Hazarika,*
*winner of Silver medal*
*in Tobola.*



*Miss Nayanmoni Borah,*
*winner of Silver medal*
*in Bongeet.*



*Shri Chand Valmiki,*
*winner of Gold medal*
*in 'Vajan'.*

সংগ্ৰামৰ তুঁহ জুই জনতাৰ প্ৰাণে প্ৰাণে জ্বলাই দি তেওঁ যিবোৰ তেজোদীপ্ত গীত ৰচনা কৰিছিল সেইবোৰ গীতে আজিও জনগণক স্বদেশৰ হকে যুজিবলৈ জাগ্ৰত কৰি তুলে। জ্যোতিপ্ৰসাদ আছিল এজন সুন্দৰৰ পূজাৰী আৰু স্বদেশ প্ৰেমৰ এক জ্বলন্ত উল্কাপিণ্ড। তেওঁৰ স্বদেশ পেমৰ বিপ্লৱী চেতনা বিকশিত হৈছে, তেওঁ ৰচনা কৰা কবিতা আৰু গীতৰ মাজেৰে। সেয়েহে তেওঁ আছিল এক অনন্য বিপ্লৱী নৱজাগৰণৰ পথ প্ৰদৰ্শক। তেওঁ অসমীয়া সংগীতৰ এক নৱ জাগৰণ আনোতা। সেয়েহে তেওঁৰ বেছিভাগ গীতৰ মূল হৈছে স্বদেশ প্ৰেমৰ মহা আলিঙ্গনৰ দুৰ্বাৰ আকাংক্ষা। তেওঁ আছিল ভাৰতৰ মুক্তি আন্দোলনৰ এক বিপ্লৱী সুৰ। তেওঁৰ সুৰৰ যাদুত হেজাৰ হেজাৰ যুৱ—জনতাৰ আত্মা স্বদেশ প্ৰেমৰ উত্তাল ঢৌত প্লাৱিত হৈছিল। ডেকা শক্তিক স্বদেশ প্ৰেমৰ বিভিন্ন গীতেৰে জাগ্ৰত— কৰিছিল। সংগ্ৰামী জ্যোতিপ্ৰসাদৰ মনত মাতৃভূমিয়েই সকলোতকৈ শ্ৰেষ্ঠ। সেয়েহে তেওঁ মাতৃভূমিৰ মুক্তি যজ্ঞত পৰাধীন ভাৰতৰ বুকুৰ পৰা বিদেশীক খেদাখেদি কৰা ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় ভাবে জড়িত হৈছিল আৰু সংগ্ৰামী যোৱানসকলক উদ্দেশ্য কৰি স্বদেশানুৰাগেৰে ৰঞ্জিত গীতেৰে জগাই তুলিছিল সিহঁতৰ অন্তৰত প্ৰেৰণা—

'সাজু হ সাজু হ ন যোৱান
সাজু হ সাজু হ ন যোৱান
তই কৰিব লাগিব অগ্নি-স্নান
জীৱন-যৌৱন কৰি দে প্ৰাণ পণ
বাণ্ডলী কৰি দে বনাঞ্জন।'

১৯৪২ চনৰ আন্দোলনে যেতিয়া চৰম পৰ্য্যায় পায়গৈ, সেই সময়তো তেওঁ এটা দিনো জিৰনি নোলোৱাকৈ সংগঠনৰ কামত ঘুৰি ঘুৰি গুৰুত্ব বক্তৃতাৰে জাতিক তৰধ মনালে। দলে দলে ডেকা গাভৰুৱে লগ ললে জ্যোতিৰ। অসমীয়া মানুহক আন্দোলনত যোগ দিবলৈ জ্যোতিয়ে গান ৰচনা কৰিলে, তাত সুৰ দিলে—

'বিশ্ব বিজয়ী ন'— যোৱান,
বিশ্ব বিজয়ী ন'— যোৱান
শক্তিশালী ভাৰতৰ,
ওলাই আহাঁ ওলাই আহাঁ
সন্তান তুমি বিপ্লৱৰ।'

এই জনা আছিল বিপ্লৱী জ্যোতি 'লুইত পাৰৰ আমি ডেকা ল'ৰা, মৰিবলৈ ভয় নাই'। বুকুৰ তেজেৰে ভাৰতৰ অপমান ধুই পেলাবলৈ জ্যোতিয়ে আগবাঢ়ি আহিছিল। আৰু আগবঢ়াই আনিছিল অসমীয়া জাতিৰ ডেকা গাভৰুক সেই বজ্ৰ কণ্ঠেৰে—

'তোৰ তপ্ত ৰুধিৰ ঢালি আয়ৰেক
শক্তি দীবৰে হ'ল—বুলি—।

এইদৰে তেওঁ সুৰৰ দেউলৰ ৰূপৰ শিকলি চিন্তিতাৰ ধ্বনিৰে অসম তথা ভাৰত বজনজনালে। গীতৰ উপৰিও 'শোনিত কুঁৱৰী' আৰু 'কাৰেঙৰ লিগিৰী' নাটদুখনী আৰু সেই নাটত অসমীয়া সংগীতৰ এক অভিনৱ পুনৰুত্থাপন ঘটালে। দেশ প্ৰেমত বুৰ গৈ তেওঁ ৰচনা কৰিলে 'কনকলতা' 'অসমীয়া ল্ৰৰাৰ উক্তি' অসমীয়া ছোৱালীৰ উক্তি' আদি জ্বলন্ত দেশ প্ৰেমৰ কবিতা। শিশুৰ বাবে ৰচনা কৰিলে ধ্বনি প্ৰধান কবি ৰামায়নৰ শিশু সংস্কৰন আৰু কুম্পুৰ সপোন'। ইয়াতে প্ৰকাশ পাইছিল তেওঁৰ সৃষ্টিশীল কলাকাৰৰ মনৰ পৰিচয়।

মহাত্মা গান্ধীৰ লগত ডেকা জ্যোতিপ্ৰসাদৰ সান্নিধ্য অতি মধুৰ। 'মহাত্মাৰ বৈপ্লৱিক চিন্তাই জ্যোতিক, জ্যোতিৰ জীৱনক, জ্যোতিৰ সাহিত্যক, গীত-সৃষ্টিক প্ৰভাম্বিত কৰিছে'।

তেওঁ আছিল জনতাৰ শিল্পী পদদলিত নিষ্পেষিত জনতাৰ পথ দেখুৱা তেওঁ চিৰ বিদ্ৰোহী কবি।
দেশৰ আহ্বানত তেওঁ চিঞৰিছিল,—

'কোন ক'ত আছ,
আহ অ' ডেকা ল'ৰা
তই সন্মুখত হ থিয়
মাতৃ পূজাৰ ভাগ লবলৈ
বেলি কৰ কিয়?

সুকোমল শিল্পীৰ পদুম পাপৰিৰ দৰে অন্তৰেৰে অসমৰ বাবে-বৰণীয়া সংস্কৃতিক তেওঁ এডাল সুৰৰ জিঞ্জিৰিৰে বান্ধি অসমীয়া কৃষ্টি-সংস্কৃতিৰ মৌ কোঁহ ৰচনা কৰিছিল।

'লুইতৰ আকাশত তৰাৰ তৰাৱলী
পাৰৰ দীপাৱলী তেজেৰে মোৰ
আই নাকান্দিবি
থাপনাত তেজেৰে বন্তি দিলেহি,
ল'ৰা—ছোৱালীয়ে তোৰ।'

জ্যোতিপ্ৰসাদ আছিল এক জীৱন্ত সংগ্ৰামী আৰু বিপ্লৱী শিল্পী। তেওঁ শিল্পী প্ৰতিভা বিকাশ কৰিছিল গীতৰ মাধ্যমেৰে, কবিতাৰে আৰু নাটকেৰে। চিত্ৰলেখা চৰিত্ৰৰ মাধ্যমেৰে অসমীয়া সুৰৰ পৃথিৱীক ন কৈ জাতিস্কাৰ কৰি তুলিছিল। তেওঁৰ সম্যক শিল্প প্ৰতিভাৰ বিকাশৰ কেন্দ্ৰ ১৪ বছৰ বয়সতে বিকশিত হৈছিল। তাত শিল্পী মনৰ সকলো সৌন্দৰ্য্যৰ সুষমা ঢালি দি চিত্ৰলেখাৰ চৰিত্ৰ ৰূপায়ন কৰিছিল। আন এটি জ্যোতি প্ৰসাদৰ নাটৰ বিপ্লৱী চৰিত্ৰ ‘কাৰেঙৰ লিগিৰী’ নাটকৰ সুন্দৰ কোঁৱৰ। এই জ্যোতি বিপ্লৱী জ্যোতি। তেওঁৰ বিপ্লৱী চেতনা সুন্দৰ কোঁৱৰৰ চৰিত্ৰৰ মাজেদি প্ৰতিভাত হৈছে।

‘প্ৰলয় হ'ব হওক — প্ৰলয়ৰ আৱশ্যক হৈছে, শতাব্দী ধৰি গোট খাই থকা সমাজৰ আবৰ্জনা ধুই সমাজক নিৰ্মল আৰু পবিত্ৰ কৰিবলৈ এক প্ৰলয়ৰ অতি আৱশ্যক হৈছে। তেন্তে এই প্ৰলয়ক মই আহবান কৰিছো মোৰ জীৱনলৈ, সমাজৰ জীৱনলৈ। মই প্ৰলয়ক আমন্ত্ৰন কৰি আনিম।’

সুন্দৰৰ আৰাধনা কৰা শিল্পীজনে যেতিয়া অন্যায় আৰু অসমতা দেখিছে তেতিয়াই তেওঁৰ বিপ্লৱী সত্তা জাগ্ৰত হৈছে। সমাজৰ অন্যায়, ৰজাৰ অন্যায়, দেশত চলি থকা অন্যায়, দুখীয়া নিচলাৰ প্ৰতি অন্যায় দেখিও যিয়ে অন্যায়ৰ প্ৰতিবাদ কৰিব নোৱাৰে সি কাপুৰুষ। ‘লভিতা’ নাটকৰ মুখ্য চৰিত্ৰ লভিতাৰ মুখেৰে কৈছে —‘যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই সি আজিৰ দিনৰ ডেকা হ'বই নোৱাৰে’। ৰজাৰ অন্যায়, আইনৰ অন্যায়, দেশৰ অন্যায়, দেশত চলিত অন্যায়, মুৰ্খ-সমাজৰ সঙ্কীৰ্ণ মনৰ মানুহৰ নিৰ-পৰাধী নিৰ্য্যাতিতৰ ওপৰত কৰা অন্যায় অত্যাচাৰৰ বিৰুদ্ধে সুখ সম্পদ জীৱনক তুচ্ছ কৰি যি ডেকাৰ থিয় হবৰ শক্তি নাই, সি আজিৰ দিনৰ ডেকা হবই নোৱাৰে। লভিতাৰ এই উক্তি জ্যোতিপ্ৰসাদৰ বিপ্লৱী চিন্তাধাৰাৰ মুক্ত প্ৰকাশ।

‘অসমৰ আকাশত জ্যোতি আছিল ক্ষনিক কালৰ ছন্দ লৈ অহা এটি স্ফুলিঙ্গ। সেই স্ফুলিঙ্গই অসমীয়াক দিলে আশা-ভাষা আৰু সুৰ। বিশ্বৰ মানৱ সমাজৰ লগত ক্ষুদ্ৰ অসমৰ সমাজো যে একে সুৰে বন্ধা, অসম যে বিশ্বৰেই অঙ্গ বিশেষ সেই কথাও সোঁৱৰাই দি গ'ল। এই অগ্নিকণা জ্যোতিয়ে জ্বলাই যোৱা পোহৰৰেই পোহৰ অসমীয়া কৃষ্টি-সংস্কৃতি লৈ আমি আজি গৰ্ব কৰিব পাৰিছো হঁক।

জ্যোতি প্ৰসাদে সংকীৰ্ণ দলীয় ৰাজনীতিৰ ওপৰত আস্থা ৰখা নাছিল। তেওঁ গান্ধীবাদ আৰু মাৰ্ক্সবাদৰ মাজত সমন্বয় বিচাৰিছিল। দুস্কৃতিক সুকৃতিৰে পৰাস্ত কৰিবলৈ তেওঁ সদায় বিচাৰিছিল। মহান ভাৰতীয় সংস্কৃতিৰ ঐতিহ্যৰ এটি সুন্দৰ অংশ অসমীয়া কৃষ্টি, অসমীয়া ভাষাৰ কথা এনেদৰে কৈছে—

‘কামৰূপা মোৰ সুৰদী সুৰীয়া
অসমীয়া ভাষা জগত সভালৈ যাব
উজ্বল-সুউজ্বল ক'হিনুৰ পিন্ধি
হাঁহি জ্যোতিৰূপা হ'ব।’

ইমানতো জ্যোতিক এৰিব নোৱাৰি। তেওঁৰ আন এক বৈশিষ্টপূৰ্ণ অৱদান অসমীয়া বোলছবি। ‘জয়মতী’ তেওঁৰ তথা অসমীয়া জাতিৰ প্ৰথম বোলছবি। আন খন ছবি তেওঁৰ ‘ইন্দ্ৰমালতী’। নানা কষ্ট কৰি দিনে নিশাই খাটি জ্যোতিয়ে জয়মতীক ৰূপালী পৰ্দালৈ আনি অসমীয়া চিনেমা জগতৰ ভেটি স্থাপন কৰিছিল। এয়ে ৰূপ কোঁৱৰ জ্যোতি। অসমীয়া জাতিৰ গীত, বোলছবি, নাটকৰ জ্যোতি।অতি কম সময় জীয়াই থাকি ১৯৫১ চনত অসমীয়া জাতিক কন্দুৱাই জ্যোতি চিৰ জ্যোতি ৰূপ লৈ গুচি গল। (১৯০৩ চনত জ্যোতিয়ে জন্ম লাভ কৰে তামোলবাৰী চাহ—বাগিছাত।) তেওঁ অসমৰ সংস্কৃতিৰ বৰ নামঘৰত সোণ—ৰূপৰ খুটি পুতি ৰাইজৰ অনুভূতিক এডাল এনাজৰীৰে বান্ধি থৈ গল।

*যদি মানৱজাতিক ভাল পাব খোজা তেন্তে তেওঁ ৰিলাকৰ পৰা বৰ বেছিকৈ পাবলৈ আশা নকৰিবা।*

**— হেন্ৰ. ভেচিম্বচ।**

# অসমত লেখন সামগ্ৰীৰ ক্ৰমবিকাশ।

*পূৰ্ণানন্দ শইকীয়া*
ডিগবৈ মহাবিদ্যালয়।

লিপি আৰু লেখন সামগ্ৰীৰ ইতিহাস সমানে প্ৰাচীন। সভ্যতাৰ বিভিন্ন স্তৰত মানুহে মনৰ ভাৱক আখৰেৰে ধৰি ৰাখিবলৈ চেষ্টা কৰি আহিছে বিভিন্ন লেখন সামগ্ৰীৰ জৰিয়তে। অসমত লেখন সামগ্ৰীৰ ক্ৰমবিকাশেই হব বৰ্তমান আলোচনাৰ বিষয়-বস্তু।

অসমত এতিয়ালৈকে আবিস্কৃত লেখন সামগ্ৰীৰ ভিতৰত শিলৰফলিয়েই প্ৰাচীনতম। ডাঙৰ ডাঙৰ শিলৰ গাত খুদিত কৰি থোৱা প্ৰাচীন ৰজা মহাৰজা সকলৰ বিবৰণ সমূহৰ ঐতিহাসিক গুৰুত্ব অনস্বীকাৰ্য্য। স্বাভাৱিক ভাৱে মিহি শিল নাপালে খহটা শিলকে ঘঁহি মিহি কৰা হৈছিল। তাৰ ওপৰত লোৰ ভোটা বটালী কলম হিচাপে প্ৰয়োগ কৰা হৈছিল। সেই বটালীৰ এটা মূৰ ফলিত লগাই আনটো মূৰত হাতুৰী বা অন্য গধুৰ বস্তুৰে মৰিয়াই শিলৰ বুকুত আখৰৰ গঢ় দিয়া হৈছিল। এনে কৰোঁতে যথেষ্ট সময় আৰু কষ্টৰ প্ৰয়োজন হৈছিল। তদুপৰি বটালীৰে কাটোতে শিলৰ আঘাত প্ৰাপ্ত অংশ কেতিয়াবা জোখতকৈ কম বা বেচি কৈ এৰাইছিল। সেই বাবে আখৰৰ গঢ়ো সময়তে আশানুৰূপ নহৈছিল। লেখন সামগ্ৰী হিচাপে শিলৰফলি দীৰ্ঘস্থায়ী। অনাবৃত ঠাইত পৰি থকা একোখন শিলৰ ফলিয়ে ৰ'দ বৰষুণ সহ্য কৰিও শ শ বছৰৰ আগৰ সংবাদ বহন কৰিব পাৰিছে। বানপানী বৰষুণ, ভূমিস্খলন আদি প্ৰাকৃতিক দুৰ্যোগৰ ফলত শিলালিপি বিলাক কেতিয়াবা মাটিত পোতখায় নহলেবা আখৰ ৰূপী খোলনিৰ ওপৰত মাটিৰ চামনি পৰি লিখিত অংশ দৃষ্টি গোচৰ নোহোৱাকৈ থাকে। কিছুমান আখৰ ক্ষয়প্ৰাপ্ত হৈ চিনিব নোৱৰা হয়। আকাৰত সকলো শিলালিপি সমান নহয়। অসমত উদ্ধাৰ হোৱা শিলালিপিৰ ভিতৰত গোলাঘাটত প্ৰাপ্ত 'নগাজৰী খনিকৰ গাঁও প্ৰস্তৰ খণ্ড'ৰ লিপিয়েই প্ৰাচীনতম। এই শিলালিপিৰ আনুমানিক সময় খৃষ্টীয় পঞ্চম শতিকাৰ আদি ভাগ'১ প্ৰায় সমসাময়িক অন্যখন শিলালিপি হ'ল নীলাচল পাহাৰৰ দাঁতিত প্ৰাপ্ত সুৰেন্দ্ৰ বৰ্মাৰ উমাচল শিলালিপি। বৰ্তমানলৈকে আবিস্কৃত শেষৰখন শিলালিপি হৈছে গুৱাহাটীৰ ওচৰৰ ছত্ৰাচল দেৱী আলয়ৰ শিলৰ ফলি। ৰজা কমলেশ্বৰ সিংহ প্ৰদত্ত এই ফলি খনৰ তাৰিখ ১৭২১ শক অৰ্থাৎ ১৭৯৯ খৃষ্টাব্দ।২ শদিয়াৰ সৰ্প স্তম্ভত সন্নিবিষ্ট শিলালিপি অতীত অসমৰ ভাস্কৰ্য্য আৰু লেখন কলাৰ সামগ্ৰিক প্ৰকাশ। কেইবাশিৰীয়া খুটা এটাত তৈৰপাক মেৰ দি থকাকৈ নিৰ্মাণ কৰা হৈছে এটা অজগৰ সাপৰ মূৰ্ত্তি। সাপৰ গা আৰু খুটাত আহোম আখৰৰ এখন ঘোষণাপত্ৰ লেখা আছে। ভাস্কৰ্য্য সমালোচক প্ৰদীপ চলিহাৰ মতে অসমান ঠাইত লিখিত ফলি খনৰ বয়স মূৰ্ত্তিটোৰ বয়সতকৈ কম। ফলিখনৰ বাবে আচুতীয়া ঠাইৰ অভাৱ, মূৰ্ত্তিৰ বিষয়বস্তু (স্তম্ভ, সৰ্প, অমৃত সকল) আৰু গঠন ভংগীত আৰ্য্য সংস্কৃতিৰ প্ৰভাৱ এই মন্তব্যৰ মূল ভিত্তি।৩ কিন্তু স্তম্ভ নিৰ্মাণৰ পিচত ফলিখনৰ আৱশ্যকতা অনুভৱ হোৱা বাবেও এনে হোৱাটো অসম্ভৱ নহয়।

শিলৰ পিচতে অসমত তামত লিখা প্ৰথা প্ৰচলন হয়। ভাৰতবৰ্ষৰ অন্য ঠাইতো তামক লেখন সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা হৈছিল। "খৃষ্ট জন্মৰ বহুত দিন আগেয়ে লিখা তামৰ ফলি এতিয়াও ভাৰতৰ কোনো কোনো ঠাইত পোৱা যায়।" ৪ তামৰ ফলিত ধাতুৰ চোকা অস্ত্ৰেৰে কাটি কাটি আখৰ লিখা হৈছিল। ঐতিহাসিক ঘটনা, ভূমিদান, বিচাৰৰ হুকুম আদিৰ কথা তামৰ ফলিত লিখা হৈছিল। ভূমিদান আৰু ঐতিহাসিক ঘটনা সম্পৰ্কীয় তামৰ ফলি অনেক। বিচাৰৰ হুকুম সম্পৰ্কীয় তামৰ ফলিৰ উদাহৰণ স্বৰূপে বৰদোৱা সত্ৰৰ স্বত্বাধিকাৰ সম্পৰ্কে, শলগুৰীয়া আতাৰ ঘৰত থকা তামৰ ফলিলৈ আঙুলিয়াব পাৰি। সত্ৰখনৰ স্বত্বাধিকাৰ সম্পৰ্কে হলগুৰীয়া আৰু নৰোৱা আতাৰ মাজত কাজিয়া লগাত ৰজাই বিচাৰৰ সিদ্ধান্তৰ স্থায়ী নকল স্বৰূপে এই ফলি প্ৰদান কৰিছিল। ৫ পূৰ্বৰ ফলি হেৰালে বা নষ্ট হলে পুনৰ তাম্ৰপত্ৰ কৰি দিয়া হৈছিল নাইবা কাগজত দিয়া পত্ৰ মোহৰ স্থায়ী নেদেখিলে তাম্ৰপত্ৰ কৰি দিয়া হৈছিল। হয়গ্ৰীৱ মাধৱৰ প্ৰদীপ

নৈবেদ্যৰ অৰ্থে কোঁৱৰৰ ভাগ আৰু পূবপাৰ পৰগণাৰ তামৰ ফলি' ইয়াৰ উদাহৰণ ।[৬] অসমত প্ৰাপ্ত তামৰ ফলি সমূহৰ ভিতৰত প্ৰাচীনতম নিদৰ্শন হৈছে সপ্তম শতাব্দীৰ প্ৰথম ভাগত ৰাজত্ব কৰা ভাস্কৰবৰ্মাৰ 'ডুবি আৰু নিধনপুৰ তাম্ৰৰ ফলি'। বৰ্ত্তমান শতাব্দীতো স্বাধীনতা যুঁজাৰু সকলক তাম্ৰপত্ৰ প্ৰদান কৰা হৈছে। তাম্ৰৰ পাতত পুথি ও লিখা হৈছিল। ধাতু তাম্ৰাক্ষৰী 'কল্পতৰু' শাস্ত্ৰখন ইয়াৰ উদাহৰণ। এই পুথিৰ মুঠ সাতোটা পাতৰ প্ৰতিটোৰেই একোখন তামৰ ফলি। কিছুমান তামৰ ফলিৰ দুয়োপিঠিয়ে আখৰ লিখা হৈছিল। উদাহৰণ স্বৰূপে নীলাচল তাম্ৰ শাসনলৈকে আঙুলিয়াব পাৰি। তিনিটা তামৰ পাতৰ এই ফলিখনৰ মাজৰ পাতৰ দুয়োপিঠিয়ে আৰু ৰাকী দুখনৰ কেৱল ভিতৰ ফালে শাসন লিখা হৈছে।[৭] অসমীয়া তামৰ ফলিৰ আকাৰ চাৰি কোণীয়া ডাঠ ছিলট এখনৰ দৰে। প্ৰস্থৰ এটা কাণত জৰী সুমুৱাই ওলোমাই থব পৰাকৈ বিন্ধা কৰা থাকে। দুই এখন তামৰ পাতত সোণপানী চৰাই আখৰ লিখা হৈছিল বুলি জানিব পৰা গৈছে। ই এক ব্যয় বহুল ব্যৱস্থা। সেই বাবে ধনীলোকৰ বাদে সৰ্ব সাধাৰণৰ পক্ষে এনে কৰা সম্ভৱ নহৈছিল।

লোৰ পাতত পুথি লিখাৰ নিয়ম অসমত নাছিল যদিও পুৰণি বৰতোপ আৰু হিলৈ বিলাকৰ গাত আখৰ লিখা হৈছিল। আহোম স্বৰ্গদেউ সকলৰ ভিতৰত জয়ধ্বজ সিংহ (১৫৮০ শক)ৰ দিনৰ পৰা শিৱসিংহ (১৬৫১ শক)ৰ দিনলৈকে প্ৰাপ্ত বৰতোপ বিলাকৰ বিৱৰণ প্ৰাচ্যশাসনাৱলীত সন্নিবিষ্ট হৈছে।[৯] সেইদৰে কাঁহৰ বৰ তোপ ঘণ্টা আদিতো আখৰ লিখা হৈছিল। শদিয়াত প্ৰাপ্ত এটা কাঁহৰ বৰতোপত গদাধৰ সিংহই যবনক জয় কৰি ১৬০৪ শকত সেই যন্ত্ৰ লাভ কৰাৰ কথা লিখিত আছে। বালি সত্ৰৰ কাঁহৰ ঘণ্টাৰ লেখা, সুন্দৰী দিয়া সত্ৰৰ পিতলৰ দুৱাৰৰ ফলি আদিয়ে কাঁহ আৰু পিতলৰ ওপৰত লেখাৰ সাক্ষ্য প্ৰদান কৰে। মহেশ্বৰ নেওগ দেৱে শিৱ সাগৰ নগৰত দেখা পিতলৰ তামুলী পীৰাখনতো তাৰ মূল্য লিখিত ৰূপত দেখাৰ কথা উল্লেখ কৰিছে।[১০] ৰাজেশ্বৰ সিংহ প্ৰদত্ত দীৰ্ঘেশ্বৰী মন্দিৰৰ দেৱী পীঠৰ ৰূপৰ জাপিৰ চাৰিও মেৰে ঘূৰণীয়াকৈ উক্ত জাপি ৰজাই দান কৰাৰ কথা লিখা আছে। লেখন সামগ্ৰী হিচাপে ৰূপৰ ব্যৱহাৰৰ অন্য এক নিদৰ্শন পুৰণি অসমৰ মুদ্ৰা বিলাক। এতিয়ালৈকে পোৱা প্ৰাচীন অসমৰ মুদ্ৰাৰ ভিতৰত ১৫৪৩ খৃষ্টাব্দ মৰোৱা আহোম স্বৰ্গদেৱ চুক্লেংমুঙৰ আঠচুকীয়া আৰু আহোম লিপিৰ মুদ্ৰাই প্ৰাচীনতম।[১১] কোঁচ ৰজা নৰনাৰায়নে ৰূপৰ মুদ্ৰাত নিজৰ নাম আৰু শকাব্দ লিখাইছিল (১৫৫৫ খৃষ্টাব্দ বা ১৪৭৭ শক)। বৰ্তমান যুগতো আঙুঠি, শৰাই আদি ধাতুৰ অলংকাৰ আৰু পাত্ৰত মালিকৰ নাম লিখোৱা প্ৰথা প্ৰাচীন কালৰ ধাতুৰ পাতত লিখা ব্যৱস্থাৰে উন্নতৰ ৰূপ।

মাটি আৰু ইটাৰ ওপৰত লিখাৰ নিয়ম পৃথিৱীৰ অইন ঠাইৰ দৰে ভাৰতবৰ্ষ আৰু অসমতো আছিল। আলতীয়া কেচাঁ মাটিৰ ওপৰত আখৰ লিখি সেই আখৰক জুই অথবা ৰ'দৰ তাপত শুকুৱাই স্থায়ীকৰণৰ ব্যৱস্থা কৰা হয়। কপিলাবস্তুৰ ওচৰত আবিস্কৃত মৃন্ময় পাত্ৰৰ গাৰ উৎকীৰ্ণ লিপি খৃঃ পূঃ ৪ৰ্থ বা ৫ বা শতিকা বুলি অনুমান কৰা হৈছে।[১২] নালন্দাত প্ৰাপ্ত ভাস্কৰবৰ্মণৰ মাটিৰ মোহৰ সপ্তম শতিকাৰ অসমত লেখন সামগ্ৰী ৰূপে ব্যৱহৃত আলতীয়া মাটিৰ নিদৰ্শন।[১৩] ইটাৰ ওপৰত লিখাৰ এক উদাহৰণ হৈছে হাজোৰ কেদাৰ মন্দিৰৰ ইটাৰ গঢ় দুৱাৰৰ ফলি। ই বিলাকৰ উপৰিও মৃন্ময় শিল্পৰ অন্তৰ্গত মাটিৰ পাত্ৰ আৰু মূৰ্ত্তিত আখৰ লিখা দেখা যায়। বৰ্তমান যুগতো প্ৰাথমিক বিদ্যালয়ত মাটিৰ ফলিত আখৰ লিখিবলৈ শিকোৱা হয়।

জীৱ জন্তুৰ ছালত লিখাৰ নিয়ম পৃথিৱীৰ বিভিন্ন ঠাইত প্ৰচলিত আছিল। পাৰগেমৃচ্ নামে নগৰত প্ৰথমে জন্তুৰ ছালৰ পৰা পুথিৰ পাত তৈয়াৰ কৰা কাৰণে সেই ঠাইৰ নাম অনুসৰি কাগজৰ নাম হৈছে পাৰ্চমেণ্ট।[১৪] খৃঃ পূঃ ১৭০ মানৰ পৰা ভূমধ্য সাগৰীয় দেশ বোৰত জন্তুৰ ছালত লিখা হৈছিল। হোমাৰৰ *ইলিয়াদ* আৰু *ওদিচি* পোনতে সাপৰ ছালত লিখা হৈছিল। গাধৰ ছালত লিখা কাৰণে খৰোষ্ঠী লিপিক খৰোপোস্ত বা খৰপৃষ্ঠী বোলা হৈছিল। অসমত জন্তুৰ ছালত লিখা পুথি সৰহীয়া নহয়। লীলা গগৈ দেৱে মহৰ ছালত লিখা এখন বুৰঞ্জীৰ কথা উল্লেখ কৰিছে।[১৫] বুৰঞ্জীখনৰ লেখন কাল সম্পৰ্কে তেখেতে কোনো ইঙ্গিত দিয়া নাই যদিও তাক আহোম যুগৰ প্ৰথম স্তৰৰ বুলি অনুমান কৰিব পাৰি। পৃথিৱীৰ অন্য ঠাইৰ দৰে অসমতো কাপোৰ লেখন সামগ্ৰী ৰূপে ব্যৱহৃত হৈ

আছিছে। কাপোৰত কেইবা প্ৰকাৰেও লিখিব পাৰি—

ক) চিয়াহী নাইবা হেঙুল হাইতালৰ দৰে বং ব্যৱহাৰ কৰি।

খ) কাপোৰ বওঁতে তাঁত শালত ফুল বচাৰ দৰে।

গ) বেজী আৰু সূতাৰ সহায়ত হাতেৰে নাইবা চিলাই মেচিনেৰে।

প্ৰাচীন অসমত মুগা আৰু পাতৰ কাপোৰত আখৰ লিখা হৈছিল। মুগা আৰু পাতৰ কাপোৰত হেঙুল হাইতাল মাৰি লিখা আহোম ভাষাৰ মংগল চোৱা পুথি এখনে ইয়াৰ সাক্ষ্য দিয়ে।১৬ আখৰ লিখাৰ উপৰিও কাপোৰত নানান ছবিও আঁকা হৈছিল। শংকৰ দেৱে সমকালীন শিপিনীৰ হতুৱাই বোৱাই উলিওৱা বৃন্দাবনী কাপোৰৰ কথা চৰিত পুথিত পোৱা যায়। এই কাপোৰত আছিল শ্ৰীকৃষ্ণৰ বাল্যকালৰ বৃন্দাবন লীলাৰ বিভিন্ন ছবি আৰু সিবিলাকৰ একোটিকৈ শিৰোনামা— "তেহে কাপৰ হ'ল ছমাহে তিনিকুৰি হাত, ৰ'ল তিনিকুৰি টুটিল। জাপি জপা বান্ধি থলে...... কাপৰ মেলি দেখালে খাৰেবন বৃন্দাবন। যত যি লীলা খেলা সবাকে নাঞকৈ দেখালে, আখৰো হৈছে মাতিব পৰাৰ।"১৭ কাপোৰত ফুলবচাৰ দৰে সেই আখৰো লিখি উলিয়াইছিল তাঁত শালত। ৰংগমঞ্চত অভিনয় কৰিব নোৱৰা নাটকৰ কোনো দৃশ্য 'স্ক্ৰিন'ত আঁকি থোৱা ছবিৰ সহায়ত দৰ্শকক উপলব্ধি কৰিবলৈ দিয়া হয়। কাপোৰত ফুল বচাটো অসমীয়া বয়ন শিল্পৰ এক উল্লেখ যোগ্য দিশ। কাপোৰত ফুল বাচোঁতে নাইবা আখৰ লিখোঁতে ফলি ৰূপে ব্যৱহৃত কাপোৰৰ লগত অমিল ৰঙৰ—সূতা ব্যৱহাৰ কৰা হয়। বৰ্তমান অসমত কাপোৰত পুথি লিখা নহয় যদিও উৎসৱ পাৰ্বনৰ তোৰণ নিৰ্মাণ, বিজ্ঞাপন আদিৰ বাবে কাপোৰত লিখা হয়। এনে উদ্দেশ্যতে চিয়াঁহীৰে লিখাৰ উপৰিও কপাহ নাইবা কাগজ আখৰৰ গঢ়ত সজাই আঠাৰ দ্বাৰা কাপোৰত লগাই দিয়া হয়।

গছৰ পাত আৰু বাকলিত লিখা পদ্ধতি পৃথিৱীৰ বিভিন্ন ঠাইত প্ৰাচীন কালৰে পৰা চলি আহিছে। খৃঃ পূঃ ৩৫০০ তেই নীল নদীৰ পাৰত গজা কাকত স্বৰূপে ব্যৱহৃত হৈছিল। ১৮ ভাৰতবৰ্ষতো গছৰ পাতত লিখা প্ৰথাৰ প্ৰাচীনত্বৰ বিষয়ে অনুমান কৰিব পাৰি 'শকুন্তলা' নাটকৰ পদুম পাতত আখৰ লিখা প্ৰসংগৰ পৰা। এই নাটকৰ তৃতীয় অংকত দুষ্যন্তৰ প্ৰতি পদুম পাতত নখেৰে চিঠি লিখিবলৈ প্ৰিয়ম্বদাই শকুন্তলাক পৰামৰ্শ দিছে— "নলিনীপত্ৰে নখৈঃ নিক্ষিপ্ত বৰ্ণং কুৰু"১৯ প্ৰায় নৱম শতিকাৰ পৰা পঞ্চদশ শতিকাৰ মাজভাগলৈকে তাল পাতেই আছিল ৰাজস্থান আৰু পশ্চিম ভাৰতত হাতে লিখা পুথিৰ প্ৰধান উপকৰণ। উৰিষ্যা আৰু বংগদেশতো তালপাত লেখন সামগ্ৰী ৰূপে ব্যৱহৃত হৈছিল। পাটনাৰ ভাণ্ডাৰত সংৰক্ষিত আছে ১৮৩৭ খৃষ্টাব্দৰ তালপাতৰ পুথি সমূহ।২০ তালপাতৰ ৰং পাতল মুগা ৰঙৰ নিচিনা। 'খুন্টি' নামৰ লোহাৰ সৰু লেখনীৰে তালপাতত লিখা হয়। কোণীয়া আখৰ লিখিলে ফাটি যায় কাৰণে তালপাতৰ আখৰ সাধাৰণতে গোলাকাৰ হয়। সম্ভৱতঃ পাতত লিখা নিয়মৰ ভিত্তিতে অসমীয়া ভাষাত 'তাম্ৰপত্ৰ', 'তুলাপাত', 'চিঠিপত্ৰ' আদি শব্দৰ সৃষ্টি হৈছে। ছপাপুথিৰ একোখিলা কাকতক পাত বোলা হয়। অসমত মাতুৰী বনৰ পাতৰ নিচিনা দীঘল আৰু তাতকৈ অলপ বহল এবিধ বনৰ পাতত পুথি লিখা হৈছিল বুলি বেনুধৰ শৰ্মা দেৱে উল্লেখ কৰিছে।২১ নাহৰ পাতত মন্ত্ৰ লিখি বিহুৰ দিনা ঘৰৰ চালত গুজি থোৱা নিয়ম অসমত আজিও প্ৰচলিত। মন্ত্ৰ ফাকি হৈছে—

দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধৰ।
বাতং বৃষ্টি হৰং দেৱ মহাদেৱ নমস্তুতে॥

কুৰি শতিকাৰ প্ৰথমাৰ্ধতো অসমৰ পাঠশালা বিলাকত কলপাতত আখৰ লিখা হৈছিল। ছাত্ৰই কলপাত কাটি লেবেলাই তাৰ ওপৰত আখৰ লিখিছিল।

পাতৰ দৰে গছৰ ছালত লিখা নিয়মো অসমত প্ৰচলিত। ভূৰ্জ গছৰ পাতল ছাল লেখন সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা হৈছিল। ইয়েই হৈছে ভূৰ্জপত্ৰ। কৱচ (মন্ত্ৰ লিখি তাবিজত ভৰাই পিন্ধা) লিখাৰ বাবে ভূৰ্জ-পত্ৰৰ ব্যৱহাৰ অধিক। এই ৰীতি আজিও অসমৰ ঠাই বিশেষে চলি আছে। বেছিভাগ পুৰণি অসমীয়া পুথি লিখা হৈছিল সাঁচিপাত অৰ্থাৎ সাঁচি গছৰ ছালত। কালিৰাম মেধিৰ মতে—২২ আহোম বিলাকেই অসমত পোন প্ৰথম সাঁচিপাত উলিয়াইছিল। কিন্তু কুমাৰ ভাস্কৰবৰ্মাই হৰ্ষবৰ্ধনলৈ পঠোৱা বিভিন্ন উপঢৌকনৰ ভিতৰত সাঁচিপতীয়া পুথিৰ কথাও উল্লেখ আছে।২৩ সেইখন সাঁচিপতীয়া পুথি আজিও উদ্ধাৰ হোৱা নাই ভাস্কৰবৰ্মাৰ ৰাজত্বকাল সপ্তম শতিকাৰ আদিভাগ (খৃঃ ৫৯৪—৬৫০)। আনহাতে আহোম সকলৰ অসম আগমন ঘটে এয়োদশ শতিকাৰ দ্বিতীয় দশকত (১২২৬ খৃষ্টাব্দ)। উল্লিখিত পুথিখনৰ ওপৰত ভিত্তি কৰি আহোম

আগমনৰ কেইবা শ বছৰ পূৰ্বেই অসমত সাঁচিপাত লেখন সামগ্ৰী ৰূপে ব্যৱহৃত হোৱা বুলি অনুমান কৰিব পাৰি। অৱশ্যে এই কথা ঠিক যে আহোম আৰু কোঁচ আমোলতে সৰহভাগ সাঁচিপতীয়া পুথি লিখা হয়। সাঁচি গছ অসমৰ হাবিত পোৱা এবিধ মূল্যবান গছ। ইয়াক অগৰু বা আগৰ বুলিও কোৱা হয়। ওডাল গছৰ ছালৰ দৰে ইয়াৰ ছাল তৰপে তৰপে এৰুৱাই আনিব পাৰি। পোন্ধৰ—বিশ্ বছৰীয়া বুঢ়া সাঁচি গছ সাঁচি পাতৰ বাবে বাছি লোৱা হয়। মাটিৰ পৰা চাৰি ফুট মান উচ্চতাত আৰম্ভ কৰি গছ জোপাৰ গাৰ পৰা ছটাছটে বাকলি বোৰ এৰুওৱা হয়। এনেদৰে এৰুৱাই অনা একোছটা বাকলি দীঘে ছয় ফুটৰ পৰা ওঠৰ ফুট পৰ্য্যন্ত আৰু পুতলে তিনি ইঞ্চিৰ পৰা সাতাইশ ইঞ্চি পৰ্য্যন্ত হব পাৰে। বাকলিবোৰ কেইবাদিনো ৰ'দত শুকাবলৈ দিয়া হয়। ভালদৰে শুকালে ওপৰৰ নিকৰিবোৰ এৰুৱাই কটাৰীৰে চাঁচি তাৰ দুয়োপিঠি মিহি কৰা হয়। একোখিলা সাঁচিপাত যিমানে মিহি আৰু পাতল কৰিব পৰা যায় সিমানে সি দীৰ্ঘস্থায়ী হয়। তাৰ পাচত হেঙুল হাইতালৰ বোল দিলেই সাঁচিপাত লিখাৰ উপযোগী হৈ উঠে। চিত্ৰ অঁকাৰ উদ্দেশ্য থাকিলে কোনো কোনোৱে সাঁচিপাতত হেঙুল হাইতালৰ সলনি মাটিমাহৰ লেও দিয়ে। এনে কৰোঁতে শুকান মিহি সাঁচিপাত খিলা এঘণ্টামান শীতল পানীত বুৰাই কোমল কৰি লোৱা হয়।[২৪]

হেঙুল হাইতাল বিষাক্ত হেতুকে ইয়াৰ দ্বাৰা বোল দিয়া পুথি পোকে নষ্ট কৰিব নোৱাৰে। সাঁচিপতীয়া পুথি ৰখা পেৰাও সৰল নাইবা আগৰ কাঠৰ। এই দুবিধ কাঠৰ গোন্ধৰ নিমিত্তে পোকে পেৰাৰ ওচৰ নেচাপে। পেৰাৰ অভাৱ হলে পুথিবোৰ কাপোৰেৰে মেৰাই ধোঁৱা চাঙত তুলি থোৱা হয়। সাঁচিপাত বিলাকৰ আকাৰ পুথি অনুযায়ী কম বা বেচি হব পাৰে। কোনোখন পুথি দীঘলে তিনিফুট আৰু বহলে একফুট পৰ্য্যন্ত ডাঙৰ; কোনোখন আকৌ দীঘলে তিনি ইঞ্চিৰ পৰা বহলে এক ইঞ্চি পৰ্য্যন্ত সৰু। মূল পুথিখনৰ তলে ওপৰে ঢাকি থকা পাত কেইটাকে বেটিপাত বা বেটুপাত বোলে। ওপৰ ফালৰ বেটুপাতত পুথিখনৰ গৰাকীৰ নাম লিখা থাকে। পুৰণি অসমত লেখন কাৰ্যত জড়িত থকা সকলক বেলেগ বেলেগ উপাধি অথবা পদৱী প্ৰদান কৰা হৈছিল। সিবিলাকৰ ভিতৰত কায়স্থ, কাকতী, খনিকৰ, লিখাৰু, লেখাৰু, লিখক, লেখক আদি উল্লেখ যোগ্য। খনিকৰ সকলে ঘাইকৈ পুথিৰ পাতত ছবিহে আঁকিছিল। কোনো নিৰক্ষৰ খনিকৰে মূল পুথিত চাই চাই ছবি অঁকাৰ দৰে আখৰবোৰ লিখি প্ৰতিলিপিও প্ৰস্তুত কৰিছিল। অসমত চিত্ৰালংকৃত সাঁচিপতীয়া পুথি পোৱা গৈছে। তাৰ ভিতৰত ভাগৱত পুৰাণ, লৱ-কুশৰ যুদ্ধ, দৰং ৰাজবংশাৱলী, কুমাৰ হৰণ, হস্তী বিদ্যাৰ্ণৱ আদি উল্লেখ যোগ্য! যিবিলাক পুথিৰ পাতৰ দাঁতিত চিত্ৰ অংকণ কৰা হয় সিবিলাকক 'লতা-কটা পুথি' বোলে। লিখাৰু/লেখাৰু, লিখক/লেখক এই কেইটা শব্দৰ ৰচক আৰু লিপিকাৰ বা নকল কাৰকক বুজাবলৈ সানমিহলি প্ৰয়োগ ঘটিছিল।

কাপোৰ, গছৰপাত আৰু বাকলিত লিখিবলৈ আৰম্ভ কৰাৰে পৰা চিয়াঁহীৰ প্ৰয়োজন হ'ল আৰু কাগজৰ দিনতো তাৰ ব্যৱহাৰ অব্যাহত আছে। আগৰ দিনত চিয়াঁহীক 'মহী' আৰু চিয়াহী থোৱা পাত্ৰটোক 'মহীচুঙা' বুলিছিল। মহীৰ প্ৰধান উপাদান হৈছে শিলিখা এটা মাটিৰ চৰুত কিছুমান শিলিখা কেইদিন মান তিয়াই ৰাখি চৰুৰে সৈতে এখন চাঙত তুলি কেই ৰাতি মান নিয়ৰত দিব লাগে আৰু চৰুৰ তলত এটা পৰিষ্কাৰ পাত্ৰ ৰাখিব লাগে। শিলিখাৰ যি ৰস চৰুৰ বিন্ধাইদি জৰি জৰি ওলাই তলৰ পাত্ৰত পৰিব সেইয়েই আচল চিয়াঁহী। কোনো কোনোৱে শিলিখাৰ ৰসত অলপ লো আৰু হিৰাকুচ্ দিয়ে। আন কোনোৱে তাৰ পৰিবৰ্ত্তে কুচিয়ামাছৰ তেজ আৰু গৰুৰ মূত মিহলি কৰে। এনে চিয়াঁহী কোনো ধৰণৰ ৰাসায়নিক ক্ৰিয়াত বেয়া হৈ নাযায়। মহীত লো থাকিলে ৰঙা পৰি লোৱাচুঁ হয়। কাগজ বা তুলাপাতত লিখিবলৈ অন্যান্য উপদানেৰেও চিয়াঁহী প্ৰস্তুত কৰা হয়। কেঁহৰাজ বন পটাত খুন্দি দুটোপাল মান পানীৰে তিয়াই চেপি দিলে চিয়াঁহীৰ দৰে ৰস ওলায়। তাৰ লগত ছৰুৰ ছাই, বৰা চাউলৰ ছাই, আলান্ধু আদি মিহলাই চিয়াঁহীৰ ৰং ডাঠ কৰা হয়। কোনো কোনোৱে লাউপাত, কচুপাত আদিও কেঁহৰাজৰ লগতে খুন্দি দিয়ে। আম আৰু জামু গছৰ ছাল সিজালে যি ৰস ওলায় সেই ৰসকো কেঁহৰাজৰ ৰসৰ লগত মিহলাব পৰা যায়। নাইবা এই দুয়োটা পদ্ধতিৰ সকলো বিলাক উপাদান একেলগে কেৰাহীত সিজাই মাটিৰ চৰুত ভৰাই নিয়ৰত দিব লাগে। মাটিৰ চৰুৰ তলত এটা নিছিদ্ৰ পাত্ৰ থব লাগে। সেই চৰুৰ বিন্ধাইদি নিগৰি ওলোৱা ৰসেই হব অসমীয়া মহী। আজিকালি দোকানত

কিনিবলৈ পোৱাৰ পাচত অসমীয়া মানুহে ঘৰতে চিয়াঁহী তৈয়াৰ কৰিবলৈ প্ৰায় এৰি দিছে। চিয়াঁহী আৰু পুথিৰ পাতৰ ওপৰত নিৰ্ভৰ কৰি পুথিৰ বয়স, স্থান আদিও নিৰ্ণয় কৰা হয়। দেখা গ'ল মহীচুঙা, কুটনী (কম্পাচৰ দৰে জোখলৈ চিন দিয়া যতন), আঁকমাৰি (পুথি লিখোঁতে আঁক টনা কাঠী) আৰু বিন্ধনাও পুৰণি অসমৰ লেখন সামগ্ৰীৰ অন্তৰ্ভুক্ত।

চিয়াঁহীৰ লগতে জড়িত লেখন সামগ্ৰী হৈছে কলম। চৰাই অথবা জন্তুৰ হাড় কোনো কোনো দেশত কলম হিচাপে ব্যৱহৃত হৈছিল। অসমত কাপ ঢেকীয়াৰ শলিয়ে কলমৰ কাম কৰিছিল। ইয়াৰ পৰাই কাপ শব্দৰ উৎপত্তি হোৱা বুলি অনুমান কৰিব পাৰি। খাগৰি, ইকৰা, বাঁহ—বেত আৰু চৰাইৰ পাখিৰ পৰাও কলম তৈয়াৰ কৰা হৈছিল। এই আটাইবোৰ সামগ্ৰীৰ এমূৰে কাটি অলপ জোঙা কৰি লোৱা হয়। জোঙা অংশ মহীচুঙাত জবুৰিয়াই সাঁচিপাত, তুলাপাত আদিত লিখা হয়। ধাতুৰ কলমৰ ব্যৱহাৰ সৰ্বাচীন। খুব সম্ভৱ ইংৰাজ আমোলতে ইয়াৰ প্ৰথম প্ৰচলন। চিয়াঁহী ভৰাই লব পৰাকৈ চুঙা থকা কলমক ফাউণ্টেইনপেন বা 'নিজৰি কাপ' বোলে। লিখিবৰ সময়ত চুঙাৰ ভিতৰৰ পৰা নিজৰি নিজৰি চিয়াঁহী ওলাই থকা কাৰণেই ইয়াৰ নাম 'নিজৰি কাপ'। পেন্সিল, ড্ৰটপেন, আদিও বৰ্তমান যুগৰ সৃষ্টি।

আধুনিক অসমত অলংকৰণৰ বাবে কাঠ আৰু টিনৰ ওপৰতো আখৰ লিখা হয়। নাম ফলক বিলাক ইয়াৰ নিদৰ্শন। 'ব্লেক বৰ্ড,' কাঠ আৰু টিনৰ ছিলেট, বিদ্যায়তনিক উদ্দেশ্যত ব্যৱহৃত হয়। এঙাৰ, চকমাটি (ঢলমাটি) আৰু গুটি (মাটি পেন্সিল) য়ে এই ক্ষেত্ৰত কলমৰ কাম কৰে।

কেৱল অসমৰে নহয়, সমগ্ৰ বিশ্বৰে আধুনিকতম লেখন সামগ্ৰী হ'ল কাগজ আৰু ছপাযন্ত্ৰ। কাগজৰ প্ৰথম আৱিৰ্ভাৱ হয় চীন দেশত খৃঃ পূঃ ১০৫ বা তাৰো আগতে।২৫ প্ৰথমে বৈচমৰ পৰা আৰু তাৰ পাচত তুলাৰ পৰা কাগজ তৈয়াৰ কৰা হৈছিল। তুলাৰ পৰা প্ৰস্তুত কৰা কাৰণেই অসমত আজিও কাগজক তুলাপাত বোলা হয়। প্ৰথম অৱস্থাত হাতেৰেই কাগজ তৈয়াৰ কৰা হৈছিল। খ্ৰীঃ পূঃ ৩২৭ তেই আলেকজেণ্ডাৰৰ লগত অহা সেনাপতি নিয়াৰ্কচে পশ্চিম ভাৰতত তুলাৰ পৰা কাগজ তৈয়াৰ কৰা দেখি গৈছিল।২৬ ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে খ্ৰীষ্টজন্মৰ পূৰ্বেই ভাৰত তথা অসমত লেখন সামগ্ৰী ৰূপে তুলাপাতৰ প্ৰচলন হৈছিল। মধ্যযুগৰ অসমত সাঁচি পাতৰ প্ৰায় সমসাময়িক আৰু সমান্তৰাল ভাৱে তুলাপাতৰো ব্যৱহাৰ হৈছিল বুলি ধৰিব পাৰি। সাধাৰণতে সাঁচিপাতত লিখা হৈছিল ৰাজকীয় পুথি পাঁজি, ঐতিহ্যপূৰ্ণ ধৰ্মগ্ৰন্থ আৰু মূল্যবান চিত্ৰ পুথি সমূহ আৰু তুলাপাতত লিখা হৈছিল আপেক্ষিক ভাৱে কম মূল্যবান বুলি বিবেচিত পুথি আৰু ব্যক্তিগত দলিল সমূহ। তদুপৰি তুলাপাতত ছবিও আঁকা হৈছিল। শংকৰ দেৱে চিহ্ন যাত্ৰাৰ অভিনয় কৰাওঁতে সাত বৈকুণ্ঠৰ পট তুলাপাততে আঁকিছিল। তুলাপাতত লিখিত আৰু চিত্ৰিত 'চিত্ৰভাগৱত' উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ হাতত থকা মাধৱকন্দলিৰ ৰামায়ণৰ লংকাকাণ্ডৰ অসম্পূৰ্ণ অংশৰ কথাও এই প্ৰসংগতে উল্লেখ যোগ্য।২৭

কাগজ প্ৰস্তুত প্ৰণালী চীন দেশৰ পৰা ক্ৰমে জাপান, কোৰিয়া, আফগানিস্থান, চোভিয়েত দেশ, বাগদাদ আৰু দামস্কাচলৈ বিস্তাৰিত হয়। তাৰ পাচত আফ্ৰিকা আৰু স্পেইনলৈ ইয়াৰ সম্প্ৰসাৰণ ঘটে। ৭৩৭ খৃষ্টাব্দত কেইজনমান চীনা যুদ্ধবন্দীৰ সহায়ত বাগদাদত পোনে প্ৰথম কাগজ তৈয়াৰ কৰা কলঘৰ স্থাপিত হয়। সেই পদ্ধতি বৰ্তমানৰ হাতেৰে কাগজ তৈয়াৰ কৰা পদ্ধতিৰ অনুৰূপ। ৪৫০ বছৰ মানৰ পূৰ্বে বৃটেইনত স্থাপিত আধুনিক পদ্ধতিৰ কাগজকলে কাগজ শিল্পত এক নতুন অধ্যায়ৰ সূচনা কৰে। ভাৰতবৰ্ষত মুছলমান সকলৰ আগমনৰ লগে লগে কাগজৰ প্ৰচলন আৰম্ভ হয় যদিও এই দেশত প্ৰথম কাগজ কল স্থাপিত হয় ১৮৩২ চনত পশ্চিমবংগৰ শ্ৰীৰাম পুৰত।২৮ বৰ্তমানে আমাৰ দেশত পৃথিৱীৰ অন্যান্য উন্নত দেশৰ লগত ফেৰ মাৰিব পৰাকৈ কাগজ উৎপন্ন হয়। ঔদ্যোগিক ভাৱে পিচপৰা অসমৰ বাবে বাহিৰৰ পৰা কাগজ ৰপ্তানি কৰিব লগা হয়। সম্প্ৰতি যোগীঘোপাত স্থাপিত 'অশোক পেপাৰ মিল' এ সেই প্ৰয়োজন কিছু লাঘৱ কৰিব পাৰিছে। কাগজ কলৰ কেঁচামাল বাঁহ, ইকৰা, নলখাগৰি আদি অসমত যথেষ্ট পোৱা যায়।

পৃথিৱীৰ সৰ্ব প্ৰথম ছপাশাল কেতিয়া ক'ত স্থাপিত সেই সম্পৰ্কে আজিও খাটাং কৈ কব পৰা হোৱা নাই। এতিয়ালৈকে আৱিষ্কৃত প্ৰাচীনতম ছপা পুথিখন হৈছে

মংগোলিয়াৰ এটা বন্ধ গুহাত প্ৰাপ্ত হীৰকসূত্ৰ। ১৯০০ চনত আৱিস্কৃত এই পুথিখনৰ ছপাৰ তাৰিখ ৮৬৮ খৃষ্টাব্দৰ ১১ মে। এই গ্ৰন্থৰ ওপৰত ভিত্তি কৰি কব পাৰি ছপাযন্ত্ৰৰ আৱিভাৱো চীন দেশত বুলি অনুমান কৰিব পাৰি। আধুনিক ছপা পদ্ধতিৰ বাট কটীয়া হৈছে জাৰ্মানীৰ নাগৰিক জোহান গোটেন বাৰ্গ। ভাৰতবৰ্ষত প্ৰথম ছপাশাল পাতে গোৱাৰ পৰ্তুগীজ মিছনেৰী সকলে পঞ্চদশ শতিকাত। অসমত ছপাশালৰ প্ৰতিষ্ঠাপক আমেৰিকান বেপ্তিষ্ট মিছনেৰী সকল। অসমত প্ৰথমটো ছপাশাল তেওঁলোকেই ১৮৩৬ চনত শদিয়াত পাতে বুলি অনুমান কৰা হয়। ১৮৪০ চনত এই ছপাশাল শিৱসাগৰলৈ তুলি অনা হয়। কিন্তু প্ৰথম অসমীয়া ছপা পুথিখন হৈছে শ্ৰীৰামপুৰ মিছনেৰী প্ৰেছৰ পৰা ওলোৱা আত্মাৰাম শৰ্মাৰ অসমীয়া বাইবেল। মিছনেৰী সকলে বঙলা ভাষাৰ বাবে ব্যৱহৃত লিপিকে অসমীয়া ভাষাৰ বাবেও ব্যৱহাৰ কৰিলে। সেয়েহে আজি অসমীয়া আৰু বাংলা ভাষাৰ ছপা পুথিৰ লিপিৰ মাজত বিশেষ পাৰ্থক্য পৰিলক্ষিত নহয়। 'ৰ' আখৰ পাচত সংযোগ কৰা হয়। 'ৱ' আখৰটোও তাত নাছিল। পিচত হেমচন্দ্ৰ বৰুৱাৰ অশেষ যত্নৰ ফলত মিছনেৰী সকলে এই আখৰটো "আমেৰিকাৰ পৰা সীহত চলাই অনাইছিল।"৩০

ছপাযন্ত্ৰৰ উপৰিও আধুনিক যুগৰ সৃষ্টি 'টাইপ্ ৰাইটাৰ', 'ষ্টেনচিল', 'কাৰ্বণ', 'জেৰক্স' বা 'লিথু' 'ফটোষ্টেট' আদি সামগ্ৰী আৰু পদ্ধতি বৰ্তমান যুগৰ অসমত প্ৰচলিত। ইবিলাকৰ দ্বাৰা কম সময় আৰু কম খৰছতে একাধিক প্ৰতিলিপি কৰিব পাৰি। অৱশ্যে এই সামগ্ৰী আৰু পদ্ধতি সমূহ বাহিৰৰ আমদানি। 'ৰবাৰষ্টাম্প্ পদ্ধতিও আধুনিক। ৰবৰত ওভোটাকৈ আখৰবোৰ কাটি এটুকুৰা কাঠত লগাই লোৱা হয়। আখৰবোৰ চিয়াঁহীৰে তিয়াই কাগজৰ ওপৰত হেঁচা মাৰি দিলেই সিবিলাক সঠিক ৰূপত উঠে। 'টেপ্ ৰেকৰ্ডাৰ,' কম্পিউটাৰ, টেলিভিচন, আদিৰ আৱিভাৱৰ ফলত লেখন কষ্ট কিছু পৰিমানে লাঘৱ হৈছে। প্ৰশ্ন হয় ইবিলাকে লেখন-ক'লাক নিঃশেষ কৰিব নেকি? উত্তৰত কব পাৰি যিদৰে 'ফটোগ্ৰাফে' অংকন বিদ্যাক নিঃশেষ কৰা নাই। অৰুনোদয় যুগতে অসমত ছপাশাল প্ৰতিষ্ঠিত হোৱা আজি প্ৰায় ডেৰশ বছৰ হ'ল। তথাপি ৰাজ্যখনত ছপা উদ্যোগৰ ভূমিকা টনকিয়াল বুলিব নোৱাৰি। এক বৃজন পৰিমানৰ অসমীয়া পুথি বাহিৰত ছপাব লগীয়া হয়—বিশেষকৈ কলিকতাত। ইও ৰাজ্যখনৰ বাবে এক অৰ্থনৈতিক ক্ষতি। অসমত ছপাশালৰ সংখ্যা কম আৰু যিবিলাকৰ ছপাও সিমান উন্নত মানৰ নহয়। কাগজৰ চৰা দাম কিন্তু ইয়াৰ গুণৰ নিম্নমুখীতা, ছপা আখৰৰ অস্পষ্টতা আৰু আখৰ জোটনিত ভুল এই বিলাক অসমীয়া ছপা উদ্যোগৰ সমস্যা হৈ দেখা দিছে। অসমীয়া লোক এই বিষয়ত সচেতন হবৰ সময় হ'ল।

দেখা গ'ল ক্ৰম বিকাশৰ পথেদি আহি আহি অসমৰ লেখন সামগ্ৰীয়ে বৰ্তমানে আন্তঃৰাষ্ট্ৰীয় লেখন সামগ্ৰীৰে সৈতে যোগসূত্ৰ ৰাখিবলৈ সমৰ্থ হৈছে।

+

## পাদটীকা

১। Mukunda Madhava Sharma. Inscriptions of Assam. G. U. 1978 P. 303.

২। মহেশ্বৰ নেওগঃ প্ৰাচ্য শাসনাৱলী, গুৱাহাটী ১৯৭৪ পৃঃ (ভূমিকা) ৭০

৩। প্ৰদীপ চলিহাঃ 'অসমৰ ভাস্কৰ্য্যত এভুমুকি', ৰামধেনু (সম্পাঃ বীৰেন্দ্ৰনাথ ভট্টাচাৰ্য্য), ১৮৭৯ পৃঃ ৭৪৭-৭৪৮

৪। কালিৰাম মেধিঃ 'লিখাৰ সঁজুলি,' অসমীয়া কথা চয়ন (সম্পাঃ মহেন্দ্ৰ বৰা), ডি, বি, ১৯৭৪ পৃঃ ৬৮

৫। কালিৰাম মেধিঃ উল্লিখিত প্ৰবন্ধ, পৃঃ ৬৮
৬। মহেশ্বৰ নেওগঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃঃ ( ভূমিকা ) ৫১
৭। মহেশ্বৰ নেওগঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃঃ ( ভূমিকা ) ৮৬,
৮। লীলা গগৈঃ 'পুৰণি কলীয়া পুথি, সাহিত্য সংস্কৃতি বুৰঞ্জী, শিৱসাগৰ ১৯৭২, পৃঃ ১৩৬
৯। মহেশ্বৰ নেওগঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃঃ ১০৭—১১১
১০। মহেশ্বৰ নেওগঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃঃ ( ভূমিকা ) ৮২
১১। মুৰাৰি চৰণ দাসঃ 'বুৰঞ্জী প্ৰণয়নত মুদ্ৰা অধ্যয়নৰ আৱশ্যকতা,' অধ্যয়ন পৰিচয়, ( অসম সাহিত্য সভা গুৱাহাটী ১৯৭৮ ), পৃঃ ৪৯
১২। নাৰায়ণ দাসঃ বিশ্বলিপিৰ ভূমিকা, গুৱাহাটী ১৯৭৩, পৃঃ ২৯
১৩। M. M. Sharma: opcit, P. 35
১৪। কালিৰাম মেধিঃ পূৰ্বোল্লিখিত প্ৰবন্ধ, পৃঃ ৬৮
১৫। লীলা গগৈঃ পূৰ্বোল্লিখিত গ্ৰন্থ পৃঃ ১৩৬
১৬। লীলা গগৈ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃঃ ১৩৬
১৭। উপেন্দ্ৰ চন্দ্ৰ লেখাৰু (সম্পা)ঃ কথা গুৰুচৰিত্ৰ, নলবাৰী ১৯৫২, পৃঃ ২১০
১৮। ৰাণা প্ৰতাপ বৰুৱাঃ 'আধুনিক যুগত ছপা উদ্যোগৰ ভূমিকা,' আমাৰ প্ৰতিনিধি (সম্পাঃ ভূপেন হাজৰিকা), পৃঃ ৭০০
১৯। S.K. Belralker (Ed): The Abhijana Sakuntala of kalidasa Sahitya Akademi
২০। মাধৱ বৈশ্যঃ 'ভাৰতীয় হাতে লিখা পুথিৰ চিত্ৰালংকৰণ,' নীলাচল (সম্পাঃ হোমেন বৰগোহাঁই), এপ্ৰিল ১৯৭০, পৃঃ ২১০
২১। বেণুধৰঃ শৰ্মা 'হাতে লিখাপুথি,' অসমীয়া সংস্কৃতি (অঃ সাঃ সঃ), পৃঃ ১৪৪
২২। কালিৰাম মেধিঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃঃ ৬৯
২৩। 'অগৰু বল্কল কল্পিত সঞ্চয়ানি চ সুভাষিত ভাঞ্জিতং পুস্তকানি পৰিণত পাটল পটেলি ত্বিষিং।' বাণভট্টঃ হৰ্ষচৰিত ৭ম অধ্যায়
২৪। Maheswar Neog : Illustreted Manuscripts in Assan ; The Assam Quanterly ( P. D. goswami, ed ) P. 61.
২৫। ৰাণাপ্ৰতাপ বৰুৱাঃ পূৰ্বোল্লিখিত প্ৰবন্ধ, পৃঃ ৭০০
২৬। বেণুধৰ শৰ্মাঃ পূৰ্বোল্লিখিত প্ৰবন্ধ, পৃঃ ১৪৩
২৭। মহেশ্বৰ নেওগঃ 'পুৰণি অসমৰ চিত্ৰকলা,' অসমীয়া সংস্কৃতি, পৃঃ ৭১
২৮। ৰমানন্দ মহন্ত (সম্পা)ঃ জন বিজ্ঞান, ৩বয় বছৰ ২য় সংখ্যা, ডিব্ৰুগড় ১৯৮৬, পৃঃ ১
২৯। ৰাণাপ্ৰতাপ বৰুৱা পূৰ্বোল্লিখিত প্ৰবন্ধ, পৃঃ ৭০০
৩০। মহেশ্বৰ নেওগঃ অসমীয়া সাহিত্যৰ ৰূপ ৰেখা, গুৱাহাটী ১৯৮৩, পৃঃ ২২২

# উত্তৰকাশী ট্ৰেকিং কেম্পলৈ গৈছিলো

*শ্ৰীবিনন্দ কুমাৰ কোঁৱৰ*
স্নাতক (বাণিজ্য) ১ম বাৰ্ষিক

ভুগোল কিতাপত যিমানেই নতুন নতুন ঠাইৰ নাম পাওঁ সিমানেই ইচ্ছা হয় সেই ঠাই বিলাকলৈ যোৱাৰ। কিন্তু বেছিভাগ ক্ষেত্ৰত মনৰ সেই অদম্য ইচ্ছা মনতেই মাৰ যায়। কিন্তু এইবাৰ অন্ততঃ মোৰ অদম্য ইচ্ছা বাস্তৱত পৰিণত হ'ল।

১৯৮৬ ৰ মে' মাহত ভাৰতৰ সৰ্ববৃহৎ ৰাজ্য উত্তৰ প্ৰদেশৰ উত্তৰকাশী নামৰ নগৰ খনত অনুষ্ঠিত All INDIA N.C.C. TRACKING EXPEDITION CAMP ত অসমৰ প্ৰতিনিধি হিচাপে যোগ দিবলৈ মোৰ সৌভাগ্য হৈছিল। নেদেখা ঠাই দেখাৰ, নিচিনা বস্তু চিনাৰ হেঁপাহ সকলোৰে আছে। অৱশ্যে ভ্ৰমণৰ দ্বাৰা আমাৰ এফালে যিদৰে জ্ঞান লাভ হয় আনফালে আমাৰ স্বভাৱ সুলভ মনৰ হাবিয়াসো পূৰ্ণ হয়।

উত্তৰ প্ৰদেশৰ এই শিবিৰত অসমৰ পৰা মুঠ ১৯ জন কেডেট যোগ দিবলৈ পাইছিল। ডিগবৈ কলেজৰ পৰা আমি পাঁচজন নিৰ্বাচিত হৈছিলো।

পুৱা ঠিক ৭-৩০ বজাৰ লগে লগে মই ডিগবৈ ৰেলষ্টেচনত উপস্থিত হলোগৈ। লগে লগেই মোৰ লগত যাবলৈ ওলোৱা বন্ধু শ্ৰীখগেন বৰগোহাঁই, ঘনশ্যাম যাদব, বিৰিঞ্চি স্বৰ্গীয়াৰী, ৰাজেন গগৈ আহি উপস্থিত হ'লহি। ভাল লাগিছিল তেওঁলোকক দেখি। ইতিমধ্যে আমাক আগবঢ়াবলৈ অহা চাৰজনো উপস্থিত হৈছিলহি। পাচোঁজনে একেলগে তেখেতক সন্মান জনাই কৰমৰ্দন কৰিলো। অলপ সময়ৰ পাছতে N.C.C. গাড়ীখন আহি হাজিৰ হলহি। আমাৰ সকলো বিছনা-পত্ৰ গাড়ীত তুলি ললো। এটা সময়ত আমি তিনিচুকীয়া ৰেলষ্টেচন পালোহি। ইয়াতেই আমি আমাৰ লগত যাব লগা উত্তৰলক্ষীমপুৰ, শিৱসাগৰ আৰু ডিব্ৰুগড়ৰ ১৪ জন Cadet ক লগ পালোঁ। তিনিচুকীয়া ৰেলষ্টেচনতে আমাৰ ডিগবৈ কলেজৰ N.C.C. Officer শ্ৰীবিকাশ বৰুৱা চাৰে ডিব্ৰুগড়ৰ N.C.C. অফিচৰ পৰা অহা শ্ৰীৰাজেন্দ্ৰ প্ৰসাদ পাণ্ডে চাৰৰ লগত চিনাকী কৰি দি আমাৰ চাৰে বিদায় দি গুচি আহে। তাৰ পাছত আমি সকলোটিয়ে উত্তৰপ্ৰদেশৰ অভিমুখে ১২-৩০ বজাৰ নামনিমুৱা ট্ৰেইনত ৰাওনা হওঁ।

১৭-৫-৮৬ তাৰিখে ৰাতিপুৱা ছয় বজাত আমি গুৱাহাটী পালোগৈ। তাত আমি ইম্ফলৰ পৰা অহা ১৬ জন Cadet অৰ সৈতে লগ হৈছিলো। তেওঁলোকৰ লগত চিনাকী হৈ ইম্ফলৰ বিষয়ে কথা-বতৰা পাতিছিলোঁ।

১৭-৫-৮৬ তাৰিখে উত্তৰপূৰ্বাঞ্চলৰ মুঠ ৩৫ জন নিৰ্বাচিত কেডেট গুৱাহাটীৰ পৰা উত্তৰপ্ৰদেশৰ অভিমুখে ৰাওনা হওঁ। অসমৰ শেষ সীমা পাৰ হৈ পশ্চিমবঙ্গত সোমাওঁতে মনবোৰ বেয়া লাগিছিল। তথাপি মণিপুৰ আৰু অসমৰ সকলোবোৰ কেডেট একেলগ হৈ গৈছিলো বাবে বৰ ভাল লাগিছিল। আমি যেন বহুতদিনৰ মূৰত একেঘৰৰ ককাই ভাইহে লগ হৈছো। পৰষ্পৰে পৰষ্পৰৰ প্ৰতি কি যে এক বুজাব নোৱাৰা ভাৱ। গোটেই বাটছোৱা নানাধৰণৰ ফুৰ্ত্তি কৰি আহি চাৰিটা দিনৰ পাছত উত্তৰপ্ৰদেশৰ RISHIKESH ষ্টেচন পালোগৈ। RISHIKESH ত আমি সকলোৱে হাত-মুখ ধুই ভাত খালোঁ। RISHIKESH ৰ পৰা সিফালে ৰেলষ্টেচন নাই। সেইটোৱেই শেষ ষ্টেচন। গতিকে আমি উত্তৰকাশী লৈ (UTTARKASI) যাবলৈ বাচ ষ্টেচনলৈ আহিলো। RISHIKESH ৰ পৰা উত্তৰকাশীলৈ ১৫০ কিলোমিটাৰ দূৰত্ব। আবেলি প্ৰায় দুই মান বজাৰ লগে লগে

আমি বাচেৰে উত্তৰকাশী অভিমুখে ৰাওনা হলোঁ। চাৰিওফালে ওখ ওখ পাহাৰে আগুৰা বিৰাট দ নদী-খাতৰ মাজে মাজে অকোৰা পকোৰা বাটেৰে আমাৰ গাড়ী ক্ষিপ্র গতিত আগবাঢ়িব ধৰিলে। অচিনাকী ঠাইবোৰৰ প্ৰাকৃতিক দৃশ্যবাজিয়ে মোৰ মন প্ৰফুল্লিত কৰিছিল। পাহৰি গৈছিলো মোৰ যাত্ৰাৰ কথা। মাজে মাজে হিমালয়ৰ পাহাৰৰ বৰফপৰা ওখ ওখ টিং বিলাকৰ অপৰূপ সৌন্দৰ্য্য মোৰ চকুত পৰিছিল। তদুপৰি সূৰ্য্যৰ পোহৰত জিলিকি উঠা প্ৰায় শুকান বালিময় অকোৰা পকোৰা নৈবোৰ নামনিলৈ বৈ অহা সীমাহীন সৌন্দৰ্য্য ৰাজি দেখি মোৰ সৌন্দৰ্য্য পিপাসু মন আনন্দত আত্মহাৰা হৈছিল। সেই দৃশ্য দেখি ভাব হৈছিল মই যেন কোনোবা শিল্পীয়ে আঁকি থোৱা ছবিহে উপভোগ কৰিছো। এটা সময়ত সূৰ্য্যদেৱতা পৃথিৱীৰ পৰা হেৰাই গৈছিল। প্ৰাকৃতিক দৃশ্য উপভোগ কৰাৰ পৰা বঞ্চিতহে পৰিছিলো। গাড়ীৰ

আমাক আদৰণি জনাই অলপ সময় শিবিৰৰ নিয়ম কানুনৰ বিষয়ে কৈ আমাৰ নিজৰ শিবিৰলৈ যাবলৈ অনুমতি দিলে। আমিও সময় নষ্ট নকৰি শিবিৰত বিছনা-পত্ৰ থৈ হাত মুখ ধুই ভাতপানী খাই নিশা দহমান বজাত শুই পৰিলোঁ। আমাৰ শিবিৰত আমি দহজন কেডেট আছিলো। আমাৰ মুঠ ২৫ টা শিবিৰ আছিল। এই শিবিৰত অসম, মণিপুৰ, বিহাৰ, উৰিষ্যা, উত্তৰপ্ৰদেশ, পঞ্জাৱ, হাৰিয়ানা, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, দিল্লী, কেৰেলা আৰু তামিলানাডুৰ Cadet এ যোগদান কৰিছিল।

তাৰ পাছতেই আৰম্ভ হ'ল আমাৰ প্ৰশিক্ষণৰ দিন কেইটা অৰ্থাৎ ২১-৫-৮৬ তাৰিখৰ পৰা মোৰ সেই চিৰস্মৰণীয় দিনকেইটা উপস্থিত হ'ল। তিনিঠাইত আমাৰ প্ৰশিক্ষণৰ বাবে শিবিৰ পাতিছিল। উত্তৰকাশীৰ মনেৰি



উত্তৰ কাশী ট্ৰেকিং কেম্পত অংশ গ্ৰহণ কৰা ডিগবৈ মহাবিদ্যালয়ৰ পাঁচজনীয়া দলটি।

লাইটৰ পোহৰত গম পাইছিলো ক্ৰমে আমি ওপৰলৈ পাহাৰৰ অকোৰা পকোৰা ৰাটেৰে আগবাঢ়ি গৈছো।

এইদৰে গৈ গৈ এটা সময়ত নিশা প্ৰায় সাত মান বজাত আমি আমাৰ লক্ষ্য স্থানত উপস্থিত হলোগৈ। ইতিমধ্যে আমি প্ৰায় ভাগৰি পৰিছিলো। কাৰণ ইমান দীঘলীয়া অকোৰা পকোৰা বাট ভ্ৰমণ কৰাৰ আমাৰ আগতে অভিজ্ঞতা নাছিল বুলিবই পাৰি। লৰা লৰিকৈ আমি বাচৰ পৰা বিছনা-পত্ৰ নমাই একগোট হলো। এনেতে তেওঁলোকৰ এজন অফিচাৰ আহি

(Monari), ভাতোৱাৰি (BHATWARI), আৰু কল্যাণীত (KALYANI)ত। মনেৰি (MONARI)তেই আমাৰ প্ৰধান শিবিৰ (BASE CAMP) আছিল। শিবিৰৰ নিয়মঅনুযায়ী পুৱা ৪-৩০ বজাত শুই উঠাৰ পৰা প্ৰায় দুইমান বজালৈ দৈনিক ৮/৯ কিলোমিটাৰ পাহাৰৰ ওপৰলৈ উঠি যাব লাগে। পাহাৰৰ ওপৰলৈ উঠোতে সদায় হানটিং বোট আৰু লগত পানী বটলত ভৰাইলৈ যাব লগাত পৰিছিল। কাৰণ পাহাৰৰ ওপৰত পানী পোৱা নাযায়। তিনি বজাৰ পৰা বাকী সময়

কণ্ আমাৰ জীৱণি থাকে। পাহাৰৰ ওপৰলৈ উঠোতে প্ৰথমতে মই বৰ কষ্ট অনুভৱ কৰিছিলো। পাছলৈ অৱশ্যে ই মোৰ অভ্যাসত পৰিণত হৈছিল আৰু ভালো লাগিছিল।

এই শিবিৰত দুদিন থকাৰ পাছত ২৪ তাৰিখৰ দিনা পুৰা আমাক জানিবলৈ দিলে যে গঙ্গোত্ৰীত এদিনীয়া শিবিৰ অনুষ্ঠিত হব। লগে লগে আমাক সাজু হবলৈ অনুমতি দিলে। মনেৰি (MONARI)ৰ পৰা গঙ্গোত্ৰীলৈ (GONGOTRI) ৮৬ কিলোমিটাৰ দূৰত্ব। আমি সকলোৱে পলম নকৰি লৰা লৰিকৈ বিছনাপত্ৰ বান্ধি প্ৰত্যেকৰেই লগত Packet lunch লৈ সৈন্য বাহিনীৰ গাড়ীত দুভাগ হৈ উঠিলো। মনেৰি পৰা গঙ্গোত্ৰীলৈ যাওতে বাটত প্ৰায় বৰফ পৰি থকা দেখিবলৈ পোৱা যায়। সিদিনা বতৰ ফৰকাল হৈ থকাৰ কাৰণে আগতীয়াকৈ খবৰ কৰি গম পোৱা গ'ল যে ৰাস্তা সম্পূৰ্ণ খোলা আছে। পুৱা প্ৰায় ছয় মান বজাৰ লগে লগে আমাৰ গাড়ী গঙ্গোত্ৰী অভিমুখে ৰাওনা হ'ল। দুপৰীয়া ১২-৩০ বজাত আমি গঙ্গোত্ৰী প্ৰবেশ কৰোঁ। তাত উপনীত হৈ আমি সকলোৱে গা-ধুই লগত লৈ যোৱা Packet lunch খাও।

উত্তৰ প্ৰদেশৰ মুঠ জিলা ৫১। সাৰুৱা সমভূমিৰ বাবে এই ৰাজ্যত বসতি ঘন। অধিবাসী সকলৰ অধিকাংশ হিন্দু; শতকৰা প্ৰায় ৮৫ জন। ইয়াৰ প্ৰধান ভাষা হিন্দী, উৰ্দ্দুও চলে।

হিমালয় অংশত নন্দা দেৱী, কেদাৰ নাথ, ত্ৰিশূল-শৃঙ্গ, কামেট, বদ্ৰিনাথ আদি শৃঙ্গ আছে। এই শৃঙ্গবোৰ ৬১০০ মিটাৰতকৈ ওখ আৰু তুষাৰে ঢকা। গঙ্গোত্ৰী আৰু যমুনোত্ৰী নামে দুখন বৰফৰ নৈ আছে।

এই পৰ্ব্বতীয়া অঞ্চলবিলাকত ৭৫-১০০ ছেঃ মিঃ বৰষুণ হয়। ইয়াত শীত কালত তুষাৰ পৰে। এই অঞ্চল স্বাস্থ্যকৰ। অসমতকৈ ইয়াত জাৰ—জহ বেছি। উত্তৰ প্ৰদেশৰ ৰাণীক্ষেত্ৰ, মুচৌৰি, আলমোৰা, নাইনিতাল পৰ্ব্বতীয়া স্বাস্থ্যকৰ ঠাই। গঙ্গোত্ৰীৰ ওচৰে পাজৰে থকা প্ৰায় বিলাক প্ৰাকৃতিক দৃশ্য উপভোগ কৰি আমি তিনিমান বজাত বাটত উঠিলো। ৰাতি ৮ (আঠ) মান বজাত আমি আহি আমাৰ শিবিৰ পালোহি।

আমি দৈনিক শিবিৰৰ সময় তালিকাৰ (ৰুটিন) মতে এটাৰ পাছত এটাকৈ পাহাৰ উঠি থাকো। ৩০-৫-৮৬ তাৰিখৰ দিনা কল্যাণীত অনুষ্ঠিত হোৱা তৃতীয় কেম্পলৈ যাবলৈ অনুমতি দিলে। আমি সকলোৱে পলম নকৰি লৰালৰিকৈ বিছনাপত্ৰ বান্ধি প্ৰত্যেকেই সৈন্য বাহিনীৰ গাড়ীত দুভাগহৈ উঠিলো। মনেৰিৰ পৰা গঙ্গানীলৈ দহ কিলোমিটাৰ আৰু গঙ্গানীৰ পৰা কল্যাণীলৈ ন কিলোমিটাৰ দূৰত্ব। মনেৰিৰ পৰা আমাক সকলোকে সৈন্যবাহিনীৰ গাড়ীয়ে লৈ গৈ গঙ্গানী নামৰ ঠাইত এৰি দিলে। গঙ্গানীৰ পৰা (৯) ন কিলোমিটাৰ পাহাৰীয়া আকোৰা পকোৰা ৰাস্তাইদি আমি খোজ কাঢ়ি কাঢ়ি কল্যাণীলৈ গৈছিলো। খোজ কাঢ়ি যাওঁতে আমাৰ যথেষ্ট কষ্ট হৈছিল। তথাপিতো কষ্টৰ মাজতে নতুন ঠাই খোজ কাঢ়ি কাঢ়ি চাই যাবলৈ পাই আনন্দও উপভোগ কৰিছিলো। কল্যাণীত আমি ৮ (আঠ) কিলোমিটাৰ দূৰত্বৰ "Agoda" আৰু ৯ (ন) কিলোমিটাৰ "Gera" নামে ঠাইলৈ গৈছিলো। এই দৰে আমাৰ প্ৰশিক্ষণৰ লগতে দূৰণিবটীয়া ঠাই মনৰ হেপাহেৰে নিজ চকুৰে চোৱাৰ সৌভাগ্য ঘটিছিল। সপোনতো ভবা নাছিলো যে মই হিমালয় পৰ্ব্বত স্ব—চক্ষুৰে ইমান ওচৰৰ পৰাই দেখিবলৈ পাম। কিতাপত পঢ়া শাৰীটো মনতে আওৰাইছিলো-"হিমালয় সমগিৰি পৃথিৱীতে নাই"।

২-৬-৮৬ তাৰিখে আমি সকলো cadet তে হৰিদ্বাৰ (HARIDWAR) ৰ পৰা নতুন দিল্লীৰ অভিমুখে ৰাওঁনা হওঁ। তিনি তাৰিখৰ দিনা ৰাতিপুৱা ৭ (সাত) মান বজাত আমি দিল্লীৰ ষ্টেচন পালোগৈ। প্লেটফৰ্মৰ লক ৰোমত (Lock Room) আমি আমাৰ বিছনাপত্ৰ জমা দিলো। তাৰ পাছত গা ধুই ভাত-পানী খাই নতুন দিল্লীত থকা লালকিল্লা, জুম্মামছজিদ, ইন্দিৰা গেট, কুতুবমিনাৰ আৰু চিৰিয়াখানা আদি চাবলৈ যাওঁ। এই দৃশ্য ৰাজিয়ে মোৰ মন প্ৰফুল্লিত কৰিছিল।

এই ঠাই বিলাকলৈ গৈ আমাৰ বহুত লাভ হৈছিল। মই আগেয়ে নেদেখা সুন্দৰ স্বাস্থ্যকৰ ঠাই দেখাৰ ওপৰিও ভাৰতৰ নানা জাতিৰ পিন্ধন উৰণ, আচাৰ ব্যৱহাৰ, ভাৱভঙ্গী ধৰ্ম-কৰ্মৰ বিষয়ে জানিবলৈ পাইছিলো। তদুপৰি ভিন ভিন ৰাজ্যৰ পৰা অহা কেডেটৰ লগত বন্ধুত্ব ও ভাতৃত্ব স্থাপন কৰি ভাই ককাইৰ দৰে হাঁহি মাতি খেলাৰ সুযোগ লভিছিলো। কেনেকৈ শৃঙ্খলাবদ্ধ হৈ চলিব লাগে, কেনেকৈ মানুহক সন্মান কৰিব লাগে, সময় মতে শুই উঠা, সময়মতে খোৱা বোৱা কৰা আদি কাম বিলাক আমাৰ অভ্যাস হৈ পৰিছিল। সঁচাকৈ নানা

জাতিৰ সংস্কৃতি, অৰ্থনীতি আদিৰ বিষয়ে জানিবলৈ আৰু তেওঁলোকৰ লগত বন্ধুত্ব স্থাপন কৰিবলৈ পাই মই বৰ সুখী আৰু আনন্দিত হৈছিলো।

৪-৬-৮৬ তাৰিখে আমি অসম অভিমুখে ৰাওনা হলো। ইমান দিনৰ মূৰত নিজৰ ঠাইলৈ ঘূৰি অহাৰ আনন্দ কেনে হব পাৰে সকলোৱে উপলব্ধি কৰিব পাৰিব ছয় তাৰিখৰ দিনা আমি গুৱাহাটী পালোহি। তাতেই উত্তৰপূৰ্বাঞ্চলৰ সকলো কেডেট ভাগ হৈ প্ৰত্যেকে প্ৰত্যেকৰ পৰা বিদায় ললো। ইমান দিনৰ মূৰত এৰা এৰি হবলগীয়া হোৱাত আমাৰ দুচকু চকুলোৰে ভৰি পৰিছিল। গুৱাহাটীত এদিন থাকি আমি ডিগবৈ অভিমুখী পাচঁ জন কেডেট সাত তাৰিখে ডিগবৈ পালোহি। উত্তৰ প্ৰদেশত থকা দিনকেইটাত সমগ্ৰ ভাৰতৰ কেডেট বোৰৰ মাজত যি এক ভাতৃভগ্নীৰ সম্পৰ্ক গঢ়ি উঠিছিল তাৰ স্মৃতি আজীৱন পাহৰিব নোৱাৰো।

## সংযমহে ছাত্ৰ শক্তিৰ উৎস

ছাত্ৰশক্তি যদিও প্ৰবল শক্তি, সি সংযত হলেহে দেশ হিতকৰ হব; নতুবা সি অনৰ্থ উৎপাদন কৰে। প্ৰবল ভাপ কল (ষ্টীম ইঞ্জিন) সংযত আৰু নিয়মৰ বশীভূত হলেহে তাৰ দ্বাৰাই মহোপকাৰ সাধিত হয় নতুবা অসংযত আৰু উদ্দাম শক্তিপুঞ্জৰ দ্বাৰাই অনৰ্থ সংঘটিত হয়। সংযম দুই ভাবে হব লাগিব। ব্যক্তি আৰু সমষ্টিভাবে আৰু সমাজগতভাবে অৰ্থাৎ উজুকৈ কবলৈ গলে—গাইগোটা ভাবেও আৰু সৈয়াভাবেও। গাইগোটা সংযম ছাতৰ সকলে দিনো সকলো ধকমে নিজৰ জীৱনত কৰি থকা উচিত। কিন্তু সৈয়াসংযম আজিৰ এই ছাত্ৰ—সন্মেলনীৰ নিচিনা সভা—সমিতিৰ বান্ধোন আৰু শাসনৰ তলতহে ওপজে আৰু বাঢ়ে। ঈশ্বৰে কৰক যেন অসমত প্ৰথম এই ডাঙৰ ছাত্ৰ—সন্মেলনীয়ে অসমীয়া ছাত্ৰ সকলৰ ওপৰত সকলো প্ৰকাৰৰ সু-প্ৰভাৱ বিস্তাৰ কৰি তেওঁলোকক ভৱিষ্যতৰ আদৰ্শ নাগৰিক কৰি তোলে।

—লক্ষ্মীনাথ বেজবৰুৱা

# সেই ইহুদী বৈজ্ঞানিকজন

*প্ৰভাত কুমাৰ বৰুৱা*
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)।

১৮৭৯ চনৰ ১৪ মাৰ্চ। বিশ্বৰ বিজ্ঞানৰ বুৰঞ্জীত এক লেখত লবলগীয়া দিন। এনে এটা দিনৰ কোনো এক শুভ ক্ষণত মিউনিখৰ পৰা প্ৰায় ১৪০ কিঃ মিঃ নিলগৰ উলম্ নামৰ এখন নগৰত এহাল ইহুদী দম্পতীৰ ঔৰসত এটি শিশুৰ জন্ম হয়। এই শিশুটিয়েই হ'ল বিজ্ঞান জগতত নতুন নতুন তত্ব আবিষ্কাৰ কৰি আলোড়ন সৃষ্টি কৰা বিশ্ব বিখ্যাত বিজ্ঞানী এলবাৰ্ট আইনষ্টাইন। তেওঁৰ পিতৃৰ নাম আছিল হেৰম্যান আইনষ্টাইন আৰু মাতৃৰ নাম আছিল পলিন।

হেৰম্যান আছিল এজন ব্যৱসায়ী। এলবাৰ্টৰ এবছৰ বয়স হওঁতে ব্যৱসায় সংক্ৰান্তত তেওঁ মিউনিখলৈ উঠি যায়। আইনষ্টাইনৰ সৰুতে বৰ দুৰ্বল অৱস্থা দেখি দেউতাক হতাশ হ'ল। স্বামীক সান্ত্বনা দি পলিনে কৈ উঠিল, 'আপুনিনো এইবোৰ কি ভাবি চিন্তি অস্থিৰ হৈছে। মই কৈছো আমাৰ ল'ৰা এদিন অধ্যাপক হবই হ'ব।" সঁচাকৈয়ে এলবাৰ্ট এজন অধ্যাপক হ'লগৈ।

ওচৰত কোনোধৰণৰ ইহুদী স্কুল নথকাত এখন কেথলিক স্কুলত নাম লগাই দিয়া হয়। ১০ বছৰ বয়সত এলবাৰ্টে প্ৰাথমিক শিক্ষা সাং কৰি "লুইপোল্ড জিমনেচিয়াম"ত ভৰ্ত্তি হয়। পুতেকক বৰ্ডিং স্কুলত ৰাখি হেৰম্যানে পৰি অহা ব্যৱসায়ৰ বাবে ভাগ্যৰ অন্বেষণত সপৰিয়ালে ইটালিৰ মিলান চহৰলৈ যাত্ৰা কৰিলে। কিন্তু বৰ্ডিঙত থাকি আইনষ্টাইনৰ অকনো ভাল নালাগিল। সেয়েহে বহুতো বাধা নিষেধ থকা স্বত্বেও কিছুদিনৰ পিছত তেওঁ স্কুল এৰি মিলান চহৰলৈ গুচি গ'ল। সেই সময়তে দেউতাকৰ ব্যৱসায়ো পৰি আহিবলৈ ধৰিলে।

এনে এটা অৱস্থাত তেওঁ দেউতাকৰ ব্যৱসায় নিজৰ হাতত তুলি লবলৈ আগ্ৰহ নকৰি কাৰিকৰী শিক্ষাৰে দেউতাকক সহায় কৰিবলৈ মন মেলিলে। সেই উদ্দেশ্যে তেওঁ চুইজাৰলেণ্ডৰ জুৰিক চহৰৰ পলিটেকনিকেলত নাম ভৰ্ত্তিৰ বাবে আবেদন কৰিলে। প্ৰথম বাৰ তেওঁ বাছনি পৰীক্ষাত অকৃতকাৰ্য্য হ'ল। দ্বিতীয় বাৰ পৰীক্ষা দিহে তেওঁ তাত নাম ভৰ্ত্তি কৰে। এইদৰে তেওঁ অকৃতকাৰ্য্য হোৱাৰ কাৰণ আছিল যে তেওঁ গণিতৰ অধ্যয়নত ইমানেই বিভোৰ আছিল যে বাকী বিলাক বিষয়ত পাৰদৰ্শিতা দেখুৱাবলৈ তেওঁৰ আজৰিয়েই নাছিল।

আইনষ্টাইনে এই জুৰিক চহৰত পঢ়ি থকা কালছোৱাতে প্ৰসিদ্ধ পদাৰ্থবিদ ওৱেৰাৰ, বিখ্যাত অঙ্কবিদ্ গেইকাৰ আৰু মিনকো ভেস্কি আদিৰ সংস্পৰ্শলৈ আহে। এলবাৰ্টৰ তীক্ষ্ণ বুদ্ধি দেখি তেওঁলোক আচৰিত হ'ল। সেয়েহে এই অধ্যাপক সকল প্ৰাণ পণে ব্যস্ত হৈ পৰিল এলবাৰ্টৰ শিক্ষা দানত। এই সময়তে এলবাৰ্টে ছাইবেৰিয়াৰ মিলেভা মেৰেছ নামৰ এগৰাকী সহপাঠী গাভৰুৰ লগত পৰিচয় হয় আৰু শিক্ষা সাং কৰি ১৯০১ চনত তেওঁক বিয়া কৰায়।

আইনষ্টাইনৰ ইচ্ছা আছিল পদাৰ্থ বিজ্ঞানৰ শিক্ষক হোৱা। কিন্তু স্নাতক উপাধি লোৱাৰ পাচতো তেওঁ ভাল চাকৰি এটা যোগাৰ কৰিব নোৱাৰিলে। অৱশেষত এজন বন্ধুৰ সহযোগত চুইজাৰলেণ্ডৰ বাৰ্ণ চহৰৰ পেটেণ্ট অফিচ এটাত চাকৰি পালে। এই সময়তে দেউতাকৰ অৱস্থাও স্বচ্ছল নাছিল আনফালে নিজৰ জীৱিকাৰ পথো সিমান সুচল নাছিল। সেই বিলাক দুখ-কষ্টৰ কথাকে সুঁৱৰি শেষ জীৱনত তেওঁ এবাৰ ধেমালি কৰি কৈছিল— "আপেক্ষিকতাবাদত মই মহাকাশৰ প্ৰতিটো বিন্দুত একোটাকৈ ঘড়ী থৈছিলো, কিন্তু নিজৰ বাবে কোঠাত এটা ঘড়ী থবলৈও মোৰ সমল নাছিল।"

১৯০২ চনত জাৰ্মানীৰ এখন বিজ্ঞান আলোচনী এনালেন ডাৰ ফিজিক"ত (Annelen der physik) তেওঁ তাপগতি বিজ্ঞানৰ ওপৰত লিখা প্ৰথম প্ৰবন্ধটো প্ৰকাশ পায়। ১৯০৫ চনত আইনষ্টাইনে সেই আলোচনী খনতে তেওঁ মহান প্ৰতিভাৰ স্বাক্ষৰ বহন কৰা তিনিখন গৱেষণা পত্ৰ প্ৰকাশ কৰিলে।

এই গৱেষণা পত্ৰ কেইখনৰ প্ৰথম খন হ'ল "ব্ৰাউনিয়ান গতি" (Brownian Movement) নামে এটা ঘটনাৰ ওপৰত। ১৮২৭ চনত ৰবাৰ্ট ব্ৰাউন নামৰ এজন ইংৰাজ উদ্ভিদ বিদে এই ঘটনা আবিষ্কাৰ কৰিছিল। আইনষ্টাইনৰ আগলৈকে এই ঘটনাৰ সুন্দৰ ব্যাখ্যা কোনেও দিব পৰা নাছিল। আইনষ্টাইনে এই গতিৰ ইমান সুন্দৰ ব্যাখা দিলে যাৰ বাবে জুৰিক বিশ্ববিদ্যালয়ে তেওঁক ডক্টৰেট উপাধি প্ৰদান কৰিলে।

আইনষ্টাইনৰ দ্বিতীয় গৱেষণা পত্ৰ আছিল 'আলোক বিদ্যুৎ' নামৰ ঘটনাটোৰ ওপৰত। প্লাংকৰ ধাৰণাৰ সহায় লৈ আলোক বিদুৎ নো কি ইয়াৰ এটা সুন্দৰ বাখ্যা দিলে। কোৱাণ্টামৰ ধাৰণা আইনষ্টাইনৰ এটা মহান কীৰ্ত্তি। ইয়াৰ বাবে ১৯২১ চনত এওঁ নোবেল বঁটা পায়।

আইনষ্টাইনৰ তৃতীয় গৱেষণা পত্ৰখন হৈছে বিখ্যাত "বিশেষ আপেক্ষিকতা-বাদ"ৰ (Special Theory of Relativity) ওপৰত। এই তত্বই বিজ্ঞান গজতত এক আলোড়ন সৃষ্টি কৰিছিল। কাৰণ নিউটনৰ দিনৰ পৰা তিনিশ বছৰ ধৰি চলি অহা পদাৰ্থ বিজ্ঞানৰ কিছুমান ধাৰণা সলনি কৰিবলৈ ই বিজ্ঞানী সকলক বাধ্য কৰালে।

আইনষ্টাইনৰ এই গৱেষণা পত্ৰ কেইখন প্ৰকাশ হোৱাৰ লগে লগে বিশ্বৰ বিজ্ঞানী সকলৰ মাজত তোলপাৰ লাগিল। পৃথিৱীৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা তেওঁলৈ নিমন্ত্ৰণী পত্ৰ আহিল। জুৰিক বিশ্ববিদ্যালয়ৰ চেয়াৰমেন ডঃ ক্লিনাৰে সেই বিশ্ববিদ্যালয়ৰ খালি হৈ থকা সহকাৰী অধ্যাপকৰ পদটো তেওঁক যাচিছিল। সেই সময়ত তেওঁৰ বয়স হৈছিল ২৭ বছৰ। ইয়াত কিছুদিন থকাৰ পাচত তেওঁ প্ৰেগ বিশ্ববিদ্যালয়লৈ যায়। কিন্তু ইয়াত তেওঁ ভাল নাপালে; এইবাৰ তেওঁ পুনৰ জুৰিক বিশ্ববিদ্যালয়লৈ উভতি আহিল।

১৯১৩ চনৰ পৰা ১৯৩৩ চনলৈকে এই কুৰি বছৰ কাল আইনষ্টাইন বাৰ্লিনত আছিল। ১৯১৫ চনত তেওঁ "সাধাৰণ আপেক্ষিকতাবাদ (General Theory of Relativity) আবিষ্কাৰ কৰিলে। এই থিওৰী লৈ সমগ্ৰ ইংলণ্ডত হৈ-চৈ লাগিল। তেওঁৰ মতৰ বিৰুদ্ধে তৰ্কা-তৰ্কি চলিল। শেষত এই মতবাদৰ সত্যতা প্ৰমাণ কৰিবৰ বাবে সূৰ্য্য গ্ৰহণৰ সময়ত ফটো লোৱাৰ ব্যৱস্থা কৰা হল।

ফটো লোৱাৰ পাচত প্ৰমাণিত হ'ল এওঁৰ মতেই সত্য। ইংলেণ্ডৰ ৰয়েল চচাইটিয়ে আইনষ্টাইনৰ পৰীক্ষাৰ ফলাফল জনাই অভিনন্দন জনালে। সমগ্ৰ বিশ্বৰ বিজ্ঞানী সকলেও একে সময়তে বাৰ্তা পঠিয়ালে। সাধাৰণ আপেক্ষিকতাবাদ এটা অত্যন্ত গণিতিক তত্ব। এই তত্ব মতে মহাকৰ্ষণ নিউটনে ভবাৰ দৰে কোনো 'বল বিশেষ নহয়, ই স্থান কালৰ বক্ৰতাৰ এটা পৰিমানহে মাথোন। এই তত্বৰ ওপৰত ভিত্তি কৰিয়েই আইনষ্টাইনে পিচত "বিশ্ব ব্ৰহ্মাণ্ড তত্ব" (Cosmological Theory) সৃষ্টি কৰিছিল। এইদৰেই সূত্ৰপাত হয় বিশ্বব্ৰহ্মাণ্ডৰ গণিতিক আলোচনা।

বাৰ্লিনত থকা কালছোৱাত ইহুদী আন্দোলনৰ নেতা ওৱাজম্যান আমেৰিকা ভ্ৰমণ কৰিবলৈ ওলাল। তেওঁৰ এই ভ্ৰমণৰ সহযাত্ৰী হ'ল আইনষ্টাইন। আমেৰিকা পোৱাৰ পাচত এওঁক অভিনন্দন জনাবলৈ লোকে লোকাৰণ্য হৈ আছিল।

আমেৰিকা ভ্ৰমণ শেষ কৰি এওঁ ইংলণ্ডলৈ আহিল। এই ঠাইলৈ আহিয়েই এওঁ পোন প্ৰথমে নিউটনৰ সমাধিত শ্ৰদ্ধা জ্ঞাপন কৰিলে। ইয়াৰ পাচতহে ইয়াৰ চহৰ সমূহত বক্তৃতা দিবলৈ ধৰিলে। এওঁৰ সকলো বক্তৃতা আপেক্ষিকতাবাদৰ ওপৰত ভিত্তি কৰি দিছিল।

ইতিমধ্যে ইউৰোপত ১৯৩৯ চনত দ্বিতীয় মহাসমৰ আৰম্ভ হয়। এই যুদ্ধত জাৰ্মানীয়ে পৰাজয় বৰণ কৰিলে। জাৰ্মানৰ নায়ক আছিল হিট্‌লাৰ। এওঁ আছিল অত্যন্ত ইহুদী বিদ্বেষী। তেওঁৰ নাজী সৈন্য সকলে ইহুদী সকলৰ ওপৰত কৰা অমানুষিক অত্যাচাৰে আইনষ্টাইনক সাময়িক ভাৱে ৰাজনীতিত নামিবলৈ বাধ্য কৰালে। ফলত ১৯৪৮ চনন ইহুদীৰাষ্ট্ৰ, ইজৰাইলৰ জন্ম হ'ল। সকলোৱে আইনষ্টাইনক ইজৰাইলৰ প্ৰথম গৰাকী ৰাষ্ট্ৰপতি হ'বলৈ অনুৰোধ জনালে। কিন্তু এইজনা মহান ক্ষমতা বিদ্বেষী বিজ্ঞানীয়ে বিনম্ৰভাৱে এই অনুৰোধ প্ৰত্যাখান কৰিলে।

আইনষ্টাইনৰ ৰাজনীতি আছিল শান্তিকামী। নাজীবিলাকে এওঁৰ মনোভাব অকনো ভাল পোৱা নাছিল। হিটলাৰে এওঁৰ ওপৰত অনেক অত্যাচাৰ চলাবলৈ ধৰিলে। তেওঁৰ সকলো সম্পত্তি হিটলাৰে বাজেয়াপ্ত কৰিছিল আৰু আইনষ্টাইনক ধৰি দিব পৰা মানুহজনক ১০০০ পাউণ্ড পুৰস্কাৰ দিব বুলিও ঘোষনা

কৰে। শেষত তেওঁ উপায় বিহীন হৈ ১৯৩৩ চনত মাতৃভূমিৰ সকলো মায়া মোহ ত্যাগ কৰি আমেৰিকালৈ গুচি গ'ল। ইয়াতো আমেৰিকা চৰকাৰে তেওঁক সন্দেহৰ চকুৰে চোৱাত তেওঁ অতিষ্ঠ হৈ কৈছিল, "দ্বিতীয়বাৰ জন্ম গ্ৰহণ কৰিলে মই বনুৱা নাইবা ফেৰিয়ালা হৈহে জন্ম ল'ম। কিয়নো তেনে জীৱনতহে অন্ততঃ কিছু স্বাধীনতা আছে।" ১৯৪০ চনত আইনষ্টাইনে আমেৰিকাৰ নাগৰিকত্ব গ্ৰহণ কৰিলে।

আইনষ্টাইনে উপলব্ধি কৰিছিল যে এওঁৰ আৱিষ্কাৰৰ ওপৰত নিৰ্ভৰ কৰি জাৰ্মানীয়ে অনেক বিস্ফোৰক সৃষ্টি কৰিব পাৰে আনকি আণবিক বোমা তৈয়াৰ কৰি হাজাৰ হাজাৰ মানুহৰ প্ৰাণ হানি কৰাটো অসম্ভৱ নহয়। জাৰ্মানীৰ এই ক্ষেত্ৰত বাধা দিয়াৰ একমাত্ৰ পথ হ'ল জাৰ্মানীৰ আগতে আনবিক বোমা তৈয়াৰ কৰা। এই উদ্দেশ্যেই আমেৰিকা বিজ্ঞানী সকলৰ অনেক প্ৰচেষ্টাৰ ফলত ১৯৪৫ চনৰ ৬ আগষ্টত আমেৰিকাই হিৰোচিমাৰ আকাশমাৰ্গত আণৱিক বোমা পেলাবলৈ সক্ষম হ'ল। আইনষ্টাইনে আৱিষ্কাৰ কৰিছিল পদাৰ্থৰ পৰিবৰ্ত্তনেই শক্তি আৰু এই পদাৰ্থক শক্তিত পৰিণত কৰিব পাৰি। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই আণবিক বোমা আৱিষ্কাৰ কৰা হৈছিল। অথচ এই আণবিক বোমা আৱিষ্কাৰে শান্তিকামী আইনষ্টাইনক অকনো শান্তি দিব নোৱাৰিলে। হিৰোচিমাৰ হতভগীয়া জনগনৰ স্মৃতিয়ে তেওঁৰ অন্তৰত গভীৰ আঘাত সানিলে। এনেবোৰ কাৰণতেই তেওঁ সেই সময়ত নিজ গৱেষনাগাৰত নিৰলে বহি চকুলো টুকিছিল।

ৰাজনীতিৰ লগত জড়িত হৈ পৰিলেও আইনষ্টাইন আছিল এজন বিজ্ঞানী। জীৱনৰ শেহচোৱাত তেওঁ দেখা পাইছিল গ্ৰহ, তৰা, নক্ষত্ৰ, পোহৰ, অণু পৰমাণু সকলোবোৰেই। ইয়াকেই তেওঁ নাম দিছিল — "দি ইউনিফাইড ফিল্ড থিওৰী"।

১৯০৫ চনৰ পৰা ১৯৫৫ চনলৈকে এই আঢ়ৈ কুৰি বছৰ কাল এইজনা মহিষী বিজ্ঞানীয়ে বিজ্ঞানক নেতৃত্ব দিলে। লাহে লাহে তেওঁৰ স্বাস্থ্য পৰি আহিল। ২২ বছৰ কাল আমেৰিকাত কটোৱাৰ পাচত চিকিৎসাবিদ সকলৰ চিকিৎসাক উপেক্ষা কৰি ১৯৫৫ চনৰ ১৮ এপ্ৰিলত প্লীহাৰ ৰোগত প্ৰিন্সটন হস্পিটেলত ৭৬ বছৰ বয়সত কোনো এক অজান ঠাইলৈ গতি কৰিলে। মৃত্যুৰ আগে আগে পুতেকক শেষ অনুৰোধ কৰি থৈ গল যে, "মৃত্যুৰ পিচত তেওঁক যেন কোনেও নেদেখা ঠাইত সংকাৰ কৰা হয়। তেওঁক সংকাৰ কৰা ঠাইত যেন কোনো স্মৃতি সৌধ গঢ়ি নুঠে। বিশ্বৰ জনগনই যাতে তেওঁক দেৱতাৰ অংশ বুলি পূজা নকৰে। মৃত্যুৰ পিচত ঘৰত যাতে তেওঁকলৈ কোনো মাংগলিক উৎসৱ নাপাতে।" আইনষ্টাইনে তেওঁৰ মূৰটো চিকিৎসাবিদ সকলক পৰীক্ষাৰ বাবে দান দি থৈ গ'ল।

+

বিঃ দ্ৰঃ— তথ্য সম্বলিত পুথিৰ সহায়লৈ লিখা হৈছে।





*Shri Purna Konwer ( in left )*
*Consolation prize winner*
*( Drama Direction )*
*Shri Utpal Das ( in right )*
*Second best Actor.*



*Miss Anjana Baruah,*
*Best Debator of the year*



*Shri Gyan Pratap Chetry, who got the privilege to join as a Cadet in Republic Day Celebration in Delhi.*



*Shri Dicky Gogoi*
*winner 'Feather group.'*



*Shri Tompok Singh-winner ( in left )*
*Shri Avijeet Saha Runners up ( in right ) and Shri Himadri Shekhar Bhattacharyee Boy's Common Room Secretary ( in middle )*



*Shri Nripen Borgohain*
*Best athlete of the year*



"কবিতা হল আৱেগময় আৰু ছন্দস্পন্দিত ভাষাৰ মাধ্যমত মানৱীয় মনৰ মূৰ্তিমান আৰু শিল্পিত অভিব্যক্তি।"

—থিয়োডৰ ৱাটছ ডান্টন—

## প্ৰতীক্ষা এক নতুন সুৰুজৰ

জুনা শইকীয়া
একাদশশ্ৰেণী ( কলা )

অন্য এক নৱপ্ৰভাতী সুৰুজৰ প্ৰতীক্ষাত
ৰৈ আছোঁ মই—
যাৰ পোহৰে—
পোহৰাই তুলিব,
এই ধৰণীৰ
যত দুখ—বেদনা—পঙ্কিলতা
আৰু
বহু আবৰ্জনা ।
মই জানো—
সেই সময় সমাগত-
কিয়নো—
কালৰাত্ৰিৰ বুকুতে লুকাই থাকে
নৱ প্ৰভাতৰ পূৰ্ণ সম্ভাৱনা ।
সেই কালৰাত্ৰিৰ বুকু বিদাৰি,—
কুঁৱলীৰ জাল ফালি—
উদয় হ'ব
মোৰ চিৰ আকাংক্ষিত
বহু প্ৰতীক্ষিত
নতুন সুৰুজৰ ।
আৰু—
শাৰদী পুৱাৰ নিয়ৰ কণাত
জিলিকি উঠিব
মোৰ চিৰ আকাংক্ষিত
হেজাৰটা সুৰুজৰ দীপ্ত আভা ।

## আশা

ছৈয়দা আকেলা খানম
অধ্যাপিকা,
অসমীয়া বিভাগ

সেউজীয়া ঘাঁহনি গছকি
আগবাঢ়ি অহা সিহঁতৰ ব্ৰজকণ্ঠ
আকাশ চুম্বী নিনাদত
ময়ো সমস্বৰে চিঞৰি উঠোঁ
এই দেশ মহান দেশ, এই মাটিৰ
প্ৰতিবিন্দু পলস—মোৰ ঘামেৰে
সিক্ত—মহীয়ান । ব্ৰহ্মপুত্ৰৰ বয়স
কিমান বাৰু ?
মোৰ পজাঁত মূধচ উৰুৱি পৰিছে
ঝঞ্চাৰ আঁচোৰত—ক্ষতি নাই
যোৱাবেলিও উৰুৱিছিল
আকৌ পুৱাৰ বাতি
আকৌ আমাৰ ভৱিৰ শব্দেৰে
শানিত হ'ব আমাৰ অস্ত্ৰ
প্ৰতিবছৰে বহাগ নাহেনে ??



## 'আমি আছোঁ'

শ্ৰীআভা বৰদলৈ
স্নাতক তৃতীয় বাৰ্ষিক কলা

সূৰ্য্যৰশ্মিৰ প্ৰতিটো কণাতেই চাওঁ,
আমি আছোঁ।
প্ৰথম বহাগৰ বৰষুণজাকৰ
প্ৰতিটো টোপালত আছোঁ।
বাৰিষাৰ প্ৰলয়ঙ্কাৰী বানৰ
প্ৰবেশ পথত
বাধা দিওঁতেও,
সৰ্বগ্ৰাসী দৃষ্টিকো নেওচি
মূৰ্তিমান বিভীষিকাৰ দৰেই আছোঁ।
জুলাই মাহৰ উত্তাপৰ প্ৰখৰতাত,
গছৰ তলত, পথৰ কাষত ছাটিফুটি,
বনৰীয়া নিজৰাৰ পানীত প্ৰতিবিম্ব ?
যোৱা নিশাৰ ধুমুহাত ভগা
টোকোৰা চৰাইৰ বাহ এয়া,
নতুন তামোল জোপাত আকৌ
আমাৰ হাতৰ পৰশ।



## দুটি কবিতা

শ্ৰীনিৰা ৰাজকোঁৱৰ
স্নাতক দ্বিতীয় বাৰ্ষিক কলা।

১

একেডাল সাঁকোতে
ভৰ দি
আমিবোৰ আগবাঢ়িছোঁ
একাঠু পানীতে জপিয়ালো
সাগৰ বুলি।
উশাহ নসলোৱাকৈ চিঞৰি উঠিলো
হঠাৎ
গঙ্গাচিলনীৰ পাখীৰ ঢপ্ ঢপনিত
বুকুখন শাঁত পৰিল
এহাতলৈকে।

২

জাঁজৰিত উটি গৈ আছোঁ
শব্দৰ স্ফুলিঙ্গত মাজে মাজে ফুল হৈ ফুলি উঠোঁ
প্ৰত্যয়ৰ প্ৰশস্ত এখন হাতত ধৰা দিব খুজিও
হঠাৎ সুলকি পৰোঁ।

## আত্মাৰ ক্ষোভ

শ্ৰীপঙ্কজ গোস্বামী
স্নাতক, দ্বিতীয় বাৰ্ষিক ( কলা )

হেঃ অস্থিছালসম শায়িত পৌত্তলিক
তুমি পৰিহাৰ কৰা উৰ্দ্ধত কাঠিন্য ।
শৃঙ্খলিত কৰা,
মূক দেৱতাৰ—পূজাৰ বেদীত উচৰ্গা কৰা
"নিৰ্জিত শব্দবোৰ" !!

তোমাৰ তীক্ষ্ণ কণ্ঠস্বৰত প্ৰতিধ্বনিত হওক
মীৰ প্ৰেমৰ অমোঘ মন্ত্ৰ ।
আল্পচৰ শুভ্ৰ শিখৰৰ পৰা
তিব্বতৰ স্বৰ্ণভূমিলৈ
তুমিয়েই কঢ়িয়াব লাগিব
মানৱ প্ৰগতিৰ কৰুণ অভিযানৰ বাৰ্ত্তা ।

হেঃ ! পৌত্তলিক,
আপোন সত্বাক জগাই তোলা
জীৱনৰ কাংস্য পাত্ৰত থকা প্ৰেমৰ অমৃত ৰস
বিলাই দিয়া,
নিশাৰ নগ্ন প্ৰহৰীবোৰক ।

## বহাগ

অনুপম ফুকন
স্নাতক, প্ৰথম বাৰ্ষিক ( কলা )

বহাগ আহে
আকাশৰ নীলা নীলা সপোনৰ পাৰ ভাঙি
কোনোবা বিহগীৰ সোণোৱালী ডেউকাত আলফুলে উঠি
বসন্তৰ বোলসনা ৰূপোৱালী বদালিয়ে
কৃষকৰ-চকুৰ পতাত
সিঁচি দিয়ে আশাৰ পাপৰি,
ইথাৰ্ৰ সোঁতে সোঁতে লয় লাসে ভাঁহি অহা
দূৰৰ পেঁপাৰ সুৰে
সোঁণপাহিহঁতৰ হিয়াত
মাধুৰিমা সানে সপোনৰ
এনেকৈয়ে আহিব বহাগ
ছন্দময় ঢোলৰ শব্দ আৰু স্বপ্নমুগ্ধ গীতৰ সুৰেদি
............লয়লাসে ।
বিহুৱতী গাভৰুৰ খোপাত শুৱনি হয়
কপৌ তগৰ আৰু নাহৰৰ ফুল
যৌৱনৰ বিনন্দ বিনাস ;
মোৰ হৃদয়ত পুলকৰ শেস নাই
ভাষাৰ অভাৱ মাথো
বহাগৰ গীত গাবলৈ ।

## সৰু নগৰ

(ইলাষ্ট্ৰেটেদ্ উইক্‌লী অৱ ইণ্ডিয়াত প্ৰকাশিত (এপ্ৰিল, ১৯৮২) G.C. Bhandari ৰৰ "The small town" কবিতাৰ ভাৱানুবাদ)

অধ্যাপক বিনোদ কুমাৰ গগৈ।

এই নগৰ সমৃদ্ধ নগৰ
ঘাম আৰু পনীয়া সোণেৰে পৰিপুষ্ট
এই নগৰ।
এই নগৰ নিচেই সৰু
মানুহবোৰৰহে অলেখ চকু !
ইয়াৰ গুজৰৰ কাৰখানাবোৰত
তৈয়াৰ হয় দিনে দিনে, প্ৰতি দিনে
নানান গুজৱ
এই নগৰ সৰু নগৰ
সৰু হলেও বোলে স্বকীয়তাৰে মহীয়ান
সভ্যতাৰ ক্ষুদ্ৰ সংস্কৰণ !
এই নগৰ সৰু নগৰ
এটি মাত্ৰ আলিবাট
একেই চিনাকী মুখ
অহা যোৱা কৰে লানি নিছিগা।
এই মানুহবোৰ সমাজ বিমুখ
সিহঁতৰ চকুত আৰু বাহ্যিকতাত
তিৰ্ৰ বিৰাই নে চিক্ মিকাই
এক অবুজ প্ৰগল্‌ভতা
আৰু ওঁঠত আঁহফলা কথা।
ইয়াৰ যত বন্ধুৱা—খালাচী—চাপ্ৰাচী
ল'ৰ মাৰে ৰাজধানীলৈ মহানগৰৰ
ঘৰ্মাক্ত দিনটোৰ অন্তত প্ৰাণ উজাৰি দিয়ে
যৌন গন্ধী মনোৰঞ্জণত,—
বুজি নাপালেও জানিবা
সিহঁতে বুজি পায় জৈবিক দেহৰ ভাষা
কিয়নো; —সিহঁতটো আদামৰেই পুত্ৰ।



## অস্তিত্ব

শ্ৰীবন্তি গগৈ
স্নাতক দ্বিতীয় বাৰ্ষিক কলা

মই এটি কৰুণ সুৰ
নীৰৱ নিশাৰ নিস্তব্ধতা ভেদি
বিয়পি পৰো মই—
সীমাহীন মহাশূণ্যৰ বুকুত॥
দিগন্ত প্ৰসাৰিত, মোৰ বেদনা,
বাস্তৱ জগতৰ বন্ধন মুক্ত॥
সমাধিস্থ মোৰ বৈষয়িক জীৱন
সকৰুণ সুৰ তৰঙ্গ মই
পৰিতৃপ্তি মোৰ।
অচিন অন্তহীন অন্তৰীক্ষত,
সেয়েহে—
মোক বিচাৰিবা উন্মুক্ত আকাশত
তোমাৰ পৰিধিৰ বহিৰ্বিন্দুত॥



## জেহাদ ঃ শাশ্বত কান্দোনৰ

শ্ৰীৰঞ্জিত ফুকন
স্নাতক ( বাণিজ্য )
প্ৰথম বাৰ্ষিক

( মেণ্ডেলালৈ অভিনন্দন )

অযুত অবুজ ঘনঘোৰ কুঁৱলী
আকাশ বতাহ
প্ৰতিবাদ
মাথো প্ৰতিবাদৰ।

চাবুক, বেয়েনেট
সংঘাত
মানৱীয়তাৰ।

শক্তিশালী সকল,
ইতিহাস চোৰা .................. কৰ
প্ৰাপ্যৰ তাগিদাত
ভিক্ষা নহয়
প্ৰতিবাদ।

আঠ হাজাৰ সাতশ ষাঠি দিনত
অনাগত দিনত
মই এক 'এপাৰ্থেদ্' বিৰোধী॥

# সাক্ষ্যাৎকাৰ ঃ

## ডঃ লীলা গগৈৰ সৈতে

অসমীয়া সাহিত্যত ডঃ লীলা গগৈ দেৱে বিভিন্ন গ্ৰন্থ আৰু বিবিধ বিষয়ক চিন্তাশীল প্ৰবন্ধ ৰচনা কৰি আহিছে । তেখেতৰ সাহিত্যিক জীৱনৰ প্ৰধানকৈ দুটা দিশ আছে । সৃষ্টিশীল লেখক হিচাপে আৰু গবেষক পণ্ডিত হিচাপে । শিশু সাহিত্য, ঔপন্যাসিক, গীতিকবিতা আৰু ৰস ৰচনা কৰি অসমীয়া ভাষা সাহিত্যত সৃষ্টিশীল লেখক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে । গবেষক পণ্ডিত হিচাপে তেখেতে অসমীয়া সংস্কৃতি, বুৰঞ্জী সাহিত্যৰ গবেষণামূলক অধ্যয়ন আৰু বিভিন্ন গ্ৰন্থৰ সম্পাদনা তেখেতৰ গবেষণামূলক পাণ্ডিত্যৰ উজ্জ্বল প্ৰতিভূ ।

২৬ বহাগ ইং ১৯৮৭ চন অসমৰ পূব প্ৰান্তত থকা তৈল নগৰী ডিগবৈত অসমীয়া জনসাধাৰণৰ বাপতি সাহোন ৰঙালী বিহু উদ্‌যাপন অনুষ্ঠানলৈ উদ্‌যাপন সমিতিয়ে মুখ্য অতিথি হিচাপে নিমন্ত্ৰন কৰি আনিছিল অসমৰ এগৰাকী প্ৰখ্যাত সাহিত্যিক, বুৰঞ্জীবিদ, গবেষক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰিডাৰ ডঃ লীলা গগৈ দেৱক । তেখেতক আমি অতি ব্যস্ততাৰ মাজতো লগ ধৰো । বৰ্তমান অসমীয়া সাহিত্যৰ আৰু বুৰঞ্জীৰ কেইটামান দিশৰ ওপৰত তেখেতক আমি প্ৰশ্ন সুধিছিলো । প্ৰশ্নৰ উত্তৰ সমূহ দাঙি ধৰি তেখেতে আমাক কৃতাৰ্থ কৰে । এই সাক্ষাৎকাৰটিয়ে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্যিক দিশত ভালেখিনি উপকাৰত আহিব বুলি আশা ৰাখিয়ে সুবহু প্ৰকাশ কৰা হল ।

তেখেতে বহুমূলীয়া সময় নষ্ট কৰি আমাৰ প্ৰশ্ন সমূহৰ উত্তৰ দিয়াৰ বাবে মুখপত্ৰখনিৰ সম্পাদনা সমিতিৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জনালো । তেখেতৰ বৌদ্ধিক অৱদানে অসমীয়া ভাষা সাহিত্যৰ ভঁড়াল চহকী কৰক—এয়ে ভগবানৰ ওচৰত প্ৰাৰ্থনা

—*সম্পাদক*

**প্ৰশ্নঃ** অসমীয়া শিশু সাহিত্যৰ আৰু অনুবাদ সাহিত্যৰ দীনতা আমি গভীৰ ভাৱে উপলব্ধি কৰিছোঁ । সাহিত্যিক হিচাপে আপুনি ইয়াৰ অনগ্ৰসৰতাৰ কাৰণ কি বুলি ঠাৱৰ কৰে?

**উত্তৰঃ** শিশু সাহিত্যৰ পুথি মানে ডাঙৰ আখৰৰ ছবি থকা কিতাপ নহয় । শিশুৰ শিক্ষা আৰু বয়স অনুপাতে হোৱা মনস্তাত্বিক গাঁথনি অনুযায়ী সহজ-সৰল ভাষাৰে লিখা পুথিকহে যথাৰ্থতে শিশু সাহিত্য বুলি কব পাৰি । আমাৰ ভাষাত এনেকৈ চৰ্চা কৰি যত্ন আৰু চেষ্টাৰে পুথি লেখা লেখকৰ অভাৱেই সাহিত্যৰো অনগ্ৰসৰতাৰ কাৰণ । অনুবাদ সাহিত্যৰ ক্ষেত্ৰতো একেটাই কাৰণ ।

**প্ৰশ্নঃ** অসমীয়া সমকালীন সাহিত্যৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যাটো কি বুলি আপুনি চিনাক্ত-কাৰণ কৰিব বিচাৰে?

উত্তৰঃ অসমীয়া সমকালীন সাহিত্যৰ গুৰুত্বপূৰ্ণ সমস্যা এটা নহয় সমান্তৰাল ভাবে বহু কেইটা সমস্যা আছে । সৎ, সাহসী, আৰু বাস্তৱ অৰ্থত সাহিত্যৰ বিকাশত সহায় কৰা প্ৰকাশকৰ অভাৱ । সৰহভাগ ক্ষেত্ৰতে লেখকক বঞ্চিত কৰি ধনঘটা প্ৰকাশকৰ পৰিমাণ সৰহ । অসমীয়া ভাষাত পাঠক আৰু গ্ৰাহকৰ সংখ্যা নিতান্তই সীমাবদ্ধ । ২০০০ কিতাপ বিক্ৰী কৰিবলৈ কেইবা বছৰো লাগে । কিতাপ দোকানেও দামী কিতাপ নিজৰ টকা খটুৱাই দোকানত থব নোখোজে । ফলত সোনকালে কিতাপ বিক্ৰী নহয় । প্ৰকাশক উৎসাহী নহয় । কিতাপ প্ৰকাশ নহয় । সাহিত্যিকসকলে আনক কৰলৈ টান পায় তেওঁবিলাকে কেনেকৈ ঠগ খায় । লেখকৰ বাবে গুৰুত্বপূৰ্ণ সমস্যা হৈছে, সহজে তেওঁৰ পুথি প্ৰকাশ কৰি প্ৰাপ্য বানচখিনি লাভ কৰাটো আৰু পাঠকৰ হাতত পুথিখন তুলি দিয়াটো ।

প্ৰশ্নঃ বুৰঞ্জীত কল্পনাৰ ভূমিকা একেবাৰে নাই নেকি ?

উত্তৰঃ বুৰঞ্জী বুৰঞ্জীয়েই । সত্য ঘটনাৰ বিৱৰণ লিখোঁতে কল্পনাৰ ঠাই ক'ত ?

প্ৰশ্নঃ বুৰঞ্জীৰ বিভিন্ন ঘটনাৱলীৰ যথাযথ ব্যাখ্যা দিয়াৰ ক্ষেত্ৰত বাওঁ-পন্থী আৰু সোঁ-প্ৰন্থীয়ে গ্ৰহণ কৰা ভূমিকাটো আপুনি কেনেদৰে গ্ৰহণ কৰে ?

উত্তৰঃ প্ৰকৃত সত্যৰ সোঁ-পন্থী আৰু বাওঁ-পন্থী বুলি কোনো ভাগ নাই । বুৰঞ্জিৰ ঘটনাৱলী বিচাৰৰ সময়ত সোঁ-পন্থী, বাওঁ-পন্থী দৃষ্টিভঙ্গী লোৱাটো ৰঙীন চশমাৰ দৰে । যথাৰ্থ বুৰঞ্জী তথ্য, সমল আৰু নিৰপেক্ষ বিশ্লেষণ বুলিহে মই ভাবোঁ ।

প্ৰশ্নঃ অসম তথা ভাৰত বুৰঞ্জীৰ সমূচিত মূল্যায়ন হৈছে বুলি আপুনি ভাবে নেকি ?

উত্তৰঃ অসম বা ভাৰত বুৰঞ্জীৰ পূৰ্ণাঙ্গ মূল্যায়ন হ'বলৈ এতিয়াও বাকী ।

প্ৰশ্নঃ অসম বুৰঞ্জীৰ আঁত ধৰি বৰ্তমান অসমৰ ঘটনা-সমূহক সাঙুৰি আৰু অসমৰ সমূহ জাতি উপজাতিৰ স্বকীয় বুৰঞ্জীৰ উপযুক্ত প্ৰতিফলন হব পৰাকৈ এক অসমীয়া জাতিগঠনত সহায়-কাৰী এখন যুগ উপযোগী পূৰ্ণাঙ্গ অসম বুৰঞ্জীৰ প্ৰয়োজনীয়তা গভীৰ ভাবে উপলব্ধি কৰা হৈছে । এনে এখন বুৰঞ্জী প্ৰণয়নৰ বাবে আপুনি কিবা প্ৰচেষ্টা চলাইছে নেকি ?

উত্তৰঃ এখন পূৰ্ণাঙ্গ অসম বুৰঞ্জী ৰচনাৰ আঁচনি বুৰঞ্জী সন্মিলনৰ সভাপতিৰ অভিভাষণত মই দাঙি ধৰিছিলোঁ । সেই আঁচনিখন কাৰ্যকৰী কৰিবলৈ সময়, সামৰ্থ্য, অৰ্থ আৰু আনুষঙ্গিক বহুতো বস্তুৰ প্ৰয়োজন । বৰ্তমানে কেইবাটাও দায়িত্ব পালন কৰি অবসৰ নোপোৱা হৈছোঁ । তথাপি আশা ত্যাগ কৰা নাই ।

---

" ............ আজিৰ অসমৰ বুৰঞ্জী লিখিবলৈ হলে তাহানিৰ প্ৰাগজ্যোতিষ—কামৰূপৰ সীমা ধৰি বিষয় বস্তু বিচাৰ কৰিব লাগিব । সেইদৰে ৰজাৰ বা ৰজাঘৰৰ বুৰঞ্জী নহৈ দেশৰ মানুহৰ বুৰঞ্জী লিখিব খুজিলেও সকলো জাতি-গোষ্ঠীৰ মানুহৰ জীৱনৰ সম্যক বাতৰি দিব লাগিব । ভাৰত-বৰ্ষলৈ অহা মূল জনগোষ্ঠী, আষ্ট্ৰিক, দ্ৰাবিড় মংগোলীয় নেগ্ৰিটো, আলপাইন আৰু নৰ্দিক আৰ্যৰ তেজৰ সংমিশ্ৰন ঘটি যেনেকৈ ভাৰতীয় জাতিটো গঢ় লৈ উঠিছে, তেনেকৈ অসমৰ পৰিবেশত অসমীয়া জাতিটোও গঢ় লৈ উঠিছে । মানুহৰ শ্ৰী চেহেৰা, অভ্যাস-ৰীতি আদিত ভৌগোলিক প্ৰভাৱ অনন্য । লুইতৰ উপত্যকা আৰু পৰ্বত উভয়ৰে ভৌগোলিক পৰিবেশ একে, গতিকে সাংস্কৃতিক বিষয়ত পৰ্বত ভৈয়াম উভয়তে কিছুমান উমৈহতীয়া লক্ষণ আছে ; জীৱন ধাৰণৰ পদ্ধতিৰ ক্ষেত্ৰতো সেয়ে । এই মূল কথাখিনি অনুধাবন কৰি আমি এখন আধুনিক বিজ্ঞান-সন্মত বুৰঞ্জী ৰচনা কৰিব লাগিব । ........ "

—বুৰঞ্জী-সন্মিলনৰ সভাপতি অভিভাষণৰ ক্ৰিয়দংশ—

---

প্ৰশ্নঃ বুৰঞ্জীত সামাজিক দায়বদ্ধতা সম্পৰ্কে আপোনাৰ অভিমত জনাবনে ?

উত্তৰঃ সামাজিক দায়বদ্ধতা শব্দ দুটা আজিকালি জনপ্ৰিয়তাৰে ব্যৱহাৰ কৰা হয় কিন্তু কোনখন সমাজৰ প্ৰতি দায়বদ্ধ নিৰ্দিষ্ট কৰি কোৱা নহয় । প্ৰকৃত সত্য অন্বেষণকাৰী বুৰঞ্জীবিদৰ প্ৰাথমিক

দায়বদ্ধতা নিৰপেক্ষতা, আৰু সত্য অনুসন্ধানৰ প্ৰতিহে ।

প্ৰশ্নঃ সাহিত্য সভাখন মেলামুখী আৰু ব্যয়বহুল হোৱা বুলি প্ৰায়েই অভিযোগ শুনা যায় । যদিহে মেলামুখ হৈ পৰিছে তেনেহলে তাৰ পৰিবৰ্তে ইয়াৰ কাৰ্য্যকৰী দিশটোত গুৰুত্ব দিবৰ সময় হোৱা নাই জানো ?

উত্তৰঃ সাহিত্য সভাৰ প্ৰতি জনসাধাৰণৰ গভীৰ আস্থা আৰু আকৰ্ষণেই জনসাধাৰণৰ সমাগম বৃদ্ধি কৰে । মূল সভাৰ কাৰ্য্যক্ৰমণিকাত মেলামুখীতাৰ কোনো প্ৰভাৱ নাই ।

+

*সাক্ষাৎগ্ৰহণত—শ্ৰীৰঞ্জিত ফুকন ।*
*সহযোগত*
*শ্ৰী প্ৰভাত কুমাৰ বৰুৱা ।*

ইংৰাজী ভাষাৰ জৰিয়তে 'ইজৰাইল'' কিম্বা পৃথিৱীৰ প্ৰত্যেকখন দেশৰ বিষয়ে জানিবলৈ কিতাপ আছে । সেই বুলি আমাৰ অসমীয়া ৰাইজৰ বাবে দেশ বিদেশৰ কথা জানিবলৈ কিতাপ আছে জানো ? প্ৰত্যেক অসমীয়াৰে নিজমানুহৰ প্ৰতি এক কৰ্ত্তব্য আছে, এইবাৰ কথা বিস্মৃত হলে কাৰো কল্যাণ হ'ব নোৱাৰে ''

— হেম বৰুৱা




মোৰ দৃষ্টিত পাৰ্থিৱ হওক অথবা
আধ্যাত্মিক হওক, এটা বিশেষ
ঘটনাৰ বৰ্ণনাই চুটিগল্প ।
আৰু, সেই ঘটনাক তাৰ বিস্তাৰৰ বাবে
অপ্ৰয়োজনীয় অবান্তৰ অৱতাৰণা
নকৰাকৈ নাটকীয় সংহতি দিব পৰাতেই
চুটিগল্পৰ সফলতা ।

— চমাৰছেট মম —




শ্ৰীগোলাপ গগৈ ।
একাদশশ্ৰেণী (কলা)

প্ৰকাণ্ড অট্ৰালিকাটোৰ ওপৰ মহলাত নিয়াৰিকৈ সজোৱা পঢ়া কোঠালীটোত সোমায়ো সত্যেন চৌধুৰীয়ে পঢ়াত মনোযোগ দিব পৰা নাই। শ্বেক্সপীয়েৰৰ ওথেলো নাটকৰ প্ৰথম অংশটোত চকু ফুৰায়ো চৌধুৰীয়ে একোকে ধৰিব পৰা নাই। আহত সৈনিকৰ দৰে তেওঁৰ ভিতৰৰ মানুহটো চট্‌ফটাই আছে। তেনেতে তেওঁৰ বিশ্বাসী লগুৱা ভোলাকায়ে চাহ একাপ দি গ'ল। ভোলাকায় ওলাই যোৱাৰ লগে লগে চৌধুৰী অধিক চিন্তাক্লিষ্ট হৈ পৰিল। মনতে ভাবিলে কোনে জানে এই বিশ্বাসী ভোলাকায়ে এদিন তেওঁৰ ভিতৰুৱা সকলো কথা মানুহৰ মাজত প্ৰচাৰ কৰি দিব পাৰে, তেওঁৰ ভীষণ অন্যায় কৰিব পাৰে। তেওঁৰ চাহ বাগিচাত কাম কৰা ৰতনে তেওঁৰ বিৰুদ্ধে অ'ত তত কৈ ফুৰা কিছুমান কথা চৌধুৰীৰ কাণত নপৰা নহয়। ৰতনে হেনো বণুৱা সকলক সিহঁতৰ ন্যায্য প্ৰাপ্ত আদায়ৰ বাবে উচটাই ফুৰিছে। তেওঁ মনতে ভাবিলে কোনোৰে নজনাকৈ ৰতনক ঘৰলৈ মাতি আনি এশিকনি দিব নেকি? এই বিৰাট চৌহদটোত তেওঁৰ বিৰুদ্ধে থিয় দিব পৰা ক্ষমতা আছে কাৰ? এবাৰ ভাবিলে ৰতনক গুলীয়াই এই পৃথিৱীৰ পৰা আঁতৰাই পঠিয়াব নেকি? কিছু সময়ৰ বাবে সত্যেন চৌধুৰীৰ মনত নানা চিন্তাই পাক ঘুৰণি খাবলৈ ধৰিলে।

কিছুদিনৰে পৰা চৌধুৰীয়ে লক্ষ্য কৰি আহিছে যে তেওঁৰ বাগানত কাম কৰা বনুৱা সকল অথবা এই অঞ্চলৰ যি কোনো লোকেই যথেষ্ট সচেতন হৈ পৰিছে। অন্যায় অবিচাৰৰপ্ৰতিবাদ সমুখত কৰিব নোৱাৰিলেও তাৰ বাবে সাজু হবলৈ ধৰিছে। অৱশ্যে দুই এজনে সমুখতে প্ৰতিবাদ কৰাৰ সাহসকনো গোটাইছে। তেওঁ এবাৰ ভাবিলে ৰতনক ঘৰলৈ মাতি পঠিওৱা কথাটো ভাল নহব। তদুপৰি তেওঁ মাতিলেই বুলি জানো ৰতন আহিব! নাহিবও পাৰে। সেইদিনাখন বোলে তেওঁৰ বিশ্বাসী মহৰি হৰকান্ত দাসে তাক চৌধুৰীয়ে মতা বুলি কওঁতে মহৰীৰ ফালে বোলে যেনেকৈহে ঘোপাকৈ চাইছিল। জীৱনত কোনো সমস্যাকে গুৰুত্ব নিদি মদ আৰু গাভৰুক লৈ ব্যস্ত থকা সত্যেন চৌধুৰী আজি কিং কৰ্ত্তব্য বিমূঢ় হৈ পৰিছে। বাগিছাৰ বনুৱা সকলেও ভালকৈ কাম নকৰা হৈছে। অনুশোচনাৰ জুইকুৰাই যেন তেওঁক দাউ দাউকৈ পুৰি মাৰিব ধৰিছে। আৰামী চকীখনত গোটেই গাটো এৰি দিও যেন তেওঁ আজি ভীষণ কষ্ট অনুভৱ কৰিছে।

লাহে লাহে তেওঁৰ মনৰ পৰ্দাত ভাহি উঠিবলৈ ধৰিলে তেওঁৰ বিগত দিনবোৰৰ কথা। যৌৱনৰ উন্মাদনাত কৰা কুকৰ্মবিলাক তেওঁৰ মানসপটত আজি ভাহি উঠিছে। ৰশ্মিৰ পেতাআটোৱে যেন তেওঁৰ ডিঙিত চেপি ধৰিবৰ উপক্ৰম কৰিছে। বাঘৰ দৰে মুখ মেলি থকা চৌধুৰীৰ শূণ্য বিৰাট অট্ৰালিকাটোৱে যেন তেওঁকেই উপহাস কৰিছে। এনেকৈয়ে নানা ভাৱৰ চাকনৈয়াত পাক খাই থাকোতে বাহিৰত কাৰোবাৰ চিঞৰত চৌধুৰীৰ তন্দ্ৰা ভাঙিল। খিৰিকীৰে বাহিৰলৈ চাই দেখে সেইটো বোধন পাগল। বোধনে চৌধুৰীৰ বিৰাট অট্ৰালিকাটোৰ

ফালে চাই কিবা কিবি বলকি তাৰ পৰা আতঁৰি গ'ল। বোধন আতঁৰি যোৱাৰ পিছত তেওঁৰ যেন এনে লাগিল তেওঁক আগন্তুক বিপদৰ কিবা এটা সঙ্কেত্ দি গল।

চৌধুৰীয়ে আজি ভালকৈয়ে বুজি পাইছে বোধন পাগলৰ মুখত সেইয়া কিহৰ ইঙ্গিত। বোধনৰ উত্তপ্ত চকুজুৰি জুইৰ আঙঠা যেন হৈ তেওঁৰ চকুৰ আগত জিলিকি উঠিল। বোধনে কিয় এনেকৈ ৰাস্তাই ৰাস্তাই বলকি ফুৰিব লগা হ'ল? আৰু ৰশ্মি? ৰশ্মিয়ে কিয় আত্মহত্যা কৰিলে? কিয়? কিয়??

সত্যেন চৌধুৰীৰ আজি হঠাতে মনত পৰি গ'ল সেই দিনটোলৈ। সেইদিনা মধুপুৰ চাহবাগিচাত ভাওনা এখন পতা হৈছিল। বোধন, মনচুৰ আৰু কেইজন মান ডেকাই ভাওনাৰ যো—জা কৰিছিল। চিন্তাত চৌধুৰী মানুহজন ঘামি পৰিছিল।

ভাওনা পতা কথাটো গমপাই বাগানত কাম কৰা লৰা, তিৰোতা কাৰো গাত ততনোহোৱা হ'ল। বোধনহঁতে ভাওনাৰ বচন মুখস্থ কৰাত লাগি গ'ল আৰু ৰশ্মি, সোণপাহীহঁতে ভাওনাৰ দিনটোৰ কাৰণে আশাৰে বাট চাই ৰ'ল। সিহঁতৰ মনত অপাৰ আনন্দ। কিমান দিনৰ মূৰত যে বাগানত ভাওনা এখন হব। কেইজনমান উৎসাহী ডেকা ল'ৰাক কাম কৰিবলৈ বাছি দিয়া হ'ল। সিহঁতক দায়িত্ব দিয়া হ'ল, যাতে সকলো কাম সুচাৰুৰূপে চলি যায়। সময় নিচেই তাকৰ। মাজতে মাথোন এটা দিন। গতিকে দিন-ৰাতিৰ ব্যৱধান নোহোৱাকৈ সিহঁতে কাম কৰিছে। মালিক আৰু মেনেজাৰ দুয়ো পক্ষৰ পৰা ছুটি মঞ্জুৰ কৰা হল।

মালিক সত্যেন চৌধুৰীক ভাওনা চাবলৈ নিমন্ত্ৰণ কৰা হ'ল। সময়ত সকলো কাম সুচাৰুৰূপে শেষ হ'ল। ভাওনাৰ দিনাখন আবেলিতেই চৌধুৰী বাগিচাত উপস্থিত হ'ল। বোধনহঁতে ভাওনাৰ কাম আৰম্ভ কৰিবলৈ খৰখেদা লগালে। ৰশ্মিয়ে যিমান পাৰে সিমান নিজকে ধুনীয়াকৈ সজাই ভাওনা স্থলীলৈ ওলাই আহিল। তাই আকাশী ৰঙৰ শাৰী এখন পিন্ধিছে। এনেয়ে ৰশ্মি বাগানৰ ভিতৰতে ধুনীয়া। তাতে আকাশী ৰঙৰ শাৰীখনে তাইক বেছি ধুনীয়া কৰি তুলিছে। তাত গোটখোৱা প্ৰায়বোৰ মানুহৰে চকু তাইৰ ওপৰত। আৰু চৌধুৰী চাহাবৰ চকু দুটা ৰশ্মিৰ ফালে অলপ বেছিকৈয়ে গল।

কামৰ ব্যস্ততাৰ মাজতো বোধনে এবাৰ ৰশ্মিলৈ চালে সি যেন তাইৰ দেহত আজি নতুন ৰূপ দেখা পাইছে। ৰশ্মি আৰু বোধনৰ অলপতে বিয়া হোৱাৰ কথা।

সময়মতে ভাওনা আৰম্ভ হল। ৰুক্মিণী হৰণ নাটকত শ্ৰীকৃষ্ণৰ ভাওত বোধনক যে কিমান ধুনীয়া দেখাইছে। ৰশ্মিৰ বোধনলৈ চাই বৰ ভাল লাগিল। ৰাতি দহমান বজাত ভাওনা শেষ হল। সকলো দিহা-দিহি গুচি গল। বোধন, ৰাজেন, মনচুৰহঁত কিন্তু বস্তুবাহিনী ঠিকঠাক কৰাত ব্যস্ত হৈ থাকিব লগীয়া হৈছিল।

মেনেজাৰৰ কোৱাটাৰৰ এটা কোঠালীত সত্যেন চৌধুৰীক থাকিবলৈ দিয়া হৈছিল। ভাওনা চাই থকা সময়তো ৰশ্মিৰ দেহ উপভোগ কৰা লোভত চিকাৰী কুকুৰ নিছিনা তেওঁৰ মন কিলবিলাই আছিল। গতিকে মনৰ কু অভিপ্ৰায় দমাব নোৱাৰি মহৰি হৰকান্ত দাসৰ হতুৱাই ৰশ্মিক তেওঁৰ কোঠালৈ মতাই আনিছিল। সেইদিনা অসহায় ৰশ্মিৰ কেঁচামঙহৰ সোৱাদ লৈ পিছদিনা ৰাতি পুৱা তেওঁ তাৰ পৰা নিজ ঘৰলৈ গুচি আহিছিল। সেইদিনাই আবেলি তেওঁ শুনিবলৈ পাইছিল যে ৰশ্মিয়ে আত্মহত্যা কৰিছে। ৰশ্মিৰ মৃত্যুৰ পিছৰ পৰা বোধনৰ মুৰৰ বিকৃতি ঘটিছে।

চৌধুৰীৰ আজি ভালকৈয়ে মনত পৰিছে সেইদিনা নিশা ৰশ্মিয়ে কেনেকৈ অসহায় ভাবে হিয়া ধাকুৰি কান্দিছিল। এইবাৰ চৌধুৰীৰ মানস পটত ভাহি উঠিল আৰু এক নাৰীমুৰ্ত্তি। সেই মুৰ্ত্তিটোৱে যেন তেওঁৰ মনৰ মাজত নাচিবলৈ ধৰিলে। সেইজনী হৈছে চম্পা। চম্পা ৰতনৰ ঘৈণীয়েক। ৰতন আৰু চম্পা দুয়ো একেখন গাৱঁৰে। দুয়োখন ঘৰত খুব ঘনিষ্ঠতা আছে। সেই কাৰণে ৰতনে চম্পাহঁতৰ ঘৰলৈ প্ৰায়ে যায়। লাহে লাহে চম্পা আৰু ৰতনৰ মাজৰ সম্পৰ্কও অতি মধুৰ হৈ উঠিছিল। দুয়োৰো দেহত যৌৱনৰ খলকনি উঠিছিল আৰু ইজনে সিজনক নেদেখিলে থাকিব নোৱাৰা হৈছিল। সময়ত দেউতাকৰ অনুমতি বিচাৰিলে। দুয়োখন ঘৰৰ পৰা আপত্তি উঠাত হতাশাত সিহঁত দুটাৰ মন ভাঙি পৰিল; কিন্তু ভালপোৱা নামৰ নৈ খনে কোনো বাধা বিঘিনি নামানি সদায় বৈ থাকিবলৈ বিচাৰিলে। ৰতন আৰু চম্পা এদিন কোনোৱে নজনাকৈ গাৱঁৰ পৰা গুচি আহিছিল এই বাগানলৈ।

ইয়াত সিহঁতে চৌধুৰী চাহাবৰ বাগিছাত কাম বিচাৰিলে। কিন্তু মহৰীয়ে চৌধুৰীৰ ঘৰতে কাম কৰা মানুহৰ প্ৰয়োজন থকা কাৰণে সিহঁতক চৌধুৰী চাহাবৰ ঘৰলৈ পঠিয়াই দিলে। কোৱামতেই ৰতন আৰু চম্পা সত্যেন চৌধুৰীৰ ঘৰত উপস্থিত হ'লহি বহুতো আশাভৰা কল্পনালৈ। চৌধুৰীয়ে বিৰাট অট্টালিকাটোৰ ওচৰত থকা জুপুৰী ঘৰটোত সিহঁত দুটাক ঠাই দিলে।

সত্যেন চৌধুৰীৰ পত্নী বৰ্ণালী চৌধুৰী বৰ মৰমিয়াল। তেওঁ চম্পাক বৰ মৰম কৰে। গাৱৰ সহজ সৰল ছোৱালী চম্পাই চৌধুৰীৰ মৰম আদায় কৰি নিজকে কৃতাৰ্থ মানি তেওঁলোকৰ ঘৰৰ সকলো কাম নিয়াৰিকৈ কৰে। ৰতনে চৌধুৰীৰ ফুলনিখন চোৱাচিতা কৰাৰ ওপৰিও অইন কামো কৰিছিল।

দিনৰ দিনটো ওৰণিৰে মুখখন ঢাকি চম্পাই চৌধুৰী চাহাবৰ ঘৰত টাকুৰি ঘুৰাদি ঘুৰি কাম কৰে। চম্পাৰ অপৰূপ ৰূপ চৌধুৰীৰ চকুত নকৰাকৈ নাথাকিল। তাইৰ ৰূপৰ জুইয়ে যেন তেওঁৰ চকুত চমক লগাই দিলে। চম্পাৰ ৰূপ দেখি চৌধুৰী কামাতুৰ হৈ পৰিল। বহুতো অজলা অবলা গাভৰুক কৰাৰ দৰে চম্পাৰো কেচা মঙহৰ স্বাদ লবলৈ বাট চাই থাকিল।

বৰ্ণালী চৌধুৰী দুই তিনি দিনৰ কাৰণে বাইদেউৰেক-হঁতৰ ঘৰলৈ গৈছিল। এই কেইদিনতে চৌধুৰীৰ সুযোগ ওলাল। এদিন আবেলি পৰত অকলসৰে বহি থকা চেধুৰীৰ কোঠালৈ চম্পাই হাতত চাহ একাপ লৈ সোমাই আহিল। চাহ একাপ মেজত থৈ ওলাই আহিব খোজোতেই তেওঁ কিবা কোৱাৰ ছলেৰে তাইক ওচৰলৈ মাতি নিলে। চম্পাই আগুৱাই গৈও ভয়তে দুখোজ পিছুৱাই আহিল "কি হ'ল, বৈ, গলি যে! আহচোন কাষচাপি ভয় খাইছ কেলেই? মই তোৰ একো অন্যায় নকৰো নহয়। ভয় কৰিবলৈ কিটো আছে?

মৰম সানি কোৱা চৌধুৰীৰ কথাত গাৱঁৰ সৰল ছোৱালী ভোল গৈ আগবাঢ়ি যোৱাত তেওঁ তাইৰ হাত এখনত খাপ মাৰি ধৰি কলে "তই বৰ ধুনীয়া অ'। চম্পাই চৌধুৰীৰ হাতৰ পৰা এৰুৱাই আহিবলৈ বহুত চেষ্টা কৰিলে আৰু নানা কাকুতি মিনতি কৰিলে তাইক এৰি দিবলৈ। কিন্তু তাইৰ সকলো চেষ্টা বিফল হ'ল। চিকাৰিৰ ওপৰত জপিয়াই পৰা কুকুৰৰ দৰে চৌধুৰীয়ে কামনা পুৰণ কৰিবলৈ উদ্দ্যত হ'ল। ঠিক তেনেতে ভোলাকায়ে কাহএটা মাৰি ভিতৰ সোমাই আহিল। এই সুযোগতে চম্পাই চৌধুৰীৰ হাতৰ পৰা এৰুৱাই কোঠালিটোৰ পৰা ওলাই লৰ দিলে।

ঘটনাটো ৰাষ্ট্ৰহওঁতে বেছি সময় নালাগিল। উৰণ সিকাণকৈ গোটেইখন বিয়পি পৰিল। কথাটো বৰ্ণালী চোধুৰী আৰু ৰতনৰ কাণতো পৰিল। ৰতনে চম্পাৰ উপৰত অত্যাচাৰ আৰম্ভ কৰি দিলে। মাত্ৰ দুটি প্ৰাণীৰে এই সুন্দৰ সুখৰ সংসাৰ প্ৰজ্বলত জুই লাগিল। তাৰ কেইদিনমানৰ পাছতে ৰতনে চম্পাক খেদি দিলে আৰু সি নিজেও চৌধুৰী চাহাবৰ ঘৰৰ পৰা ওলাই গ'ল। ইয়ানদিনে নিজৰ স্বামীৰ কুকৰ্মৰ কথা শুনি শুনি বৰ্নালী বৰ অতীষ্ট হৈ পৰিছিল। এইবাৰ সহ্য কৰিব নোৱাৰি মাকৰ ঘৰলৈ গুচি গ'ল।

এই ঘটনা সম্পৰ্কে চৌধুৰীৰ সমুখত কাৰো একো কোৱাৰ সাহস নহল। অৱশ্যে দুই এজনে তেওঁৰ কাণলৈ চাই অৰ্থপূৰ্ণ হাঁহি মাৰে। ৰতনে চম্পাক খেদি এতিয়া অনুতপ্ত হৈ পৰিল। চৌধুৰীক দেখিলেই তাৰ গাটো দপ দপকৈ জ্বলি উঠে। সকলোতে চৌধুৰী দুৰ্নাম গাই ফুৰে। চৌধুৰী চাহাবৰ বাগিচাৰ নতুন মেনেজাৰ প্ৰথম বাবুৱে ৰতনক ভালকৈ বুজাই দিছে যে চম্পা আচলতে নিৰ্দ্দোষী আছিল। ৰতনে এতিয়া ভালকৈয়ে বুজি পাইছে যে সমাজত মাত্ৰ দুটাই শ্ৰেণী আছে এটা হৈছে ধনী আৰু আনটো হৈছে দুখীয়া। ধনী শ্ৰেণীটোৱে যুগে যুগে দুখীয়া সকলৰ ওপৰত অত্যাচাৰ উৎপীড়ন কৰি আহিছে। সেই শোষণ কৰি শত্ৰু সকলৰ নিৰ্মূল কৰিব পৰা সাহস এতিয়া ৰতনৰ মনলৈ আহিছে। এতিয়া প্ৰতি মুহূৰ্ত্তে তাৰ চম্পাৰ ওপৰত অত্যাচাৰ কৰা বেইমান চৌধুৰীৰ ওপৰত প্ৰতিশোধ লোৱাৰ তীব্ৰ প্ৰৱনতা জাগি উঠে। এইবোৰ কথাকে ভাবি সত্যেন চৌধুৰীয়ে যন্ত্ৰণাত চটফটাই উঠিল। ৰতনৰ সাহসৰ কথা আৰু বোধন পাগলৰ মুখৰ ইঙ্গিতৰ কথা ভাবি তেওঁৰ গাটো শিয়ৰি উঠিল "নহয়, নহয়, যিকোনো প্ৰকাৰে ৰতনৰ মুখখন বন্ধ কৰিবই লাগিব; নহলে গোটেই বনুৱা বোৰকে তেওঁৰ বিৰুদ্ধে উচতাই কৰিব। চৌধুৰীৰ ভাৱৰ বুৰবুৰণি শেষ নোহঁওতেই ৰতন আহি তেওঁৰ সন্মুখত থিয় দিলে। ৰতনে বিনা অনুমতিত একেবাৰে তেওঁৰ কোঠালিত

(৩৮ পৃষ্ঠাত চাওক)

# অপেক্ষা

**মনমন্দিৰ কৌৰ**
স্নাতক, ২য় বাৰ্ষিক
(কলা)

১৪ নৱেম্বৰ, আজি বাতিপুৱাৰ পৰাই মনটো বৰ ভাল লাগি আছে। কাৰণ সম্পূৰ্ণ দেড় বছৰৰ মূৰত নলেগলে লগা বান্ধৱী প্ৰিয়া আমাৰ ঘৰলৈ আহিব। কিমান যে ভাল লাগিব তাৰ অনুমান মই নিজেই কৰিব পৰা নাই। কিমান যে সুখ-দুখৰ লগত জড়িত পুৰণি স্মৃতিবোৰ ৰোমন্থন কৰিব পাৰিম। সঁচাকৈ প্ৰিয়াক মই এজন প্ৰেমিকৰদৰে ভাল পাই পেলাইছিলো। কোনো কথাই লুকুৱাই ৰখা নাছিলো। আমাৰ বন্ধুত্বৰ কথা প্ৰকৃততে চকুত পৰিছিল। বহুতে ঈৰ্ষাৰ চকুৰে চাইছিল আৰু বহুতে প্ৰশংসাও কৰিছিলে। আমি কিন্তু এইবোৰত একেবাৰে আওকাণ কৰি ব্যস্ততাৰ মাজেৰে পাৰ কৰিছিলো অমূল্য দিনবোৰ। ক'ত সপোনৰ যোগ-বিয়োগ, পূৰণ হৰণ কৰাৰ স্মৃতিবোৰ ব্যক্ত কৰাৰ একমাত্ৰ বান্ধৱীকি লগ পোৱাৰ যি পৰম সুখ তাক আজি মই উপলব্ধি কৰিবলৈ সক্ষম হৈছিলো। শুই উঠাৰ পৰা আজিৰি পোৱা পৰলৈকে সময়বোৰ কোনোমতে পাৰ কৰি বৈ থাকিলো প্ৰিয়াৰ বাবে।

অলপ সময় অপেক্ষা কৰাৰ পিছত তাই আৰু মাক আহি পালেহি। বাঃ জিনা, বুলি প্ৰিয়াই একে দৌৰে আহি মোক জোৰেৰে সাৱটি ধৰিলে। মই তাইক একেবাৰে ভিতৰৰ কমলৈ টানি নিলো। দুয়ো বিচনাত বহি পৰিলো। তাৰ পিছত সুধি গলো, বিয়াখন কেনেকৈ ঠিক হ'ল? কহিতক কেনেকৈ লগ পালি? ঘৰ ক'ত? বৰ্ত্তমান কি কৰে ইত্যাদি। প্ৰিয়াই একেবাৰে মোৰ মুখলৈ চাই ৰল। প্ৰশ্ন সুধা শেষ হোৱাত তাই জোৰেৰে হাঁহি হাঁহি ক'লে আৰু কিবা সুধিবিনে? তোৰ ইমানবোৰ প্ৰশ্নৰ উত্তৰ কোন ফালৰ পৰা আৰম্ভ কৰিম। মইও তাইৰ লগতে হাঁহিত যোগ দিলো। অলপ সময়ৰ মৌনতাৰ পিছত প্ৰিয়াই ধৰ সমতনে কৈ গল। কহিতক তাই কলেজৰ স্নাতক অনুষ্ঠানৰ শেষ বাৰ্ষিকত লগ পাইছিল। প্ৰথম চিনাকিত দুয়ো সহজ হব পৰা নাছিল। পিছত লাহে লাহে ইমান ঘনিষ্ঠতালৈ নামি যাব বুলি ভবা নাছিল। এদিন হঠাতে কহিতে বিয়াৰ প্ৰস্তাৱ দিলে। তাই বৰ আচৰিত হৈছিল। স্নাতক পৰীক্ষাৰ ফলাফল দিয়াই নাই। চাকৰিৰ কথা চিন্তা নকৰি প্ৰথমেই বিয়াৰ কথা ভবাতো জানো উচিত হব। তাই পোনে পোনে আপত্তি জনোৱাত কহিতে কলে যে চাকৰিৰ বাবে বৈ থকাৰ ধৈৰ্য্য তাৰ হেনো নাই। দেউতাকৰ ব্যৱসায় ইমান বেছি যে ঘৰতে এনেয়ে বহিয়েই খাব পাৰে, গতিকে সি দেউতাকৰ লগত ব্যৱসায়তহে নামিব খোজে। তাৰ উত্তৰত প্ৰিয়াৰ কবলগা একো নাছিল, আৰু সোনকালেই মানে একেবাৰে কম সময়ৰ ব্যৱধানত বিয়াখন ঠিক হৈ গল। প্ৰিয়াৰ কথাবোৰ শুনি ৰবী আৰু আকিলৰ সম্পৰ্কবোৰ কেনেকৈ অতিবাহিত হ'ল ধৰিবই নোৱাৰিলো। তাৰ পিছত পুনৰ কলেজৰ দিনবোৰলৈ ঘূৰি আহিবলৈ চেষ্টা কৰি মই সুধিলো ৰাজেন বৰ্তমান ক'ত থাকে তই বাৰু জানি পাইছনে? মোৰ প্ৰশ্ন শুনি প্ৰিয়াই আচৰিত হৈ মোলৈ চাই কলে, তই বাৰু এতিয়াও ৰাজেনক পাহৰিব পৰা নাইনে? মই একো নকৈ উলমূৰ কৰিলো। ৰাজেনৰ প্ৰতি থকা মোৰ দুৰ্বলতা খিনি ধৰা পৰি যোৱাত মই বৰ লাজ পালো। নলে-গলে লগা বান্ধৱী হলেও প্ৰিয়াই প্ৰথমতে পৰা ৰাজেনৰ প্ৰতি থকা মোৰ দুৰ্বলতাক প্ৰত্যাখ্যান কৰি আহিছে। তাৰ প্ৰকৃত কাৰণ হ'ল ৰাজেনে মোক কেতিয়াও এই বিষয়ে একো কোৱা নাছিল আৰু মইয়ো মোৰ মনৰ কথা প্ৰকাশ কৰা নাছিলো মাত্ৰ লৰা ছোৱালীয়ে মাকৰ আগত কন্দাৰ দৰে মইও কান্দিছিলো বহুবাৰ প্ৰিয়াৰ ওচৰত। মোৰ মনত পৰি গল ৰাজেনৰ লগত প্ৰথম চিনাকি হোৱা কথা। সেইদিনা মোৰ আৰু প্ৰিয়াৰ কলেজৰ প্ৰথম দিন। গতিকে কলেজৰ পৰিবেশৰ লগত সহজ হব নোৱাৰি দুয়ো বহি আছিলো এচুকত এনেতে এজন সুন্দৰ ডেকা আমাৰ কালে আগবাঢ়ি আহি সুধিলে—

—অনুগ্ৰহ কৰি প্ৰথম বাৰ্ষিক বাণিজ্যৰ কম কোনটো কবানে? আমি দুয়ো দুয়োৰে মুখলৈ চাই হাঁহিলো। তাৰ পিছত প্ৰিয়াই কলে আমি আজি কলেজলৈ প্ৰথম

তিনিঘণ্টা সময় চাইকেল মৰাৰ পাছত মই গৈ ঘৰৰ পদুলি মুখ দেখিছিলোগৈ। পদুলিমুখ পায়েই দেখো ঘৰৰ পিৰালিত তিৰোতা কেইগৰাকীমান আৰু পুৰুষ কেইজনমান বহি আছে। তেওঁলোকক দেখি মোৰ বুকুখন চিৰিং কৈ কঁপি উঠিল ভাবিলো মাৰ নহয়া চাগে টান। খৰ খেদাকৈ সোমাই গৈ চোতালৰ কাষৰ জেওৰাত চাইকেলখন আওঁজাই থৈছো।

মানুহবোৰে মোক বৰকৈ চাব ধৰিলে। মই তেওঁলোকক উপেক্ষা কৰি সুধিলো কি খবৰ........মায়ে গা ভাল পাইছে নে......? মোক মানুহবোৰে প্ৰশ্নবোধক দৃষ্টিৰে চাবলৈ ধৰিলে। মানুহবোৰৰ মুখত মাত সৰিল।

তেনেতে ভিতৰৰ পৰা ভন্টী দৌৰি আহি মোৰ গাত সাবটি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে ককাইদেউ মায়ে আমাক এৰি থৈ গুচি গল। লগে লগে মোৰ হিয়াওঁ কান্দি উঠিল। মই ৰব নোৱাৰা হৈ পৰিলো হিয়া ভুকুৰাই কান্দি কান্দিয়েই মাৰ মৃতদেহ বিছাৰিলো। কিন্তু মৃতদেহো নাই আগদিনাই মাৰ মৃতদেহ চিতাত জ্বলি ছাই হৈ গ'ল। তাৰ পাছত মই পাগলৰ দৰে হৈ গৈছিলো। সকলো মানুহে মোক ধৰি ৰখাব পৰা নাছিল। অলপ শান্ত হৈ আকৌ মই মাৰ চিতালৈ বুলি আলোচনীখন লৈ নদীৰ পাৰলৈ দৌৰিছিলো। মাৰ চিতাৰ ছাইৰ ওপৰত আলোচনীখন থৈ মই চিঞৰি চিঞৰি কান্দি কান্দি কৈছিলো। মা মোৰ বাবে তুমি আৰু এটা দিন ৰব নোৱাৰিলা। লোৰা চোৰা তোমালৈ মই কি আনিছো। মোৰ আলোচনী পঢ়িম বুলি কৈছিলা কিয় তুমি গুচি গলা, মা......... ।

মই কান্দি কান্দি বাগৰি পৰিছিলো তাৰ পাছত মোক তাৰ পৰা সকলোৱে ধৰি তুলি আনিছিল। কিন্তু আলোচনী খন মই মাৰ চিতাৰ ছাইৰ ওপৰত সযতনে থৈ আহিছিলো। তেতিয়া কলা মেঘে আকাশখন ঢাকি পেলাইছিল। বতাহৰ হোঁ হোৰনি শব্দই মোৰ কাণ খন অৱশ কৰি পেলাইছিল। ৰঞ্জন, অফিচাৰ আহিছে.............................।

+

তুমি জানো জানা
অকলে গুই গুই উচুপি উচুপি কটোৱা
এটা নিশা কিমান দীঘল হ'ব পাৰে ?
—সেনাপতি মিচিংচুনাৰ মাত

বন্ধৰ দিন হিচাবে দেওবাৰটোত দৈনন্দিন কামবোৰৰ গতানুগতিক ৰুটীনখনৰ অলপ হলেও সালসলনি ঘটে । এইটো নীতি আটাইবোৰ স্কুলীয়া আৰু কলেজীয়া লৰাছোৱালীৰ ক্ষেত্ৰতে প্ৰযোজ্য । মোৰ ক্ষেত্ৰত কিন্তু এইটো মাত্ৰাতকৈ অলপ বেছি হয় । কাৰণ এটা সপ্তাহ পুৰা হৈ দেওবাৰ নৌপাওঁতেই ঘৰটোত আলিবাটৰ গাড়ীবোৰে জাপি দিয়া ধুলি আৰু

পাওঁতেই দেখোঁ পহুলিমুখত খুৰাদেউ মানে আমাৰ দেউতাৰ দূৰ সাম্পৰ্কীয় ভায়েকজন হাজিৰ ।

তেখেত প্ৰায়ে সপ্তাহ বা পষেকৰ মূৰত নাহিলেও মাহেকৰ মূৰত ওলায়হিয়েই । আহিয়েই পোনেই কয় যে বহুতদিন খা—খবৰ পোৱা নাই বাবে কেনে আছা খবৰ লবলৈ আহিলো । (?) অৱশ্যে এইটো এটা




শ্ৰীআভা বৰদলৈ ।
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

মকৰাজালৰ ভিৰ যথেষ্ট হয় । গতিকে ৰাতিপুৱা উঠি চাহকাপ খোৱাৰ পাছত মোৰ দেওবাৰৰ দিনটোৰ কাম হল অন্ততঃ এসপ্তাহলৈ ঘৰটো অলপ ঘঁৰমুৱা কৰি ৰখা । আজিও সেই উদ্দেশ্যেৰেই সাতটা বজাৰ লগে লগে চাহখোৱা, বিচনা পৰা পৰ্ব সামৰিয়েই মূৰত টাৱেলখন মাৰি ঝাড়ুটো লৈ আগফালৰ বাৰান্দা

নিয়মিত বাক্য । কাৰণ খবৰ বাতৰি অনবৰতে ছুৱোখন ঘৰতে অন্যকোনো চিনাকী মানুহৰ সহায়তো লৈ থকা হয় । সেই কাৰণে খুৰাদেৱে বাক্যটো আৰম্ভ কৰিলেই ভাইটিয়ে কয়, (অৱশ্যে তেখেতে নুশুনাকৈ) "ভুল হৈছে । আচলতে হব লাগিছিল, আমাৰ ঘৰত

নতুনকৈ জমা হোৱা বিলাসিতাৰ আধুনিক সৰঞ্জামখিনি তোমালোকে দেখা নাই বাবে কৈ যাবলৈকে আহিলো।" মায়ে লগে লগেই তাক ধমকি দিয়ে আৰু আমি হাহোঁ ।

আজিও সাধাৰণতে চিঞৰাৰ দৰেই তেখেতক দেখা মাত্ৰকে মই, মা আৰু দেউতাক একেলগে চিঞৰিলো "অ' মা অ' দেউতা, খুৰাদেউ আহিছে" । খুৰাদেৰেও সমানে হাঁহি (হাঁহিটো ঠিক কুটিল নে জটিল নাজানো) হ'ব হ'ৰ, চিঞৰিব নালাগে, বুলি কৈ কৈয়েই ড্ৰয়িংৰুমেদিয়েই পিছফালৰ বাৰান্দা পালেগৈ । পিছে পিছে মযো ভাইটি ইমান সময় ক'ত আছিল নাজানো । মোৰ পিছতে সিও গৈ খুৰাদেউৰ ওচৰত বহিলগৈ । ইতিমধ্যে বন্ধৰ দিনটোৰ ৰুটীনখনত বিৰতিৰ চিন এটা দি থৈ মা আৰু দেউতাও শাকনি বাৰীৰ পৰা ওলাই আহিল । খুৰাদেৰে হৈ হাল্লা কৰিয়েই একালৰ পৰা বাতৰি সুধিও গ'ল আৰু নিজৰ ফালৰবোৰ দিও গল । মই আৰু ভাইটিয়েহে দুটা খুটাৰ আঁৰ লৈ মুখ টিপি হাঁহি হাঁহি কথাবোৰ শুনি থাকিলো । মায়ে দুটা এটা কথাৰে কুশল বিনিময় কৰি আমাৰ দুটালৈ ঘোপা চকুৰে চাই ইতিমধ্যে ৰান্ধনী ঘৰলৈ খোজ ললে । দুখন আৰামী চকীত মুখামুখিকৈ বহি লৈ দেউতা আৰু খুৰাদেউৰ বাৰ্ত্তালাপহে ক্ৰমে মুখৰ আৰু ৰসাল হৈ আহিবলৈ ধৰিলে । প্ৰথমে খুৰাদেউৰেই পাতনি মেলিলে "ককাইদেউহঁতৰ কিজানি আমাৰ ঘৰৰফালে যাবলৈ সময়েই নোহাৰা হ'ল । দেউতাই কিবা উত্তৰ দিয়াৰ আগতেই পুনৰ সমাধান—" এইবাৰ মাঘৰ বিহুতে ওলাওক । তুৰাতিমান থককৈ। ডাঙৰকৈ শাকনি বাৰী এখন কৰিছো । কবি, মূলা আলু, লাই, লফা উভৈনদী । খাব নোৱাৰাকৈ হৈছে । মুঠতে আপোনালোকৰ বাৰীখন চায়েই হেঁপাহ পলাই যাব।" দেউতাই হা-না কৰিবলৈ নৌপাওঁতেই পুনৰ প্ৰশ্ন "অ, ইয়াত মাছৰ কেজি কিমান? আমাৰ তাত মাগুৰ মাছৰ কেজি ৪০ টকা হৈছে । কালি আমাৰ ঘৰৰ কাষৰ দত্তই লৈছে— ১৫০ টকাৰ অকল মাগুৰ মাছেই । মই সিদিনাখন কান্ধুলি মাছ নিছো কিলোত ১৫ টকাকৈ । এককিলো এসাজতে শেষ" দেউতাই আচৰিত হৈ কিবা এটা কব খোজোতেই নিজেই অনৰ্গল কৈ গৈছে— "কিনো কব, লৰা ছোৱালীকেটাই মাছ ভজাৰপৰাই ৰান্ধনীঘৰত বহি আছে আৰু প্ৰত্যেকেই দুটা তিনিটাকৈ খাই আছে । (অত্যাধিক মৰমৰ ফল আৰু খুৰাৰ নিজৰ গৌৰৱ) মাকে ৰান্ধিলে বৰ দিগদাৰী নকৰে, কিন্তু মই ৰান্ধিলে (খুৰাদেউৰ ৰন্ধা বঢ়াৰ প্ৰতি দুৰ্বলতা আছে বুলি জানো) ডাঙৰ ছেৱালীজনীয়েই আহি মাছ বিছাৰি চৌকাৰ কাষতে বহি থাকে । মায়ে এইবাৰ মাত লগালে— "ইহঁতৰ মা'কনো কি কৰিছিল, আপুনি যে মাছ ৰান্ধিব লগীয়া হল?" অহ ডাঙৰ কথা এটা কবলৈ পাহৰি ছিলোৱেই" খুৰাই উত্তৰ দিলে— "তেওঁ তাঁত লগাইছে, মানে এহেজাৰ পকোৱাৰ দহখন গামোচা । গতিকে ভাত ৰান্ধিবলৈ আজৰিয়েই নাই । পাঁচখন গামোচা অৱশ্যে ওলালেই । গামোচাকিখনো যে বৰ, সুন্দৰ হৈছে । ডাঙৰ ডাঙৰ ফুল বাচিছে । ওচৰ-চুবুৰীয়া দুজনমানে কিনিলেই চাৰিখন । বাকীকিখনো শালত থাকোঁতেই বহুতেই কিনিবলৈ আগ্ৰহ কৰি আছে মইহে কৈছো একেবাৰতে গোটেই বোৰ বেচি নেপেলাবা।"

কথাৰ মাজতে মায়ে চাহ জলপান দি গ'লহি । খুৰাদেউৰ কথা অনৰ্গল চলিয়েই থাকিল, দেউতা প্ৰায় নীৰব শ্ৰোতা, মানে দেউতাই কথা কবলৈ সুযোগ পোৱা নাই, ভাইটিয়ে মাজতে এবাৰ ফুচফুচাই মোক কলে—" দেউতালৈ বেয়াই লাগিছে । একো কবলৈকে পোৱা নাই ।" মই কলো — মনে মনে একক অভিনয়কে চাই থাকচোন, সুন্দৰ হৈছে ।" ইয়াৰ পাছতো খুৰাই কৈ থাকিল, কেনেকৈ তাতঁশালখন চিনাকী মানুহ এজনৰ পৰা সস্তাতে পালে । খুৰাদেৰে হেনো এতিয়া অনবৰতে তাঁতশালতে বহি থাকে । ঘৰৰ যাৱতীয় কাম কাজবোৰ আৰু লৰাছোৱালী কেইটা খুৰাৰ ওপৰত । ডাঙৰজনী ছোৱালীয়ে এইবাৰ মেট্ৰিক দিব । খুৰাৰ হেনো সন্দেহেই হৈছে ভাই ফাৰ্ষ্ট ডিভিজন পাবনে নেপায় । দেউতাই কাৰণটো সোধাত কলে যে ছোৱালীজনীৰ পঢ়া শুনাত একেবাৰে মন নবহা হৈছে । খুব 'ষ্টাইল' কৰিবলৈ লৈছে । চিনেমাত নিচা বেছি হৈছে । ইয়াৰ কাৰণে খুৰাই পৰিবেশ আৰু লগ সঙ্গক উৰাই ঘূৰাই দোষ দিলে । লগতে কলে যে তেখেতৰ সৰু ছোৱালীজনীৰ আৰু সৰু ল'ৰাটোহে খুব ভাল হবগৈ' ছোৱালীজনীকতো খুৰাৰ হেনো শান্তিনিকেতনতহে পঢ়ুৱাৰ ইচ্ছা আছে । অৱশ্যে এইটো 'প্লেন' এতিয়াও বাহিৰত 'টপচিক্ৰেট' হৈয়েই আছে । আমাৰ ঘৰতহে কেনেবাকৈ কথাটো

অপেন চিক্রেট' হৈ পৰিল । মুঠতে যিয়েই নহওক, খুৰাৰ মতে লৰাটোও আগলৈ সাংঘাতিক কিম্বা এটা হোৱাৰ সম্ভাৱনা আছে । কাৰণ ক্লাচ ফাইবত পঢ়োঁতেই সি এতিয়া টি, ভি, এটা ফ্ৰিজ এটা লবলৈ দেউতাকক আপত্তি কৰিলেই । চাইকেল এখনো তাক হেনো লাগেই । অলপতে বোলে কাৰোবাৰ ম'পেড এখন পাই সেইখনো সি এপাক চলালেই । মুঠতে খুৰাৰ কথাবতৰাৰ পৰা যি বুজিলো, আৰু কেই বছৰমানৰ ভিতৰতে সি হয়তো তাৰ বুদ্ধি বৃত্তিৰ কৌশলী যান এখনত উঠি খুৰাৰ গোৱৰ তৰাৰে জাতিস্কাৰ মানসিক জগতখন ওলট পালট কৰি দিব ।

সেইটো সময়ৰ কথা সোৱঁৰাই দি তেখেতৰ হাঁহি ভৰা মুখখন গোবৰ পেলোৱা পাচি এটাৰ সমান কৰিবলৈ ইচ্ছা নকৰি মই সেইখিনিৰ পৰা উঠি আহিলো । পিছে পিছে ভাইটিও উঠি আহিল । মুঠতে তুপৰীয়া শান্তিৰে ভাতমুঠি খাই আবেলি তিনিমান বজাত যেতিয়া খুৰাদেউ ঘৰলৈ বুলি বাছত উঠিল, তেতিয়াহে আমি চাৰিওটা প্ৰাণীয়ে দীঘলকৈ এটা উশাহ ললো । ভাইটিয়ে তাৰ কৌতুক মিহলি হাঁহিটোৰে চিঞৰি দিলে — "দেওবাৰৰ দিনটোৰ স্পেচিয়েল, প্ৰগ্ৰেমখনত খুড়াৰ আইটেমটো বৰ টেক্টফুল হৈছিল ।"

+



আহিছো। গতিকে নিজৰ ৰুমৰ বাহিৰে বাকীবোৰ কথা সিমান নাজানো ? —অ' তেন্তে মাফ কৰিবা। । ময়ো আজি প্ৰথম আহিছো।

— তোমাৰ পৰিচয় ? প্ৰিয়াই সুধিলে।

— মোৰ নাম ৰাজেন বৰুৱা। ঘৰ গুৱাহাটীত। ইয়াত মোৰ খুৰাৰ ঘৰ। ১০ বছৰ বয়সৰে পৰা মই খুৰাৰ লগতে আছো। ঘৰত মা-দেউতা এজনী ভনী আৰু এটা ভাইটি আছে। ভণ্টী এইবাৰ নৱম শ্ৰেণীত, ভাইটি সপ্তম শ্ৰেণীত পঢ়ি আছে। তোমালোকৰ পৰিচয় দিবানে ? —অ' নিশ্চয়। মোৰ নাম প্ৰিয়স্মিতা বৰুৱা আৰু এওঁ হ'ল ৰুহি চুলতানা। দুয়োৰে ঘৰ ইয়াতে, মানে যোৰহাটত। সৰুৰে পৰা আমি একেলগে পঢ়া। ৰুহি মা-দেউতাৰ একমাত্ৰ সন্তান আৰু ময়ো গতিকে বন্ধু বেছি গভীৰ। —তোমালোকৰ লগত চিনাকী হৈ ভাল লাগিল। ৰুহি আৰু প্ৰিয়স্মিতা আহোঁ তেন্তে, আকৌ লগ পাম।

তাৰ পিছত ৰাজেনক প্ৰায়ে লগ পাব ধৰিলো। কেতিয়াবা কেণ্টিনত, কেতিয়াবা লাইব্ৰেৰীত আৰু কেতিয়াবা অফ্ পিৰিয়দত, বিভিন্ন আলোচনাৰ মাজেদি দুটা বছৰ কেনেকৈ পাৰ হ'ল ধৰিবকে নোৱাৰিলো। কিন্তু দুৰ্ভাগ্যবশতঃ দীঘলীয়া দুটা বছৰৰ ভিতৰতো মই মোৰ মনৰ ভাব ৰাজেনক প্ৰকাশ কৰিব নোৱাৰিলোঁ। প্ৰিয়াক কিন্তু নোকোৱাকৈ থকা নাছিলো। কিন্তু প্ৰিয়াই কোনোমতেই মান্তি নহ'ল। কিয়নো ৰাজেনৰ লগত মোৰ জাতিগত পাৰ্থক্য আছিল। প্ৰিয়াই মোক বুজাবলৈ চেষ্টা কৰি কৈছিলে ভুল কৰি সুধৰণি কৰাতকৈ ভুল নকৰাৰ আগতেই সুধৰাই লোৱাটোহে শ্ৰেয়। মই একো মকৈ মনৰ ভাৱ চকু পানীৰে ধুই নিকা কৰিবলৈ চেষ্টা কৰিছিলো। তাৰ পিছত এদিন ৰাজেনে শেষাস্ত পৰীক্ষা দি গুছি গৈছিল নিজৰ ঘৰ গুৱাহাটীলৈ, আৰু তাৰ কেই মাহ মান পিছত এদিন প্ৰিয় বান্ধৱী প্ৰিয়াইও মোৰ পৰা বিদায় ললে গুৱাহাটী অভিমুখে। কাৰণ দেউতাক বদলি হৈ গৈছিল গুৱাহাটীলৈ, তাত মই বৈ থাকিলোঁ একে ঠাইতে স্মৃতিক জীৱাই ৰখাৰ সম্বল সামৰি।

মোৰ অন্যমনস্কতা দেখি প্ৰিয়া লাহে লাগে মোৰ ওচৰলৈ আগবাঢ়ি আহি কান্ধত হাত দি কলে ৰুহি তই যাৰ বাবে অপেক্ষা কৰিছ সি হয়তো তোৰবাবে কেতিয়াও অপেক্ষা নকৰে। তই ৰাজেনক পাহৰি পেলাবলৈ চেষ্টা কৰিবি এটা সুন্দৰ সপোনৰ দৰে। কাৰণ সপোন কেতিয়াও বাস্তৱত পৰিণত হব নোৱাৰে সপোন সদায় সপোনেই। গতিকে সপোনক লৈ ব্যস্ত থকাতো মহা মূৰ্খামি।

প্ৰিয়াৰ কথাবোৰ মই বুজিবলৈ চেষ্টা কৰিছিলো। সচাঁকৈ ৰাজেনক এক প্ৰকাৰ চোৰৰদৰে ভাল পায় যিভুল কৰিলো তাৰ জানো শুধৰণি আছে। বৰ্ত্তমান সি ক'ত থাকে, কি কৰে তাৰ কথা একোকে নাজানো। গতিকে তাৰ কথা সুধি প্ৰিয়াক আমনি দিয়াতো মোৰ উচিত নহব। সেয়েহে কথাৰ সামৰণি মাৰিলো। এইদৰে বিভিন্ন কথাৰ আলোচনাৰ মাজেৰে চাৰিটা দিন কেনেকৈ পাৰহল ধৰিবকে নোৱাৰিলো। তাৰ পিছত বিয়াৰ এসপ্তাহৰ আগতেই আহিবলৈ প্ৰতিশ্ৰুতি লৈ তাই গুচি গ'ল। কিছুদিন যোৱাৰ পিছত এখন ৰেজিষ্টাৰি চিঠি পালোঁ। চিঠিখন প্ৰিয়াৰ। মই একে উশাহতে পঢ়ি গ'লো। কাৰণ চিঠিখনৰ প্ৰত্যেকটো শাৰীয়েই মোৰ বাবে সন্দেহজনক আছিল। তাই লিখিছিলে—

ৰুহি,

মৰমবোৰ লবি। চিঠি এটা বিশেষ কাৰণত লিখিব লগীয়া হ'ল। সেইদিনা তোক লগ পায় মই বৰ দুখী হৈছিলো, কাৰণ ৰাজেনৰ প্ৰতি থকা তোৰ গভীৰ ভালপোৱাই মোৰ অন্তৰত বহুত গভীৰভাৱেকৈ আঘাট কৰি গ'ল। তই হয়তো মোক কেতিয়াও ক্ষমা কৰিব নোৱাৰিবি কাৰণ তোৰ ৰাজেনেই মোৰ হব লগা স্বামী কহিত। যাক মই তোৰ পৰা ইমান দিনে লুকাই ৰাখিছিলো তাক আৰু বেছিদিন গুপুত কৰি ৰাখিব নুখুজিলো। তোৰ পৰা বিদায় লৈ যেতিয়া গুৱাহাটীলৈ আহিছিলো। তেতিয়া এদিন হঠাতে ৰাজেনক লগ পাইছিলো। সি তেতিয়া স্নাতক মহলাৰ শেষ বাৰ্ষিকত। কথাৰ প্ৰসঙ্গত বহুতবাৰ তাৰ মন জুখিবলৈ তোৰ কথা প্ৰকাশ কৰিছিলো কিন্তু সি কোনোদিনেই তোৰ বিষয়ে অলোচনা নকৰিলে। মই যি কৈছিলো সি মাত্ৰ শুনিছিল বচ্ তাৰ পিছত তাক বহুবাৰ লগ পাইছিলো আৰু পিছলৈ আমাৰ ঘৰৰ সকলোৰে লগত চিনাকী হৈছিল আৰু মাজে মাজে আহিছিল। মইয়ো তাক কেতিয়াও নিৰাশ কৰা নাছিলো। পিছলৈ এই সম্বন্ধ গভীৰ হৈ গ'ল আৰু এদিন কহিতে চিঠিৰ দ্বাৰা

জনাইছিলা যে হি হেতু মোক আগৰে পৰা ভাল পায়। মাত্র প্রকাশ কৰা নাছিল। হঠাতে আকৌ লগ পোৱাত পুৰণি ভালপোৱাক দমন কৰি ৰাখিব নোখুজিলে চিঠিত আৰু বহুত কথা লিখিছিল। মই তোৰ ভালপোৱাক জীয়াই ৰাখিবলৈ গৈ ৰাজেনৰ ভালপোৱাক নুই কৰিব খুজা নাছিলো। কাৰণ মোৰ ত্যাগত যদি তই ৰাজেনক ঘুৰাই পালিহেঁতেন তেন্তে এজনী বান্ধৱীৰ খাতিৰত তাকেই কৰিলোহেতেঁন। কিন্তু সিটো তোক ............। এনে স্থলত মই কি কৰিলে ভাল হব তোৰ পৰা জানিব খুজিছোঁ। এতিয়াও বিয়ালৈ তিনিমাহ বাকী। গতিকে ভুলবোৰ শুধৰাই লবলৈ সময়ৰ অভাৱ নহব নিশ্চয়। মই তোৰ চিঠিৰ উত্তৰলৈ আশাৰে বাট চাই ৰলোঁ।

তোৰ প্ৰিয়া

চিঠিখন পঢ়ি কি কৰিম, কি নকৰিম এক অৱস্থাত একেধাৰে মাটিতে বহি পৰিলো। সন্ধিয়াৰ আন্ধাৰে দিনৰ উজ্বলতাক ঢাকি পেলোৱাৰ দৰে মোৰ জীৱনলৈ আন্ধাৰ নামি আহিল। মোৰ ইমান দিনৰ অপেক্ষাৰ আজি সামৰণি পৰিল। লাহে লাহে উঠি গৈ দেৰাজৰ পৰা এখন ট্ৰেলিগ্ৰাম উলিয়াই আনিলো। আৰু কঁপা কঁপা আখৰেৰে লিখিলো—— কংগ্ৰেচুলেশ্যন।

+

কোনেও নেদেখাকৈ
মৰহি যায়——
এই পৃথিৱীত
কত মানুহৰ
হৃদয়ৰ ফুল !

——কোমাচি

---

(৩৫ পৃষ্ঠাৰ পিছৰ পৰা)

প্ৰৱেশ কৰা কাৰণে চৌধুৰী স্তব্ধ হ'ল। ৰতনৰ হাতত চিকচিকাই থকা চুৰীখন দেখি ভয়তে চৌধুৰীয়ে কঁপা কঁপা মাতেৰে কলে "— মোক ক্ষমা কৰা ৰতন।"

ক্ষমা! ৰতনে আজিকালি ভালকৈয়ে জনা হৈছে যে লম্পট বোৰে বিপদত পৰিলে নিজেক ৰক্ষা কৰাৰ বাবে ক্ষমা ভিক্ষা কৰে। আণ্ঠাৰ দৰে জ্বলন্ত চকু দুটাৰে চৌধুৰীৰ ফালে কিছুসময় চাই হিংস্ৰ বাঘৰ দৰে তেওঁৰ ওপৰত জপিয়াই পৰিল। দেহৰ সমগ্ৰ শক্তি প্ৰয়োগ কৰি ৰতনে চুৰিখনেৰে চৌধুৰীৰ ভিতিত ৰেপা মাৰি দিলে। একে ৰেপতে সত্যেন চৌধুৰীৰ প্ৰাণ বায়ু উৰি গ'ল। মৃতদেহটো মাটিত পেলাই দি ৰতন বতাহৰ দৰে কোঠাসিটোৰ পৰা ওলাই গ'ল। তেতিয়াও শ্বেক্সপীয়েৰৰ ওথেলো নাটকখন সম্পূৰ্ণ মেলা অৱস্থাত চৌধুৰীৰ টেবুলতে পৰি থাকিল।

+

খুব সোনকালেই সিহঁত মৰিব—
কাকতিফৰিঙৰ চিঞৰত কিন্তু তাৰ
কোনো চিন নাই।

—বাচো

এবেগেত মান সৰু ৰুমাল এখন পেণ্টৰ জেপৰ পৰা উলিয়াই ৰঞ্জনে ঘামেৰে বৈ যোৱা মুখখন মোহাৰি মোহাৰি ফেনৰ তলত গা জোৰ পেলাবলৈ বুলি বহিল, ৰুমালখন চেপি ঘামবোৰ পেলাই আকৌ মুখখন ভালকৈ মোহাৰি লৈ কলে, সৰুতে স্কুলত পঢ়োতে ছাৰে সুধিলে থিয় হৈ একেকোবে কৈছিলো, মই ইঞ্জিনিয়াৰ হম, হলো বাপেকে ইঞ্জিনিয়াৰ, ৰেন্স লৈ ভালভ পকাই থাকোতে দিন যায়। অই তই ভালভ কেইটা বন্ধ কৰি থৈ আহি ইয়াত চিঠি পঢ়ি আছহি নে? নে চিঠি পঢ়ি কল্পনাৰ সাগৰত ডুব গৈ আছ? ইফালে টেঙ্ক অভাৰ ফুল হলে চিঠি পঢ়াৰ মজাটো ওলাব বাপেকে অভিজিতে কলে, ভালভ কেইটা বন্ধ কৰি থৈ আহিছো।

Thanks Thanks ইয়াকে কয়, thats like a good boy কোনে দিছে সেইখন চিঠি ····? মায়ে দিছে।

অ' মাৰাই হে দিছে নেকি ········। মোৰ ধাৰণাই কেনিবাহে পোনাইছিল। বাৰু পঢ়চোন মোক শুনা মায়ে কি বুলি মৰমৰ পুত্ৰলৈ দিছে।

আচ্ছা শুন, মোৰ মৰমৰ পোণাকণ, প্ৰথমে মোৰ মৰম লবি, বৰ্তমান তোৰ ছাগে ভালেই, ইয়াতো সকলোৰেভালেই, কেইদিনমান আগতে ভন্টীৰ জ্বৰ আৰু কাহ হৈছিল। এতিয়া দৰব পাতি খাই অলপ ভাল পাইছে। বাৰু, তোৰ কাম কাজ সুকলমে চলি আছে ছাগে। কামলৈ সদায় গৈ থাকিবি। কামত অৱহেলা নকৰিবি। মনত ৰাখিবি কৰ্মই জীৱন। পৃথিৱীলৈ আহিলে প্ৰত্যেক প্ৰাণীয়ে নিজৰ জীৱনটোৰ কাৰণে কৰ্ম কৰিবই লাগিব। এইটো পৃথিৱীৰ ধৰা বন্ধা নিয়ম। অৱশ্যে তোৰ এতিয়া চাকৰি কৰিবলৈ সময় হোৱা নাছিল। কিন্তু কি কৰিবি, নকৰি উপায় নাই। দেউতা থকা হলে আজি তোক কেতিয়াও চাকৰি কৰিবলৈ নিদিলেহেঁতেন আৰু কোনেওঁ নিদিলেহেঁতেন। কিন্তু আজি তই চাকৰি কৰিব-লগীয়া হৈছে ঘৰখনত দ্বিতীয় জন কোনো হৰ্তাকৰ্তা নথকাৰ বাবে। পৃথিৱীখন, বৰ জটিল। এতিয়াতো তই সৰু হৈ থকা নাই। নিজেই সকলো জনা বুজা হলি যি কামত হাত দিয় নিজে ভাবি চিন্তি কৰিবি। বেয়া লৰাৰ সঙ্গত নুফুৰিবি। বেয়া বস্তু মুখত নিদিবি। অযথা টকা পইচা খৰচ নকৰিবি। বাই-ভনীক তয়েই



শ্ৰী বুধিন শইকীয়া
স্নাতক (কলা) ১ম বাৰ্ষিক

চাৰ লাগিব । বাইদেউৰ কলেজ বন্ধ হৈ আছে আৰু ভনীৰো স্কুল বন্ধ হৈ আছে । সময় অনুযায়ী টকা পইচা পঠিয়াই থাকিবি । মই জানো তই ডেকা লৰা তোৰ টকা পইচাৰ অলপ অসুবিধা হয় । কিন্তু কি কৰিবি । শুকান বালিত যিমানেই পানী ঢলা হয়; সিমানেই শুকাই যায় । তেনেকৈয়ে মিলাই মিলি চলিব লাগিব । তই মাহত দুখন মানকৈ চিঠি দি থাকিবি । মই দিয়া তাবিজটো সদায় হাতত ৰাখিবি । পাৰিলে দুদিনমানৰ ছুটিলৈ ঘৰলৈ আহিবলৈ চেষ্টা কৰিবি । আৰু বিশেষ নাই । মৰম লবি । ইতি তোৰ মাৰ......... ।

অভিজিতে চিঠি শেষ কৰি ৰঞ্জনৰ ফালে চাই ..........আৰে তোৰ কি হ'ল........... ? চকুৰে দেখোন পানী বোৱাইছ...... ।
ৰঞ্জনে চকুলোবোৰ মোহাৰি কয়, এইয়া সুখৰ চকুলো অভিজিত । তোৰ সুখ দেখি মোৰ চকুৱে সুখত বব নোৱাৰি লোতক বোৱাইছে ।
মোৰ কি সুখভাল হৈছে হে............... ?
এইযে মাৰ মৰম, মাৰ পুত্ৰৰ ওপৰত বুজাব নোৱাৰা সীমা নাইকিয়া মৰম । আজি তোৰ মাৰ আছে কাৰণে ভালকৈ উপলব্ধি কৰিব পৰা নাই । কিন্তু মোৰ মা নাই সেই কাৰণে আজি মোৰ অন্তৰে উপলব্ধি কৰিছে আৰু এজনী মা বিছাৰি মোৰ অন্তৰে চিঞৰি বিয়াকুল হৈ পৰিছে । কিন্তু কি হব । কালৰ কোবাল সোঁতত মা কেতিয়াবাই মোৰ পৰা হেৰাই গ'ল । যি মায়ে মোক তুলি তালি ডাঙৰ দীঘল কৰিলে সেই মাক মই মৃতুৰ সময়ত পানী এটুপিও দিবলৈ নাপালো আজি তোৰ কিমান সুখ । তই উৰ্পাজন কৰা টকাই মাৰক খুৱাইছ আৰু মাৰাইও কিমান সুখ পাইছে । এনেকুৱা কণ মানো সুখ মই মোৰ মাক দিবলৈ নাপালো । তেনে এক সুখ দিবলৈ মইও টাকুৰীত সূতা পকাইছিলো কিন্তু টাকুৰীত সূতা পকোঁৱাৰ শেষ হোৱাৰ কেই মূহুৰ্ত্ত মানৰ আগতে মোৰ মা চিৰদিনৰ বাবে শেষ হৈ গ'ল ।

কচোন তোৰ মা, ক, মৃত্যুৰ সময়ত তই কেনেকৈ নাপালি ........ ? সেই সময়ত তই ক'ত আছিলি... ? তই কিন্তু আজিলৈকে মোক এই কথা কোৱা নাই ক চোন
ক........................ ।
শুন, ১৯৭৯ চনৰ ঘটনা মই তেতিয়া ডিগবৈৰ সোঁমাৰ বিদ্যাপীঠ স্কুলৰ দশম মানৰ ছাত্ৰ । আমাৰ ঘৰৰ কাষত তেনে কোনো ভাল স্কুল নথকাত মই ডিগবৈত থাকি পঢ়িছিলো । সেইবছৰ মই আমাৰ স্কুলৰ আলোচনীৰ সম্পাদক আছিলো । সত্যে কবলৈ গলে সেই বছৰ আমাৰ ক্লাচত বিলিয়েণ্ট লৰা ময়েই আছিলো । সেইবাবেই সেইবছৰৰ আলোচনীৰ সম্পাদক মোকেই পাতিলে । মৃতুৰ দুই সপ্তাহ মান আগতে মই ঘৰলৈ গৈছিলো, তেতিয়া মা সুস্থ অৱস্থাতেই আছিল । তেতিয়া মাক মই আলোচনীৰ সম্পাদক হোৱা কথাটো কৈছিলো । তেতিয়া মায়ে মোক ভেকাহি মাৰি কৈছিল । এনে জ্ঞানী লৰাটো চাম নহয় মই; তই কেনেকুৱা কিতাপৰ সম্পাদক, তই অহা বাৰলৈ আহোতে তোৰ কিতাপৰ কপি এটা মোলৈ লৈ আহিবি ।

আনিম আনিম মা, আপুনি কবই নালাগে, আলোচনীৰ প্ৰথম কপিটো মই আপোনাকেই দিম । ঘৰৰ পৰা অহা দহদিন মানৰ পাছত মই খবৰ পালো মা-ৰ গা ভাল নাই । বিছনাত পৰি আছে । খবৰ পাই লগে লগে মোৰ ঘৰলৈ যাবলৈ উচপিচ লাগিল । কিন্তু মোৰ মনত পৰিল মায়ে কোৱা কথাবোৰলৈ আলোচনীৰ কপি এটা লৈ যোৱাৰ কথা । মই লগে লগে প্ৰেছত গৈ খবৰ কৰিলো; তেতিয়া আলোচনী সম্পূৰ্ণ হৈ উঠা নাই । মই প্ৰেছৰ মালিকক সোনকালে কৰিবলৈ জোৰ কৰিলো তেতিয়া কলে যে আৰু তিনিটামান দিন তুমি ৰলে তোমাৰ আলোচনীৰ কেইটামান কপি পাবা । মই চিন্তা কৰিলো মাকতো মই আহোতে ভালেই দেখি আহিছো ইমান সোনকালেতো ইমান ডাঙৰ বেমাৰ হব নোৱাৰে । মই কথাটো দকৈ ভাবি চিন্তি সিদ্ধান্ত কৰি পেলালো যে আৰু তিনিটা দিন ৰৈ মালৈ আলোচনী একপি লৈহে যাম । নৰিয়া গাৰে মোৰ আলোচনী দেখি মা ক'ত সুখী হব । সেই সুখতেই মাৰ গা সুস্থ হৈ আহিব । তাকে ভাবি মই চকু কাণ মুদি চাৰিটা কৃষ্ণ পক্ষৰ আন্ধাৰ পাৰ কৰি দিলো । মই প্ৰেছৰ পৰা এটা কপি লৈ লৈ বাহিৰে বাহিৰে ঘৰলৈ গুচি গলো । তেতিয়া বিদেশী বহিস্কাৰ আন্দোলন অসমৰ এমূৰৰ পৰা সিমূৰলৈ দপ—দপকৈ জ্বলি আছিল । আন্দোলনৰ বাবে সকলো বাট পথ বন্ধ আছিল । যি দুখনমান গাড়ী মটৰ আমাৰ ফালে গাঁৱলৈ গৈছিল তাৰো মুদা মৰিল । সেইবাবে মই আলোচনীৰ কপিটো লৈ বিশ কিল'মিটাৰ বাট চাইকেল মাৰি ঘৰলৈ যাব লগা হৈছিল । একেৰাহে

# প্ৰতীক্ষা

শ্ৰীমতী ৰশ্মি গগৈ—
স্নাতক ২য় বাৰ্ষিক (কলা)

দিনটোৰ বৰষুণৰ পিছত এতিয়া আকাশ পৰিষ্কাৰ। গছৰ পাতত লাগি থকা বৰষুণৰ শেষ টোপালকেইটাও এতিয়া টপ্ টপ কৈ মাটিত সৰি পৰিছে, ঘৰৰ ওচৰেৰে বৈ যোৱা লুইতৰ পানীখিনীত কোনো অনাৱশ্যকীয় উচ্ছাস নাই। ঈষৎ ঘোলা বৰণীয়া পানীখিনি সাৱলীল গতিৰে বৈ গৈছে। বহুত দূৰ পশ্চিম আকাশৰ ইতস্ততঃ বিক্ষিপ্ত ডাৱৰৰ টুকুৰা, তাত অনুৰাগ মূৰৰ ওপৰত ঘননীল আকাশৰ আৰু সন্মুখেৰে বহুত ৰঙৰ সমাবেশ; ইতস্ততঃ মেঘৰ কাষৰ গাত উজ্জ্বল সোণালী ৰং; কাৰোবাৰ গাত ৰামধেনুৰ সাতোটি ৰং এক অপৰূপ সমন্বয়।

অবিহণাই বাৰাণ্ডাৰ খুটা এটাতে আউজি তাকেই চাই আছিল। হঠাৎ তাইৰ পদূলিৰ অদূৰত কুংচিৎ ভঙ্গীত থিয় দি থকা এক বৃদ্ধ আকৃতিৰ শেৱালি জোপালৈ চকু গল। গছজোপা বয়সৰ ভৰত একাষে হাউলি গৈছে। নঙঠা কেইটামান ডালেৰে শেৱালি জোপা বাচি আছে। কিন্তু আজি চাৰিওফালৰ শান্ত, সেউজ, সজীৱ পৰিবেশত শেৱালি জোপা দেখি অবিহণাৰ কিবা অস্বস্তি লাগিল। ভাবিলে গছ জোপা কায়ে পেলাব নেকি? লগে লগে মনত পৰিল, একেবাৰে দুপাততে সেই শেৱালি জোপা এদিন কাৰোবাৰ পৰা আনি তায়েই সযতনে ৰুইছিল। ক'ত যতন লৈছিল। গৰুৱে খায় বুলি দেউতাকক কুতুৰি কুতুৰি চাৰিওফালে জেওৰা দিয়াইছিল। এৰা, তাইৰ এইবোৰ সকলো মনত আছে। কিন্তু সেয়া ক'ত বছৰৰ আগৰ কাহিনী। তাৰ পিছত ক'ত শৰত, ক'ত বসন্ত পাৰ হৈ গ'ল। এইখন ঘৰৰ প্ৰতিটো শুভ অশুভ কাহিনীৰে সাক্ষী যেন এই শেৱালি জোপা। এৰা! এদিন কইনা বেশেৰে তাইক এই পদূলিৰে ওলাই যোৱা শেৱালি জোপাই দেখিছিল। তাৰ পিছত উভতি অহাত................। এদিন বগা কাপোৰেৰে ঢাকি মাকক চিৰদিনৰ বাবে লৈ যোৱাও শেৱালি জোপাই দেখিছিল। তাৰ পিছত এদিন এই শেৱালি তলেৰেই তাইৰ ভনীয়েক উপাসনাকো কইনা বেশেৰে ওলাই যোৱা আৰু ভায়েক ৰূপমে নৱোৱাৰী আনি ঘৰত সুমুৱাৰ দৃশ্যও এই শেৱালি জোপাই দেখিছে আৰু এতিয়া জীৱনৰ মুমূৰ্ষু ক্ষণতো সদা জাগ্ৰত এক প্ৰহৰীৰ দৰে শেৱালি জোপা ৰৈ আছে আৰু কিবা নতুন দৃশ্য চোৱাৰ প্ৰতীক্ষাৰে। হঠাৎ তাইৰ নিজকো শেৱালি জোপাৰ দৰে এক নিথৰ প্ৰহৰীৰ দৰে লাগিল। তাইক যেন শিকলিৰে কোনোবাই ইয়াতে বান্ধি থৈছে আৰু যেন আজীৱন তাই ইয়াতে ৰৈ থাকিব লাগিব।

হঠাৎ ঝন্ ঝন্ শব্দ এটাত তাই উচপ্ খাই উঠিল। শব্দটো কাষৰে দেউতাকৰ কোঠাৰ পৰা আহিছে। তাই ল'ৰ মাৰি গ'ল। দেখিলে দেউতাকৰ বিচনাৰ কাষৰ টেবুলখনৰ পৰা আটাইবোৰ ঔষধৰ বটল, পানীৰ গিলাচটো আৰু টেবুল ঘড়ীটো পৰি ভাঙি টুকুৰা টুকুৰা হৈ গৈছে। টেবুল খন পুৰণি হোৱা বাবে খুটাবোৰ ঢিলা হৈ গৈছে আৰু ইকাটিৰ পৰা সিকাটি হৈ শুবলৈ লওঁতে হয়তো হাত লাগি টেবুল খন লৰি সকলো বস্তু পৰি গল। তথাপি দেউতাকে নিশ্চিন্ত মনেৰে শুই আছে। অবিহণাই নতুনকৈ এগিলাচ পানীৰ আনি নিজ হাতেৰে দেউতাকক খুৱাবলৈ টোপনিৰ পৰা জগাই দিলে। দেউতাকে ঠিক মত খাই উঠি ওচৰতে ইমান এটা ডাঙৰ ঘটনা ঘটি যোৱা স্বত্বেও একো কে গম নোপোৱাৰ বাবে এক অপৰাধী শিশুৰ দৰে অবিহণালৈ চাই আছে। কিয় জানো লগে লগে চকুহাল পানীৰে প্লাবিত হৈ পৰিল। তাই ভাবিবলৈ ধৰিলে, কিমান অসহায় এই মানুহজন। বয়সে প্ৰায় স্থবিৰ কৰি তোলা এসময়ৰ সিংহ পুৰুষজন আজি যুদ্ধ ক্ষেত্ৰত আহত এক পঙ্গু সৈনিকৰ ভূমিকা লৈ সকলোৰে সমবেদনাৰে মাথোঁ বাচি আছে। জীৱনত মানুহজনে কি পালে? মাথো হেৰুৱালে। বৰ জীয়াৰী অবিহণাক কিমান আশাৰে সু-পাত্ৰত বিয়া দিছিল কিন্তু অবিহণা এতিয়া এইখন ঘৰত। সুখ দুখৰ লগৰী, বৃদ্ধ বয়সৰ অৱলম্বন অবিহণাৰ

মাক হঠাৎ আঁতৰি গ'ল। একমাত্ৰ ল'ৰা ৰূপমেও অজাতি ছোৱালী বিয়া কৰাই প্ৰায় গৃহত্যাগী হ'ল। আৰু ক'ত দুখ বেদনাৰ বোজা লৈ আজি যেন তেওঁ শৰশয্যাৰ ভীষ্মৰ দৰে মাথো শেষ মুহূৰ্তৰ বাবে প্ৰতীক্ষা কৰি আছে। দেউতাকৰ অবিহনে এই বাজ হাউলি যেন জয়াল ঘৰটোত থাকিব কেনেকৈ ? এই ঘৰ, দেউতাক, সকলোৰে মোহ এৰি তাই আঁতৰি যাব পাৰে। তীৰ্থস্থানে তীৰ্থস্থানে ঘূৰি মনৰ শান্তি বিচাৰিব পাৰে, কিন্তু তাই আঁতৰি গ'লে 'সমৰজ্যোতি' যদি আহে আৰু তাইক নেপায়হি তেনেহলে তাইৰ অতদিনৰ সাধনা, প্ৰতীক্ষা সকলো বিফলে যাব। তাই আজিও বিশ্বাস কৰে 'সমৰজ্যোতি'য়ে তাইলৈ মনত পেলাব আৰু ক্ষমা বিচাৰি তাইৰ ওচৰলৈ ওভতি আহিব। প্ৰেম আৰু ভালপোৱাৰ যিডাল এনাজৰীৰে ক্ষণিকৰ বাবে হলেও তাই সমৰক বন্দী কৰিছিল সেই বান্ধোনেৰেই এদিন সমৰ জ্যোতিক ওভতাই আনিব। তাই সেইদিনৰ প্ৰতীক্ষাতে বৈ আছে, আৰু বৈ থাকিব।

সমৰজ্যোতিৰ সৈতে বিবাহ বন্দবস্ত হোৱাৰ সময়ত তাই জানিছিল বিয়াৰ তিনিমাহৰ পিছত তাইৰ সমৰ বিদেশলৈ যাব। তথাপি সেই ক্ষণ উপস্থিত হওঁতে তাই লাজ মান এৰি বাউলি হৈ কান্দিছিল। সেই মুহূৰ্তত তাইৰ এনে লাগিছিল সমৰৰ অবিহনে এটা মুহূৰ্তও যেন বাচি নেথাকিব। মনত তাইৰ সেই অৱস্থা দেখি সমৰেও বিচলিত হৈ পৰি নেযাওঁ নথওঁ লগাইছিল। কিন্তু এদিন শুকলমে গৈ সমৰজ্যোতি বিদেশ পাইছিল। আৰু প্ৰতি সপ্তাহতে অজস্ৰ মৰমেৰে ভৰা চিঠি আহিছিল। সমৰৰ সেই চিঠিবোৰে অদ্ভুত মাদকতাৰে অবিহণাক বিভোৰ কৰি ৰাখিছিল। কিন্তু কোনেও নজনাকৈ, নুবুজাকৈ এদিন সমৰৰ চিঠি বন্ধ হৈছিল। ঘৰে, বাহিৰে হেজাৰজনে কৰা হেজাৰ প্ৰশ্ন শুনি শুনি অবিহণাই মাথো নীৰৱেই কান্দিছিল। শেষত দুৰৰ মানুহেও আলোচনা কৰি সমৰলৈ খবৰ পঠিয়াইছিল "অবিহণা মৃত্যুমুখত তুমি আহা" অধীৰ আপেক্ষাত কেইটামান উজাগৰী নিশা পাৰ কৰাৰ পিছত আহিছিল সমৰৰ সৰ্বনাশী সৰু চিঠিখন। সমৰে স্বদেশলৈ ওভতি যোৱাৰ কথা ছেনো ভবা নাই। কেইমাহ মান আগতে সি এক বিদেশীনীক বিয়া কৰাইছে, অবিহণাক সি সকলো বন্ধনৰ পৰা মুক্তি দিছে। সমৰৰ সেই চিঠি বাৰে বাৰে পঢ়িয়ো অবিহণাৰ বিশ্বাস হোৱা নাছিল। ভাবিছিল এয়া ক্ষণিকৰ ভুল। এদিন নিশ্চয় সমজ্যোতিয়ে সকলো বুজিব। সেয়ে মাক দেউতাকে জোৰ কৰা স্বত্বেও অবিহণাই স্বামীৰ ঘৰ ত্যাগ কৰি অহা নাছিল। কিন্তু এদিন লাঞ্চিতা, অপমানিতা হৈ স্বামী গৃহ এৰি পিতৃ গৃহ পাইছিলহি। তথাপি তাই সমৰজ্যোতিৰ ওপৰত বিশ্বাস হেৰুৱা নাছিল। ভাবিছিল এদিন সমৰ ওভতি আহিব আৰু তাইৰ বেদনাৰ কাহিনী শুনি নিজ হাতে দুচকুৰ পানী মোহাৰি দি সকলো সন্মানেৰে আকৌ তাইক প্ৰতিষ্ঠা কৰিব। সেই প্ৰতীক্ষাতে বৈ ষোড়শী অবিহণাই কেতিয়া দুকুৰিৰ ওচৰ পাওঁ পাওঁ হ'ল যেন গমেই নাপালে। শামুকৰ দৰে কঠিন খোলাৰ ভিতৰত নিজকে আবৰি ৰাখি তপস্বিনীৰ দৰে মাথো এটা ক্ষণলৈ বৈ আছে। কত বসন্ত, কত বৰ্ষা আহে আৰু যায় অবিহণাই গম নাপায়।

From the wondrous creations that are Thine.

# THE FLOWER

**Ritesh Kumar Maurya**
T. D. C. ( Arts ) 2nd Year

The flower always smiles
Whether in grief or joy ;
But human nature changes
As being a mortal toy

A bud blooms midst of thorns
And it preaches heavenly law ;
Mortals, with cheerful hearts
Tolerate time's cruel claw.

I smile in happy mood
Though I hath momentary Life;
And with pleasure fills
Spread true cheer of life.

Thus, let us make a vow
To follow true humanity ;
And with our immortal jobs
Claim our fame to eternity.

# Doctors Of Merit

—Shyam Kumar
H. S. 2nd Year (Science)

Dr. Jones—
Of the house of stones
Sets broken bones
Prescribing ice cream cones,
Claiming his fees on phones.

Dr. Chills—
Of Banjara hills
Cures all ills
Prescribing Pills.
On seeing his bills
The patient cries,
"Oh, this kills!"

Dr. Jack—
Living in a shack
Cures aches in the back
Making patients carry a pack
Of his bills in a sack—
Would you call him a quack?

# A DAY IS LOST WHEN ONE HAS NOT LAUGHED

**Leftist logic —** Three Russian officials found themselves in jail. A reporter was allowed to interview them. He asked the first man, "Why were you sent to prison ?"

"I was late in coming to the office, so the boss ordered me to be sent to jail."

When asked the same, the second person replied, "I went to the office before the scheduled time. The boss thought I was spying for a foreign country. So he had me locked up.

The third prisoner on having the question repeated, replied, "I arrived at the office on the dot. The boss ordered my arrest on the ground that if I was punctual to the minute I must have owned an imported and not a Russian watch."

It is reported that ten per cent of all accidents are caused by people who drink. So it becomes a logical conclusion that the other ninety per-cent are caused by people who donot drink. why can't the non-drinking drivers stay off the roads and make way for the drunkard ?

The professor had forgotten his house—key. It was dark and late. He knocked at the door. The servant answered without opening The door, "The professor has n't come yet." "Oh ! I'm sorry. I'll come later when he is in."

*[ With an apology to our ex- President Mr. Zail Singh ]*

When the President Zail Singh happened to be in New York for an operation, the Doctor Politely asked "Are you ready ?" Mr Zail Singh quickly snapped back "I am not 'Reddy' but Zail Singh."

The lawyer was cross—examining, "And would you say that the defendant was in the habit of talking to himself when alone ?"

The witness answered ? "That's hard to say. You see, I can't recall ever being with him when he was alone."

**Definition of a husband :**

A man who was incomplete until he was married, but is now really finished.

# ডিগবৈ মহাবিদ্যালয় ছাত্র সন্থা
# DIGBOI COLLEGE STUDENT'S UNION

## সাধাৰণ সম্পাদকৰ বছেৰেকীয়া প্ৰতিবেদন



ডিগবৈ মহাবিদ্যালয় খনিৰ উন্নতিৰ হকে বিশেষ কিবা এটা কৰাৰ মানসেৰে সন্মানীয় আৰু গুৰুদায়িত্বৰে ভৰা ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পদত যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচিত কৰি সেৱা আগবঢ়াবলৈ সুযোগ দিলে তেখেতসকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

***শ্ৰদ্ধাৰে সুঁৱৰিছো ঃ***

আমাৰ মহাবিদ্যালয়ৰ স্নাতক (কলা) প্ৰথম বাৰ্ষিকৰ ছাত্ৰ শ্ৰীঅমৰ জ্যোতি বৰ গোহাঁইৰ ২৯।৬।৮৭ তাৰিখৰ দিনা ডিব্ৰুগড়ৰ চেঁচাত বাছ দুৰ্ঘটনাত শোকাবহ মৃত্যু ঘটে। তেওঁৰ কৰুণ মৃত্যুত আমি মৰ্মাহত। তেওঁক আমি অশ্ৰুঅঞ্জলিৰে সুঁৱৰিছো। তেওঁৰ আত্মাই চিৰ শান্তি লাভ কৰক।

***গতানুগতিকতা ঃ***

২৭-১১-৮৬ তাৰিখে ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাবে নিৰ্বাচিত হৈ ৯-১-৮৭ তাৰিখে ১৯৮৬-৮৭ চনৰ ছাত্ৰ সন্থাৰ দায়িত্ব নতুন কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ হৈ আনুষ্ঠানিক ভাৱে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিলো। কাৰ্য্যভাৰ গ্ৰহণ কৰা এমাহ নৌহওঁতেই মহাবিদ্যালয় সপ্তাহ পাতিবলগীয়া হয়। আন বছৰৰ দৰে এইবাৰো সপ্তাহ জোৰা কাৰ্য্যসূচীৰে ২৭ জানুৱাৰীৰ পৰা ২ ফেব্ৰুৱাৰীলৈকে মহাবিদ্যালয় সপ্তাহৰ আয়োজন কৰি নিজৰ সাধ্যানুসাৰে সবল কৰি তুলিবলৈ চেষ্টাৰ ত্ৰুতি কৰা নাছিলো। মহাবিদ্যালয় সপ্তাহৰ ২৭।১।৮৭ তাৰিখে পুৱা ৯-৩০ বজাত পতাকা উত্তোলন কাৰ্য্যসূচীৰে আৰম্ভ হয়। পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষা শ্ৰীযুতা স্বৰ্ণলতা গগৈ মহোদয়াই।

মুখ্য অতিথি হিচাবে যোগদান কৰি ডিগবৈ অসম অইল ডিভিজনৰ 'কৰ্মচাৰী বিষয়া' শ্ৰীযুত পি, চি, সোনোৱাল দেৱে খেল উদ্বোধন কৰে। মুখ্য অতিথিৰ ভাষণত তেখেতে খেল আৰু ছাত্ৰৰ পাৰস্পাৰিক সম্বন্ধৰ বিষয়ে বক্তব্য দাঙি ধৰে আৰু খেলা ধূলাক পঢ়াৰ অনুষঙ্গিক হিচাবে লবৰ বাবে ছাত্ৰ সকলক আহ্বান জনায়।

এইদৰেই বিভাগীয় সম্পাদক সকলৰ দায়িত্বত বিভিন্ন প্ৰতিযোগিতা সমূহ সম্পন্ন হয়। এইবাৰ মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা যথেষ্ট পৰিলক্ষিত হৈছিল।

১।২।৮৭ তাৰিখৰ দিনা সভাপতি একাদশ বনাম সাধাৰণ সম্পাদক একাদশ ক্ৰিকেট খেলখন যথেষ্ট আড়ম্বৰ পূৰ্ণ ভাবে ১৯ অভাৰত ৯৫ ৰাণ আৰু ১৩ অভাৰত ৯৫ ৰাণ হৈ সভাপতি দলে জয়লাভ কৰে।

শেষৰ দিনা ২।২।৮৭ তাৰিখে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উপ-সভানেত্ৰী উপাধ্যক্ষা মহোদয়াই পুৰস্কাৰ বিতৰণী সভাৰ সভানেত্ৰীত্ব কৰে। সভাত মুখ্য অতিথি হিচাবে ডিগবৈ চক্ৰৰ আয়কৰ অধীক্ষক শ্ৰীযুত মহিম চন্দ্ৰ ডেকাদেৱে যোগদান কৰে। তেখেতে সভাত আন্তৰ্জাতিক ক্ৰীড়াজগতত অসমৰ সন্মান সম্পৰ্কে ভাষণ দিয়ে। ছাত্ৰ-ছাত্ৰী সকলক পঢ়া-শুনাৰ লগতে খেলা ধূলাৰ দিশতো উন্নতি কৰিবৰ বাবে আহ্বান জনায়।

বটা বিতৰণী সভাৰ পাছত নিশা আকৰ্ষণীয় সাংস্কৃতিক সন্ধিয়াৰে মহাবিদ্যালয় সপ্তাহৰ সামৰণি পৰে। আমন্ত্ৰীত বিশিষ্ট শিল্পী শ্ৰীমনোৰঞ্জন গগৈয়ে গীত পৰিবেশন কৰি সকলো শ্ৰোতাক মুগ্ধ কৰে।

## গৌৰৱ কৰিব লগীয়া:

এই বছৰ আমাৰ মহাবিদ্যালয় চৌহদত অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ শ্বহীদ সকলৰ স্মৃতিত শ্বহীদ স্তম্ভ নিৰ্মাণ কৰা হয়। (এই শ্বহীদ স্তম্ভৰ নিৰ্মাণৰ কাম প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীতুলসী বড়াৰ দিনতে আৰম্ভ কৰা হৈছিল।)

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীচান্দ বাল্মিকীয়ে এইবাৰ গোলাঘাটত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় সঙ্গীত প্ৰতিযোগিতাত ভজনত সোণৰ পদক লাভ কৰি মহা-বিদ্যালয়ৰ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ উপৰিও শ্ৰীমতী নয়ন মণি বৰাই বন গীতত আৰু শ্ৰীপ্ৰদ্যোত হাজৰিকাই তবলা বাদনত ৰূপৰ পদক লাভ কৰিছে।

## অভাৱ সমূহ:

১। ডিগবৈ মহাবিদ্যালয়ৰ সমস্যা বহুতো তাৰে মুখ্য সমস্যা হিচাবে মহাবিদ্যালয়লৈ অহা জৰাজীৰ্ণ পথটিৰ কথাকে প্ৰথমে উল্লেখ কৰিছো। এই পথছোৱা পকী হৈ নুঠা বাবে বৰষুণৰ বতৰত যি এক বালি বোকাৰে ভৰা অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হয় তাক ভুক্তভোগীসকলেহে জানে। ইয়াৰ মেৰামতি নহবই নেকি?

২। মহাবিদ্যালয়ৰ বিজ্ঞান বিভাগত অঙ্কৰ বাদে অন্য বিষয়ত অনাৰ্চ নাই। তাৰ ফলত বহুতো ভাল ছাত্ৰ-ছাত্ৰী বাহিৰলৈ যাবলগীয়া হয়। বাণিজ্য বিভাগত এটা বিষয়তো অনাৰ্চ নাই। ফলত ছাত্ৰসকলে ইচ্ছা থাকিলেও অনাৰ্চ লব পৰা নাই। কলাবিভাগৰ বহুকেইটা বিষয়ত অনাৰ্চ খুলিবলৈ এতিয়াও বাকী।

৩। আমাৰ মহাবিদ্যালয়ত শ্ৰেণী কোঠাৰ অভাৱৰ ফলত এটা শ্ৰেণীৰ পাছত আন এটা শ্ৰেণীলৈ বহুসময় ৰবলগীয়া হয়।

৪। আমাৰ মহাবিদ্যালয়ত জিৰণি কোঠাৰ ব্যৱস্থা নাই। জিৰণি কোঠা বুলি ঘৰ এটা আছে, কিন্তু সিও বৰ্তমান জৰাজীৰ্ণ অৱস্থাত। বিৰতিৰ সময়ত ছাত্ৰসকল বহিবৰ বাবে ঠাই নাই।

৫। খেল পথাৰৰ অভাৱটো মহাবিদ্যালয় জন্ম দিনৰ পৰা আজিলৈকে চলি আছে। খেল পথাৰখন আজিও পৰ্য্যন্ত খেলৰ উপযোগী নহ'ল।

৬। আমাৰ মহাবিদ্যালয়ত প্ৰেক্ষাগৃহ আছে কিন্তু মঞ্চ নাই। মঞ্চৰ অভাৱত প্ৰতিবছৰে অস্থায়ী মঞ্চ নিৰ্মাণ কৰি মহাবিদ্যালয় সপ্তাহ পাতিবলগীয়া হয়। নবাগত আদৰণি সভা, সাধাৰণ সভা মঞ্চৰ অভাৱত ভালদৰে পাতিব পৰা নাযায়।

৭। পুথিভঁৰালতো দৰকাৰী পুথিসমূহ পৰ্য্যাপ্ত পৰিমানে পোৱা নাযায় আৰু অধ্যয়ন কক্ষটো ছাত্ৰ ছাত্ৰীৰ তুলনাত সৰু হৈছে।

৮। আমাৰ মহাবিদ্যালয়ত থকা ছাত্ৰী নিবাসটো আজিও অৰ্দ্ধনিৰ্মিত। ছাত্ৰী নিবাস কোন কালত সম্পূৰ্ণ হব তাক অনুমান কৰিব নোৱাৰি।

৯। বহুত দিনীয়া পানীৰ সমস্যাটো শেষতীয়াকৈ সমাধান কৰা হৈছে। কিন্তু বিজ্ঞানাগাৰ, প্ৰসাৰগাৰ, শৌচাগাৰলৈ ইয়াক সংযোগ কৰিবলৈ এতিয়াও বাকী।

১০। আমাৰ মহাবিদ্যালয়ৰ আন এটা অসুবিধা হ'ল মহাবিদ্যালয়ৰ চৌহদৰ চাৰিবেৰাত কাটা তাঁৰৰ ব্যৱস্থা নাই যাৰ ফলত ফুলনি বাগিছা পাতিব নোৱাৰি মহাবিদ্যালয় খন সৌন্দৰ্য্য হীন হৈ পৰিছে।

১১। ইয়াৰ উপৰিও ফেন, লাইট, খেলা-ধূলাৰ আচবাব আৰু শিক্ষক সকলৰ আহল বহল জিৰণি কোঠাৰ অভাৱ ছাত্ৰ-ছাত্ৰী সকলে উপলব্ধি কৰিছে।

**আমাৰ কৰলগীয়া ঃ**

ঐতিহ্যপূৰ্ণ ডিগবৈ মহাবিদ্যালয় আজি তেইশ বছৰত ভৰি দিছেহি। ৰূপালী জয়ন্তী বৰ্ষলৈ আৰু দুটা বছৰ বাকী। তথাপি মহাবিদ্যালয়ৰ বহুকেইটা সমস্যা এতিয়াও বিৰাজমান। মহাবিদ্যালয় কৰ্তৃপক্ষ, আমাৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ তৰফৰ পৰাও অভাব সমূহ দূৰ কৰাৰ চেষ্টা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ লগতে সমাজৰ প্ৰতি থকা দায়িত্ব খিনি নিজৰ শিক্ষানুষ্ঠানখনৰ যোগেদি পালন কৰি যোৱা দৰকাৰ। কিন্তু আমাৰ মহাবিদ্যালয়ৰ এচাম ছাত্ৰ-ছাত্ৰীৰ এই ক্ষেত্ৰত উদাসীন মনোভাব পৰিলক্ষিত হৈছে। যিহেতু এইচাম ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন সভা-সমিতি, বিভিন্ন প্ৰতিযোগিতা, মহাবিদ্যালয় সপ্তাহত অংশ গ্ৰহণৰ পৰা বিৰত থাকে। ইয়াৰ প্ৰভাৱে মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিত বাধা হৈ পৰিছে। সদৌ অসম ছাত্ৰ সন্থাই বিশ্বৰ দৰবাৰত নিজৰ চিনাকী দিয়া সময়ত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নিজৰ মহাবিদ্যালয় খনৰ উন্নতিৰ হকে কৰিবলগীয়া বহুখিনি কাম বাকী আছে। এই ক্ষেত্ৰত সমূহ ছাত্ৰ-ছাত্ৰীৰ সদাসৰ্তক, জ্ঞান পিপাসু, গঠন মূলক দৃষ্টি ভঙ্গীৰে চিন্তা চৰ্চা কৰি মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰা প্ৰয়োজন।

**শলাগৰ শৰাই ঃ**

শলাগৰ শৰাই প্ৰথমেই আগবঢ়াইছো সন্মানীয় অধ্যক্ষ ডঃ প্ৰফুল্ল কুমাৰ ভূঞাদেৱ, উপাধ্যক্ষা শ্ৰীযুতা স্বৰ্ণলতা গগৈ, মহাবিদ্যালয় ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ৰফিক হুচেইন, অধ্যাপক শ্ৰীযুত সমৰেন্দ্ৰ ভাগৱতী প্ৰমুখ্যে শিক্ষক উপদেষ্টা সকললৈ। এই সকলোৱে মহাবিদ্যালয়ৰ কাম কাজ কৰি যাওঁতে বহু মূল্যবান সময় খৰচ কৰি লগত থাকি দিহা পৰামৰ্শ দি মোক সহায় কৰা বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো। ছাত্ৰ-সন্থাৰ কাম কাজ নিয়াৰিকৈ চলাই যোৱাত প্ৰাক্তন সাধাৰণ সম্পাদক ও উপ-সভাপতি শ্ৰীমৃদুল তামুলী প্ৰাক্তন আলোচনী সম্পাদক শ্ৰীঅৰুণ পাল, প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীতুলসী বড়া আৰু উপ-সভাপতি শ্ৰীকৃষ্ণ বিক্ৰম ৰাণাৰ দিহা পৰামৰ্শ আৰু ছাত্ৰ সন্থাৰ বিভাগীয় সম্পাদক সকলৰ সহযোগিতাত তেওঁলোক সকলোটিলৈ মোৰ শলাগৰ শৰাই আগবঢ়ালো।

শ্বহীদ বেদী নিৰ্মাণ সমিতিৰ হৈ অধ্যক্ষ ডঃ প্ৰফুল্ল কুমাৰ ভূঞা আৰু অধ্যাপক শ্ৰীযুত সমৰেন্দ্ৰ ভাগৱতী আৰু শ্ৰীযুত ভোগেন বৰুৱাই নেৰানেপেৰাকৈ লাগি শ্বহীদ বেদী নিৰ্মাণ কৰি উলিওৱা বাবে আৰু শ্ৰীতুলসী বড়াই শ্বহীদ বেদীৰ নমুনা তৈয়াৰ কৰাৰ পৰা চোৱা চিতা কৰি দিয়াৰ বাবে, তেখেত সকললৈকো শলাগৰ শৰাই আগবঢ়ালো, প্ৰাক্তন আলোচনী সম্পাদক শ্ৰীপঙ্কজ গোস্বামীয়ে সাধাৰণ সভাৰ জৰিয়তে ১৯৮৫-৮৬ আলোচনীৰ টকাৰে শ্বহীদ বেদী নিৰ্মাণৰ বাবে অনুমোদন আগবঢ়োৱাৰ বাবে তেখেতকো নশলাগি নোৱাৰিলো। মহাবিদ্যালয়ৰ বিভিন্ন কাম কাজত আগবাঢ়ি যাওঁতে যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধবী, শিক্ষাগুৰুসকলে দিহা পৰামৰ্শ, সুহায় সহযোগ আগবঢ়াইছিল সেই সকললৈকো মোৰ শলাগৰ শৰাই আগবঢ়ালো। সহকাৰী সাধাৰণ সম্পাদক শ্ৰীবীৰেণ হাজৰিকাই বিভিন্ন সময়ত সাধাৰণ সম্পাদকৰ ভাৰ চলাই যোৱা বাবে তেওঁলৈকো আন্তৰিক ধন্যবাদ জনালো।

সদৌ শেষত ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাবে কি কৰিলো কি নকৰিলো সেইয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। ওপৰত উল্লেখিত অভাৱ সমূহ পূৰণৰ বাবে ছাত্ৰ সন্থাই চেষ্টা চলাই যাব। আলোচনী সম্পাদনা সমিতিৰ আলোচনী সম্পাদনাৰ কাম কাজ প্ৰায় শেষ হোৱা বাবে কাৰ্য্যকালৰ আধাতে প্ৰতিবেদন লিখিব লগীয়া হ'ল। কাৰ্য্যকাল শেষ হোৱাৰ আগে আগে কি কি কৰা হ'ল তাৰ খতিয়ান সাধাৰণ সভাত দাঙি ধৰা হব। বাকী থৈ যোৱা সমস্যা সমূহ সাধাৰণ সভাত সকলো ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি আলোচনা মৰ্মে সমাধানৰ পথ উলিয়াবৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে অনুৰোধ জনালো।

শেষত বিভিন্ন কাম কাজত আগুৱাই যাওঁতে ছাত্ৰ-ছাত্ৰী তথা শিক্ষা গুৰুৰ ওচৰত অজানিতে বহুতো ভুল ত্ৰুটি হব পাৰে। এই ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো।

*জয়তু ডিগবৈ মহাবিদ্যালয়*

*জয়তু ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থা*

*জয়তু সদৌ অসম ছাত্ৰ সন্থা*

বিনীত

**শ্ৰীৰঞ্জন বড়ো**

সাধাৰণ সম্পাদক

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা

১৯৮৬-৮৭

# Report from vice President D. C. S. U. 1986-87

*My dear collegians,*

The student's life is golden life for us. It is only the opportunity together and known one another in the field of vast education. Here, I like to take an opportunity to convey my heartiest greetings to all the friends of this college for electing me as vice-president of D. C. S. U. in 1986-87. In this connection I feel it necessary to say something to you which are actually reflecting in my mind.

After completion of school education we have a step to the college life for higher studies. Here we find the differences between school college life. Being a college student we should obey the rules and regulation of the college and should know about the sincerety, regularity and punctuality.

Students are the backbone of a nation, we see that the western countries are develbping day by day in their respective fields. Leaving others problems that arise, if we see the students, it is one of the reasons that as students they have attained something better than us. The "Something" may be the scope to acquire knowledge and find opportunity of proper implementation of their knowledge in respcetive fields. But being a student here what will be we are or what is actually done ? We feel proud of getting freedom. But in what position does our country still remain ? In education, in socio-economic status, in culture, in science and technology and in all branches our position is not far better in comparision to other countries which seem less developed than us few years ago. There are various reasons which govern in developing our countries, we have to overcome various burning situations including foreigners problem, poorly developed socio-economic frame work, damage caused by flood etc. specially

in Assam, sometimes we the students also have to involve to solve in different burning porblems arised time to time. But we should notice that the involvement must be in good will, we should always aware against evil political force which will harm us future. One thing is always keep in mind that as a student our prime objection is to study. "Students should be a corporate body of aims and ideals of their own" we are the future of our country.

"The students' are the nation's property
Every student owns them,

It is our duty to prevent Nations
From damage to our country."

Here I again convey my heartiest regards to our teaching staffs and thanks to my friends for giving me a chance to serve them as vice-president of Digboi college students' union of 1986-87.

Lastly I pray to Almighty to bless us to be renowned students of Digboi college and to become forthcoming leaders of the nation.

Thanking you

**Krishna Vikram Rana**
Vice president
Digboi college students'
Union 1986-87.

# A report from Boys' Common Room Secretary.

A good pithy idiom says that the words leap up to represent the dormant. My words also leap up to represent me with my acknowlegements to my well-wishers My dear friends willingly elected me as the 'Boys Common Room Secretary' of Digboi College for the year 1986-87 and for that they deserve thanks from me. But congratulating them heartily, I wish to state that I am too humble to thank them adequately. So, my obligation lies to them forever.

It is needless to say that though 'college week' stretched out a grand opportunity to reveal my activities. I could not utilise this opportunity as much as possible. Despite, the competitions of Carrom and Chess have been usually organised in this section. 61 and 32 numbers of competitors Competed in Carrom-single and Chess respectively while only 12 teams have showed their abilities in carrom doubles. No doubt, every game of these competitions was exciting But truly I can say that, the Chess players have guranteed a higher standard of their performances while, unfortunately, Carrom players could not promise such standard.

It is a good news that our president Dr. P. k. Bhuyan has promised for uplift of Boys' Common Room when I requested him for making an uplift of Boys' Common Room. This uplift is now waiting for Govt aids.

During the period of my service I have been obliged and grateful to our respected prof. Mr. Gyasuddin Ahmed for his valuable advice and practical guidance. Besides this the help from my dear friends is entitled to beggar-description. Now, I would like to beg pardon from my well -wishes for any mistake done by me.

Conclusively I wish to say that though our college is a celebrated educational institution it will make its way to the peak of glory with the yeomen's service enhanced by lad student. I believe that our college is our mother who is bringing up the ideal citizens of tomorrow's India; with motherly care. Quoting the sermon of Swami Vivekananda. I put a full stop of my secretarial report.

Swami vivekananda said" Let us all work hard my brethren, this is no time for sleep. On our work depends the coming the India of the future."

Yours Sincerely

Mr.Himadri Shekhar Bhattacharjee
Secretary, Boys' common Room,
D. C. S. U. 1986-87.

## ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন।

প্ৰতিবেদনৰ পাতনিতে ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে ডিগবৈ মহবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মোক মনোনীত কৰাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই কৃতজ্ঞ হৈ ৰ'লো।

কাৰ্যভাৰ গ্ৰহন কৰাৰ কিছুদিন পিছতেই আৰম্ভ হৈছিল "মহাবিদ্যালয় সপ্তাহ"। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই কেৰম যথাক্ৰমে একক আৰু দ্বৈত প্ৰতিযোগিতা আৰু ডবা প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো। প্ৰতিযোগি সমূহৰ বিজয়ী প্ৰতিযোগীসকলৰ নাম উল্লেখ কৰা হ'ল—

**কেৰম প্ৰতিযোগিতা (ক) (একক)**

চেম্পিয়ন = কেথেৰিন আৰেং।
ৰাণাৰ্চ আপ = সুৰভি মিশ্ৰ।
উদগনিমূলক বঁটা = ৰত্না সিংহ।

**(খ) (দ্বৈতভাৱে):**

চেম্পিয়ন = ৰেখা বৰদলৈ আৰু ৰত্না সিংহ।
ৰাণাৰ্চ আপ = কেথেৰিণ আৰেং আৰু নিমিষা দত্ত।
উদগনিমূলক বঁটা = সুৰভি মিশ্ৰ আৰু পূৰবী মিশ্ৰ।

**ডবা প্ৰতিযোগিতা:**

চেম্পিয়ন = ৰেখা বৰদলৈ।
ৰাণাৰ্চ আপ = পূৰবী মিশ্ৰ।
উদগনি বঁটা = সুৰভি মিশ্ৰ।

এইবাৰ আঁহো প্ৰতিযোগিতাসমূহ সুকলমে অনুষ্ঠিত হৈ যোৱাৰ পিছত হোৱা মোৰ প্ৰতিক্ৰিয়ালৈ। প্ৰথমতেই অনুভৱ কৰিছিলো প্ৰতিযোগীৰ সংখ্যাগৰিষ্ঠতাৰ অভাৱ। কেৰম প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা কৰিছিল মাথোন ওঠৰ (১৮) গৰাকী প্ৰতিযোগীয়ে। ডবা খেলৰ দৰে আন্তৰ্জ্জাতিক খ্যাতিসম্পন্ন খেলত প্ৰতিযোগিৰ সংখ্যা আছিল মাথোন তিনি (৩) গৰাকী। মই মিশ্ৰত দ্বৈত (Mixed doubles) কেৰম প্ৰতিযোগিতাৰ আয়োজন কৰা নাছিলো। গতিকে, কেৱল ছাত্ৰীসকলৰ উপৰোক্ত খেলসমূহৰ প্ৰতি বিতৰাগৰ কাৰণ বোধগম্য নহ'ল। আকৌ, বন্ধুবৰ্গই কৰ খোজে চাইনিজ চেকাৰ আৰু লুডু খেলৰ প্ৰতিযোগিতাৰ দ্বাৰাহে অধিক সংখ্যক প্ৰতিযোগীৰ সংখ্যা বৃদ্ধি কৰিব পাৰি। কিন্তু, মহাবিদ্যালয় পৰ্য্যায়ত লুডু আদি খেলৰ প্ৰতিযোগিতাৰ আয়োজন কৰাৰ কোনোধৰণৰ যুক্তিযুক্ততা বিচাৰি পোৱা নাছিলো। যি কি নহওঁক, এই প্ৰতিবেদনৰ জৰিয়তে মই সমূহ ছাত্ৰীকে অতি কাতৰভাৱে অনুৰোধ কৰিলো যাতে আগন্তুক মহাবিদ্যালয় সপ্তাহত তেওঁলোকে জিৰণি কোঠাৰ উপৰোক্ত উন্নতমানৰ খেল সমূহত আগ্ৰহেৰে অংশ গ্ৰহন কৰে আৰু মহবিদ্যালয়ত খেলুৱৈৰ সংখ্যা বৃদ্ধি কৰে।

এতিয়া অহা যাওঁক জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই কি কি কাম কৰিলো। ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত মই অতি দুখেৰে জনাওঁ যে একমাত্ৰ "মহাবিদ্যালয় সপ্তাহ" উপলক্ষে জিৰণি কোঠাৰ তৰফৰ পৰা ওপৰত উল্লেখিত প্ৰতিযোগিতা সমূহৰ আয়োজন কৰি মুঠতে ১২ গৰাকী বিজয়ীক চিহ্নিত কৰি থৈ যোৱাৰ বাহিৰে আন এটো কামেই কৰিব নোৱাৰিলো আৰু ছাত্ৰ-ছাত্ৰীসকলে মোক দিয়া এই সুন্দৰ সুযোগৰো সৎব্যৱহাৰ কৰিব নোৱাৰিলো। অথচ, ছাত্ৰী জিৰণি কোঠাটো অভাৱেৰেই পৰিপূৰ্ণ। অতীতৰ জৰাজীৰ্ণ কোঠাটোৰ ঠাইত এতিয়া এটা তজ্বজীয়া কোঠাই মুৰ ডাঙি উঠিছে আৰু এই কোঠাই ডিগবৈ মহাবিদ্যালয়ৰ বহুতো অভাৱ অভিযোগৰ অন্ততঃ এটা অভিযোগ খণ্ডন কৰিলে! কোঠাটোত দেখাত গৌণ লগা অথচ অত্যন্ত প্ৰয়োজনীয় কেতবোৰ অভ্যন্তৰীণ সা-সঁজুলিৰ অভাৱ প্ৰতি মুহূৰ্ততেই অনুভৱ হয়। তাৰ ভিতৰত এটা উল্লেখযোগ্য উদাহৰণেৰে এই অভাৱক কেনেদৰে অনুভৱ কৰোৱাইছে ইয়াত লিপিবদ্ধ কৰা

হ'ল। মই "The Sentinel" নামৰ এখন বাতৰি কাকত আৰু "Competition Success Review" নামৰ এখন মহেকীয়া আলোচনী ছাত্ৰীসকলক পঢ়িবৰ বাবে ব্যৱস্থা কৰিদিছিলো। কিন্তু কোঠাৰ ভিতৰত উপযুক্ত সজুলিৰ অভাৱত বা কোঠাটোৰ নিৰাপত্তা ব্যৱস্থা অত্যন্ত শিথিল হোৱাৰ বাবে মই উপৰোক্ত কাকত কেইখন মোৰ নিজৰ মোনাত কঢ়িয়াই লৈ ফুৰাব লগা হৈছিল আৰু ইয়াৰ ফলত মই এক বৃহৎ সংখ্যক ছাত্ৰীৰ আলোচনী আদি পঢ়িব নোপোৱাৰ অসন্তুষ্টিৰ বাবে সৃষ্টি হোৱা কেতবোৰ অভিযোগৰ সন্মুখীন হৈছিলো। ইতিমধ্যে মাননীয় অধ্যক্ষ মহোদয়ক এই বিষয়ে দৃষ্টিগোচৰ কৰোৱা হৈছিল যদিও উপযুক্ত সময়ত এই সজুলিসমূহৰ যোগান নোপোৱাৰ বাবে আলোচনী পঢ়াৰ ব্যৱস্থাও সাময়ীক ভাৱে স্থগিত ৰখা হয়। মই ছাত্ৰীসকলক আমাৰ জিৰনি কোঠাতে আলোচনী পঢ়িবৰবাবে ব্যৱস্থাৰ প্ৰতিশ্ৰুতি দিও সেই প্ৰতিশ্ৰুতিৰ পূৰ্ণ ৰূপ দিব নোৱাৰাৰ বাবে তেওঁলোকৰ ওচৰত নতশিৰে ক্ষমা ভিক্ষা মাগিছো।

এই প্ৰতিবেদনৰ যোগেদি মই পুনৰ মাননীয় অধ্যক্ষ মহোদয়, মহাবিদ্যালয় কতৃপক্ষ আৰু মহাবিদ্যালয়ৰ ছাত্ৰসন্থাৰ উপ - সভাপতি আৰু সাধাৰণ সম্পাদকৰ ওচৰত বিনম্ৰভাবে অনুৰোধ কৰিছো যাতে অতি সোনকালে জিৰণি কোঠাৰ বিভিন্ন অভাৱ অভিযোগসমূহ পূৰণ কৰা হয়।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত; জিৰণি কোঠাৰ খেলসমুহ আৰম্ভ হোৱাৰ অগতে, খেলসমূহ অনুষ্ঠিত হৈ থকা সময়ত; খেলসমূহৰ সমাপ্তি ঘটোৱাৰ পিছতো বিভিন্ন দিশত সুপৰামৰ্শেৰে সহায় আগবঢ়োৱাৰ বাবে যথাক্ৰমে মৃদুল তামুলী, হিমাদ্ৰি শেখৰ ভট্টাচাৰ্য্য, ৰেখা ৰঙ্গদলৈ, মনু বৰগোহাঁই, প্ৰভাত বৰুৱা আৰু ৰঞ্জিত ফুকনৰ ওচৰত সদায়েই ঋণী হৈ থাকিম। ইয়াৰোপৰি, মই মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জনালো ফাৰহানআৰা বেগম, পূৰবী মিশ্ৰ, স্নিগ্ধা ছায়া হাজৰীকা, মৌচুমী বৰুৱা, ৰত্না সিংহ, প্লাৰি, প্ৰীতি, মণি, সুৰভি আৰু সৌভিক সেন, তপন পাতিৰ, কৃষ্ণ কুমাৰ গগৈ, কমলজ্যোতি গগৈ, ৰঞ্জিত ফুকন, জয়কাই, মুক্তিকাই আৰু পাটগিৰি দাদালৈ; কিয়নো প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হৈ থকা সময়ত তেওঁলোকে মোক কৰা মূল্যবান সহায়সমূহ সচাঁকৈয়ে মনত ৰাখিব লগীয়া।

প্ৰতিবেদনৰ সমাপ্তিত মই মোৰ অজ্ঞাতে কৰা ভুলসমূহ আৰু জ্ঞাতে ইতিমধ্যে কৰা ভুলসমূহৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচতৰ ক্ষমা প্ৰাৰ্থনা মাগিছো।

সদৌ শেষত, ডিগবৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনাৰে আৰু মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন অন্ত পেলালো।

॥ জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা ॥

বন্দনা হাজৰিকা
ছাত্ৰী জিৰণি কোঠৰ সম্পাদিকা
১৯৮৬-৮৭ চন।

# তৰ্ক আৰু আলোচনা-চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, মহাবিদ্যালয়ৰ কাৰ্য্যালয়ৰ কৰ্মচাৰী বৃন্দ আৰু মাননীয় শ্ৰদ্ধাস্পদ শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ মোৰ প্ৰতি থকা মৰম আৰু আস্থাৰ চিন স্বৰূপে ১৯৮৬-৮৭ চনৰ শিক্ষা বছৰটোৰ বাবে মই মহাবিদ্যালয়ৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক ৰূপে বিনা প্ৰতিদন্দ্বিতাৰে নিৰ্বাচিত হওঁ। মোক বিভিন্ন কামত সহায় সহযোগ, উৎসাহ উদ্দীপনা দিয়াৰ পাছতো মই সকলোৰে আশা আৰু আস্থাক বাস্তৱত ৰূপ দিব পাৰিছোনে নাই তাৰ বিচাৰ ছাত্ৰ-ছাত্ৰী বন্ধ-বান্ধৱী সকলৰ। কিন্তু মোৰ বিশ্বাস, মই যত্নৰ অলপো ত্ৰুটি কৰা নাই, সেয়েহে মই আশা কৰো, মোৰ দোষ ত্ৰুটি আৰু অসমৰ্থতা খিনিৰ বাবে যেন মোক বন্ধু-বান্ধৱী সকলে ক্ষমা কৰে।

কাৰ্য্যভাৰ গ্ৰহন কৰাৰ কিছু দিনৰ পিছতেই আৰম্ভ হৈছিল ডিগবৈ মহাবিদ্যালয়ৰ দ্বাবিংশতিতম বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ সমাৰোহ। তৰ্ক বিভাগৰ দ্বাৰা কুইজ, তৰ্ক প্ৰতিযোগিতা, দলগত আলোচনা চক্ৰ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল সদনৰমতে "নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত নতুন শিক্ষা নীতি এটা বলিষ্ঠ পদক্ষেপ"। (In the opinion of the house, "New education policy is a strong step to solve the unemployment problem in India") দলগত আলোচনা চক্ৰৰ বিষয় আছিল—"ভাৰতত বাৰ্তাৰ কাকতৰ প্ৰকৃত স্বাধীনতা আছেনে?" ("Is there real freebom of press in India") ওপৰোক্ত প্ৰতিযোগিতা বোৰৰ প্ৰথম তিনিটাত যথেষ্ট সংখ্যক প্ৰতিযোগীৰ যোগদানে সদনক যথেষ্ট উৎসাহিত কৰিছিল আৰু প্ৰায়ৰোৰেই মানদণ্ড উচ্চ খাপৰ আছিল। সেয়েহে প্ৰতিযোগিতাত যোগদান কৰা ছাত্ৰ-ছাত্ৰী তথা প্ৰতিযোগিতাত জয়লাভ কৰা ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ অন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। কিন্তু দুৰ্ভাগ্যবশতঃ আকস্মিক বক্তৃতা প্ৰতিযেগিতাত অতি কম সংখ্যক প্ৰতিযোগীৰহে সহাৰি পাইছিলো আৰু মানদণ্ডও উচ্চ খাপৰ হোৱা নাছিল। যাৰ ফলত প্ৰথম পুৰস্কাৰ প্ৰদান কৰিব পৰা নগল। মই আশা ৰাখিছো যাতে ভৱিষ্যতলৈ উক্ত প্ৰতিযোগিতাত আশানুৰূপ ভাবে প্ৰতিযোগীয়ে যোগদান কৰে।

তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহত অধ্যাপক সৰ্বশ্ৰী লক্ষীনন্দন গগৈ, চেনীৰাম বৰুৱা, নিৰঞ্জন মুদুলী, বিকাশ বৰুৱা আৰু অধ্যাপিকা আকেলা খানমে তেখেত সকলৰ বহুমূলীয়া সময় নষ্ট কৰি প্ৰতিযোগিতা সমূহ পৰিচালিত কৰাত সহায় আগবঢ়োৱাৰ বাবে তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মই পাহৰিব নোৱাৰো মোৰ বিভাগৰ মাননীয় ভাৰ প্ৰাপ্ত অধ্যাপক শ্ৰীযুত মোহিনী কুমাৰ বৰদলৈ চাৰৰ প্ৰতিটো দিহা পৰামৰ্শ, যিবোৰে মোক সুস্থিৰে কোনো আউল নলগাকৈ কাম কাজ কৰাৰ সুবিধা দিছিল। মোহিনী বৰদলৈ চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধাই নমস্কাৰ জনাইছো।

প্ৰতিবেদনৰ সামৰণীত মই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো সেই সকল বন্ধু-বান্ধৱীলৈ—যিসকলে মোক বিভিন্ন কামত বিভিন্ন সময়ত সহায় সহযোগ দিহা পৰামৰ্শ আগবঢ়াইছিল।

শেষত পুনৰবাৰ ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু মোৰ শ্ৰদ্ধাস্পদ শিক্ষাগুৰু তথা কৰ্মচাৰী বৃন্দলৈ মোৰ অন্তৰিক শুভেচ্ছা আৰু নমস্কাৰ জনাই অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰি আৰু এই মহাবিদ্যালয় খনিৰ তৰ্ক বিভাগৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদন ইমানতে সামৰণি মাৰিলো।

*ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা*
*দীৰ্ঘজীৱী হওক।*

ধন্যবাদেৰে

*প্ৰভাত কুমাৰ বৰুৱা।*

সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ।

(১৯৮৬-৮৭ চন)

ডিঃ মঃ ছাঃ সঃ

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন - ১৯৮৬-৮৭

প্ৰতিবেদনৰ প্ৰাৰম্ভতে অভাজনে সেইসকল মহান উৎসাহী ব্যক্তি তথা বন্ধু-বান্ধৱী সকললৈ হিয়াৰ-স-শ্ৰদ্ধ ওলগ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ—যি সকলে অভাজনৰ শিৰত সংগীত সম্পাদকৰ গুৰু দায়িত্বভাৰ নিৰ্ব্বাচনৰ জৰীয়তে অৰ্পণ কৰিলে।

যোৱা ইং ২৭।১২।৮৬ তাৰিখে নিৰ্ব্বাচনত জয়ী হৈ কাৰ্য্যভাৰ অন্তঃকৰণেৰে সৈতে গ্ৰহন কৰি যিবিলাক কাম-কাজ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ সক্ৰিয় সহযোগৰ জৰীয়তে সাধিত কৰা হ'ল,—তাৰ এটি থূল-মূল আভাস সকলোৰে জ্ঞাতাৰ্থে ডাঙি ধৰা হ'ল।

যোৱা ইং ২৭।১।৮৭ তাৰিখৰ পৰা ইং ২।২।৮৭ তাৰিখলৈকে ডিগবৈ মহাবিদ্যালয়ৰ "দ্বাবিংশতিতম ডিগবৈ মহাবিদ্যালয় সপ্তাহ" মহা সমাৰোহৰে অনুষ্ঠিত কৰা হয়। সংগীত বিভাগৰ সম্পূৰ্ণ দায়িত্বভাৰ অভাজনে গ্ৰহণ কৰি অধ্যাপক ও বন্ধু-বান্ধৱী সকলৰ সহযোগত সুচাৰুৰূপে পালন কৰিবলৈ সক্ষম হওঁ। বিভিন্ন প্ৰতিযোগিতাৰ মাধ্যমেৰে ছাত্ৰ ছাত্ৰীসকলক স্ব-প্ৰতিভা বিকাশ কৰিবলৈ সুবিধা প্ৰদান কৰা হৈছিল।

এইবাৰৰ বিশেষ সংযোজন আছিল:—কথক নৃত্য, মনিপুৰী নৃত্য, সত্ৰীয়া নৃত্য, বিহুকুঁৱৰী নৃত্য, চিতাৰ বাদন, পেপা বাদন, গগণা বাদন আদি।

উল্লেখিত প্ৰতিযোগিতা সমূহ অভাজনে খব আশাৰে সৈতে সংযোজন কৰিছিলো যদিও প্ৰতিযোগীৰ অভাৱত সকলো বিলাক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নহ'ল। এই প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰিবৰ বাবে বিশেষ বিচাৰকৰ আয়োজনকে ধৰি সকলোধৰণৰ ব্যৱস্থা প্ৰদানৰ প্ৰচেষ্টা বহু বাধা বিঘিনি অতিক্ৰম কৰি যে কৰিবলগীয়া হৈছিল সেই কথা অভাজনে ব্যক্ত নকৰিলেও সৰ্ব্বজন বিদিত।

প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰা প্ৰতিযোগী সকলৰ মানদণ্ড আমাৰ দৃষ্টিকোণৰ পৰা উচ্চ মানৰ আছিল শ্ৰীমতী নয়নমণি বৰাই কেইবাটাও বিভাগত প্ৰথম আৰু বিশেষ স্থান অধিকাৰ কৰি দৰ্শকৰ পৰা বিশেষ সমাদৰ তথা প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। তদুপৰি প্ৰতিযোগী সকলে যি বিশেষ আগ্ৰহ আৰু খেলুৱৈ সুলভ মনোবৃত্তিৰে অংশ গ্ৰহন কৰি প্ৰতিযোগীতা সমূহ অনুষ্ঠিত কৰাত বৰঙণি আগবঢ়ালে তাৰ বাবে তেখেতসকলৰ ওচৰত অভাজন চিৰ কৃতজ্ঞ হৈ ৰ'ল।

যোৱা ইং ৫, ৭ আৰু ৮ ফেব্ৰুৱাৰী ১৯৮৭ তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তগত "অষ্টম আন্তঃমহাবিদ্যালয় সংগীত আৰু নাটক প্ৰতিযোগিতা" 'গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত' অনুষ্ঠিত হৈছিল। উক্ত প্ৰতিযোগিতাত যোগদান কৰিবলৈ অধ্যাপক শ্ৰীযুত জীৱন চাংমাই দেৱৰ তত্বাৱধানত আমাৰ মহাবিদ্যালয়ৰ পৰাও এটি দ'ল গৈছিল। অতি গৌৰৱ তথা আনন্দৰ কথা যে আমাৰ দলৰ তিনি গৰাকী প্ৰতিযোগিয়ে এককভাৱে তিনিটা বিভাগত পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। ডিগবৈ মহাবিদ্যালয়ৰ সুনাম অক্ষুন্ন ৰাখিবলৈ সক্ষম হোৱা আমাৰ সকলোৰে মৰমৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী কেইজন হল —

(১) শ্ৰীচান্দ বাল্মিকী —১ম স্থান ভজন, (সোণৰ পদক)

(২) শ্ৰীমতীনয়নমণি বৰা—২য় স্থান—বৰগীত, (ৰূপৰ পদক)

(৩) শ্ৰীপ্ৰদ্যোত হাজৰিকা—২য় স্থান তবলা বাদন (ৰূপৰ পদক)

ডিগবৈ মহাবিদ্যালয়ৰ সন্মান তথা গৌৰৱবৰ্দ্ধন কৰা এই তিনি গৰাকী ছাত্ৰ-ছাত্ৰীলৈ আমাৰ সমূহীয়া শলাগ তথা অভিনন্দন চিৰ দিন থাকিব। এই সফলতাই ভৱিষ্যৎ উত্তৰ পুৰুষ সকলৰ প্ৰচেষ্টাত প্ৰেৰণা যোগাওক এইয়ে আমাৰ কামনা।

প্ৰতিবেদনৰ সামৰণিত বিভিন্ন সময়ত বিভিন্ন দিশত বিভিন্ন দিহা পৰামৰ্শৰে সৈতে কাম-কাজ সুকলমে পৰিচালনা কৰাত যি সকল ব্যক্তিৰ ওতঃপ্ৰোতঃ ভাৱে জড়িত আছিল তেখেতসকলৰ নাম নললে মোক কৃতঘ্নতাৰ পাপে চুৱ; তেখেত সকল যথাক্ৰমে বন্ধুবৰ মৃদুল তামুলী, ৰামকৃষ্ণ শৰ্মা, মতিৰাম হাজৰিকা, ক্ষীম প্ৰসাদ শৰ্মা, চন্দ্ৰশেখৰ উপাধ্যায়, হৰি প্ৰসাদ শৰ্মা, মুক্তি বাহাদুৰ ছেত্ৰী আৰু বান্ধৱী ৰূপা বৰুৱা আদি। সংগীত বিভাগৰ উপদেষ্টা অধ্যাপক শ্ৰীযুত জীৱন চাংমাই চাৰৰ বিনয়ী উপদেশ বিলাক সদায়ে মনত থাকিব, লগতে অধ্যাপক শ্ৰীযুত ৰফিক হুচেইন, শ্ৰীযুত বিকাশ বৰুৱা, শ্ৰীযুত বৰুণ দেৱ আদি মহোদয় সকলৰ সাহায্য প্ৰদানৰ প্ৰতি সশ্ৰদ্ধ কৃতজ্ঞতা থাকিল।

সদৌ শেষত ডিগবৈ মহাবিদ্যালয় তথা ডিগবৈ মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ ইতি ৰেখা টানিলোঁ।

*জয়তু ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থা*
*জয় আই অসম।*

ধন্যবাদ.।

বিনীত

**শ্ৰীইচ.মাইল খান।**

সম্পাদক

সংগীত বিভাগ।

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা।

# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন।

প্ৰতিবেদনৰ আৰম্ভনিতেই মই সেই সকল ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ যিসকলে অতি মৰম স্নেহেৰে তেখেত সকলৰ বহুমূলীয়া ভোটেৰে মোক ১৯৮৬-৮৭ চনৰ সাংস্কৃতিক সম্পাদিকা পদৰ বাবে নিৰ্বাচিত কৰিলে।

মোৰ কাৰ্য্যকাল আৰম্ভ হয় আমাৰ দ্বাবিংশতিতম্ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ সমাৰোহেৰে। এই 'মহা-বিদ্যালয় সপ্তাহ' উপলক্ষে সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা কেইবাটিও প্ৰতিযোগিতা পাতিছিলো। তাৰ ভিতৰত আছিল অসমীয়া আৰু ইংৰাজী চুটি গল্পৰ প্ৰতিযোগিতা ইংৰাজী আৰু অসমীয়া কবিতা প্ৰতিযোগিতা, তৎস্থানিক ৰচনা প্ৰতিযোগিতা, ইংৰাজী আৰু অসমীয়া আবৃত্তি প্ৰতিযোগিতা, একক অভিনয় প্ৰতিযোগিতা আৰু একাঙ্ক নাটক প্ৰতিযোগিতা।

প্ৰতিযোগিতাসমূহৰ বিজয়ী প্ৰতিযোগী সকলৰ নাম উল্লেখ কৰা হ'ল—

অসমীয়া চুটি গল্প

প্ৰথম :— নীৰা ৰাজকোঁৱৰ।
দ্বিতীয় :— বন্তি গগৈ।
তৃতীয় :— নাৰ্জী বেগম।

ইংৰাজী চুটি গল্প

প্ৰথম — মনোনীত নহ'ল।
দ্বিতীয় — অৰ্চনা উপাধ্যায়।
তৃতীয় — শ্যাম কুমাৰ।

অসমীয়া কবিতা

প্ৰথম — মনোনীত নহ'ল।
দ্বিতীয় — নীৰা ৰাজকোঁৱৰ।

তৃতীয় — পংকজ গোস্বামী ।
উদগনি বটা — নুপুৰ বৰা ।

ইংৰাজী কবিতা

প্ৰথম — মধুমীতা পুৰকায়স্থ ।
দ্বিতীয় — ৰমেশ প্ৰসাদ গুপ্ত ।
তৃতীয় — শ্যাম কুমাৰ ।

তৎস্থানিক ৰচনা প্ৰতিযোগিতা

প্ৰথম — নাৰ্জী বেগম ।
দ্বিতীয় — অৰ্চনা উপাধ্যায় ।
তৃতীয় — ৰাম কুমাৰ প্ৰধান ।

অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা

প্ৰথম — সৰ্বানী ৰায় ।
দ্বিতীয় — (১) প্ৰাঞ্জলী বৰগোহাঁই ।
(২) পংকজ গোস্বামী ।
তৃতীয় — সুতপা চক্ৰৱৰ্ত্তী ।

ইংৰাজী কবিতা প্ৰতিযোগিতা

প্ৰথম — শঙ্কৰ ভট্টাচাৰ্য্য ।
দ্বিতীয় — ৰাম কুমাৰ প্ৰধান ।
তৃতীয় — মৌচুমী বৰা ।

একক অভিনয় প্ৰতিযোগিতা

প্ৰথম — শঙ্কৰ ভট্টাচাৰ্য্য ।
দ্বিতীয় — মৃদুল তামুলী ।
তৃতীয় — হিমাদ্ৰী শেখৰ ভট্টাচাৰ্য্য ।

একাঙ্ক নাটক প্ৰতিযোগিতাত পুৰস্কৃত নাট — "নকল নায়িকা" ।

শ্ৰেষ্ঠ অভিনেতা — বিবেচিত নহ'ল ।
দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা — উৎপল দাস ।
উদগনি মূলক বটা — প্ৰাঞ্জলী বৰগোহাঁই ।
পৰিচালনাৰ বাবে বিশেষ পুৰস্কাৰ — পূৰ্ণ কোঁৱৰ ।
শ্ৰেষ্ঠ পৰিচালক — বিবেচিত নহ'ল ।
পাণ্ডুলিপিৰ বাবে বিশেষ পুৰস্কাৰ — পূৰ্ণ কোঁৱৰ ।

প্ৰতিযোগিতা সমূহ সুকলমে পৰিসমাপ্তি ঘটাৰ পাচত এতিয়া মোৰ বক্তব্য ডাঙি ধৰিছো ।

এইবাৰৰ মোৰ বিভাগৰ প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা যথেষ্ট আছিল । তাৰ বাবে মই নিশ্চয় গৌৰব কৰিব পাৰো । একমাত্ৰ ব্যতিক্ৰম আছিল নাটক প্ৰতিযোগিতা' নাটক প্ৰতিযোগিতাত মাত্ৰ দুটা দ'লেহে অংশ গ্ৰহণ কৰিছিল ।

একমাত্ৰ পুৰস্কাৰেই মানদণ্ড নিৰূপনৰ মাপকাঠি হ'ব নোৱাৰে । আচল কথা হ'ল এটা প্ৰতিযোগিতা মূলক মনোভাৱ থকাটোহে । সম্পাদক পদত অধিষ্ঠিত হোৱাৰ আগতে বহু প্ৰতিশ্ৰুতি দিব লগা হয় বা বহু কাম কৰিম বুলি ভবা হয় । মোৰ একান্ত ইচ্ছা আছিল আমাৰ মহাবিদ্যালয়ত থকা নাট্যানুৰাগী ছাত্ৰ ছাত্ৰী সকলক লৈ এটা নাট্যদল গঠন কৰি আন্তঃমহাবিদ্যালয়ৰ নাটক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা । কিন্তু ছাত্ৰ-ছাত্ৰী সকলৰ আগ্ৰহৰ অভাৱতেই হওঁক বা সময়ৰ অভাৱতেই হওঁক বাস্তৱত সি পৰিণত হৈ নুঠিল । তদুপৰি এটা প্ৰধান কাৰণ এই যে নাটক এখন মঞ্চস্থ কৰিব পৰাকৈ আমাৰ মহাবিদ্যালয়ত এটা উপযোগী মঞ্চ নাই । সাংস্কৃতিক অনুষ্ঠান পৰিচালনা কৰাত মহাবিদ্যালয়ৰ ই এটা ঘাই অসুবিধা । এই বিষয়ে সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰাৰ বাহিৰে মই আৰু বা কিয়েই কৰিব পাৰোঁ ?

কৃতজ্ঞতা স্বীকাৰ : মহাবিদ্যালয় সপ্তাহত মোৰ কাৰ্যসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত আৰু বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত সমৰেন্দ্ৰ ভাগৱতী চাৰৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰলোঁ । মোৰ অন্যান্য কাৰ্য্য সম্পাদনৰ দিশত সহায় কৰাৰ বাবে ভাইটি বিমল আৰু নুপুৰ, বন্ধুবান্ধৱীৰ ভিতৰত তুলসী, ৰাণা, পংকজ, বন্দনা আৰু চম্পাৰ নাম বিশেষ ভাবে উল্লেখ কৰিছোঁ । মোৰ বিভাগৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সমূহ প্ৰতিযোগীলৈ এই প্ৰতিবেদনাৰ যোগেদিয়েই অশেষ শুভেচ্ছা আৰু ভৱিষ্যতে অধিক উন্নতি কামনা কৰিলোঁ ।

সদৌ শেষত মোৰ কাৰ্যকালত নানান দোষ ত্ৰুটী হৈ যাব পাৰে তাৰ বাবে মই শিক্ষা গুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলো লগতে ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ দীৰ্ঘায়ু কামনাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ ।

"জয় আই অসম"

মনু বৰগোহাঁই ।
সাংস্কৃতিক সম্পাদিকা ।
১৯৮৬-৮৭ চন ।

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন।

প্ৰতিবেদনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী বন্ধু সকললৈ আন্তৰিক চেনেহ আৰু ধন্যবাদ জ্ঞাপন কৰিবলৈ পাই কৃতাৰ্থ মানিছো। সমাজ সেৱা কি আগেয়ে এই বিষয়ে মোৰ এটা সাধাৰণ বাহ্যিক ধাৰণাহে আছিল। ইয়াৰ গভীৰতালৈ যোৱাৰ কোনো সুযোগ পোৱা নাছিলো। মোৰ শুভাকাঙ্ক্ষী ছাত্ৰ বন্ধু সকলে উক্ত কামৰ বাবে উৎসাহ দি কাম কৰিবলৈ সুযোগ দিলে।

মোৰ কাৰ্যকালত কি কৰিব পাৰিছো, কি কৰা উচিত আছিল তাক মই প্ৰতিবেদনৰ দ্বাৰা ছাত্ৰ ছাত্ৰী বন্ধু সকলৰ আগত দাঙি ধৰাৰ ধৃষ্টতা মোৰ নাই। তাক ছাত্ৰ-ছাত্ৰী সকলে নিজেই বিচাৰ কৰিব। আমাৰ মহাবিদ্যালয়ত বহুতো সমস্যা আছে। বিগত প্ৰতিটো বছৰৰ মহাবিদ্যালয় মুখপত্ৰত সমস্যা বিলাকৰ সম্পৰ্কত সমাজ সেৱা বিভাগৰ সম্পাদককে ধৰি বিভাগীয় সম্পাদক সকলে মহাবিদ্যালয়ৰ কতৃপক্ষৰ দৃষ্টি আৰ্কষণ কৰি আহিছে; কিন্তু উক্ত দৃষ্টি আকৰ্ষিত প্ৰতিবেদন সমূহে কিবা সমস্যাৰ উপশম ঘটাইছে বুলি মোৰ মনে নধৰে। গতিকে আজি মোৰ এই প্ৰতিবেদনৰ জৰিয়তে উনুকিয়াৰ খোজা পৰম্পৰাত পৰিণত হোৱা মহাবিদ্যালয়ৰ সমস্যা সমূহে কিবা সমাধানৰ মুখ দেখিব বুলি মই নেভাবো। এই সুযোগতে কাৰ্য্যকালত দৃষ্টিগোচৰ হোৱা বহু সমস্যাৰ দুই এটা সমস্যা দুৰ কৰিবলৈ পাৰ্য্যমানে চেষ্টা কৰিছিলো।

(১) পেক্ষাগৃহৰ নামত যিটো ঘৰ আছে সিও সম্পূৰ্ণ হৈ নুঠাত তাক পেক্ষাগৃহ হিচাপে ব্যৱহাৰ কৰিব পৰা নাই। মহাবিদ্যালয় পৰ্য্যায়ত পেক্ষাগৃহ এটাৰ প্ৰয়োজনীয়তা কিমান তাক নকলেও হব।

(২) মহাবিদ্যালয়লৈ ওলোৱা সোমোৱা কৰিবলৈ যিটো পথ আছে সেই পথটো মেৰামতিৰ অভাৱত একোটাইত দঁ গাতৰ দৃষ্টি হৈছে। গতিকে এনেকুৱা এটা পথৰ বাৰিষা কালত কেনেকুৱা ৰূপ লয় আৰু সাম্ভাব্য অঘটনৰ কথা ছাত্ৰ-ছাত্ৰী সকলে সদায়ে দেখি আহিছে আৰু নেদেখা সকলৰ বাবেও ই অতি সহজে অনুমেয়।

এই দুটা সাধাৰণ উদাহৰণ মাথোন। মোৰ কাৰ্য্যকাল ছোৱাৰ ভিতৰত মহাবিদ্যালয়ৰ চৌহদৰ বাট পথ আদি পৰিস্কাৰ পৰিচ্ছন্নকৈ ৰখাৰ ব্যৱস্থা কৰা হৈছিল। মহাবিদ্যালয়ত বিভিন্ন উপলক্ষে হোৱা সভা-সমিতি বিলাকত পেক্ষাগৃহ সজোৱা, তোৰণ সজোৱা, আদি যাবতীয় কামখিনি আমাৰ বিভাগৰ জৰিয়তে কৰা হৈছিল। মহাবিদ্যালয় চৌহদৰ সৌন্দৰ্য্য বৃদ্ধিৰ বাবে গছ পুলি ৰোৱা কাম আমি হাতত লৈছিলো। কিন্তু গৰু ছাগলীৰ দ্বাৰা আৰু পানীৰ অভাৱত কেইটামান পুলিৰ বাহিৰে আনবোৰ পুলি আমি বচাব নোৱাৰিলো। মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত থকা হাবি বন ঘাঁহ বোৰ আমাৰ বিভাগৰ দ্বাৰাই পৰিষ্কাৰ হৈছিল। উক্ত কাৰ্য্যকাল ছোৱাৰ ভিতৰত ডিগবৈৰ আশেপাশে বা বাহিৰলৈ গৈ সমাজ সেৱা কৰিবলৈ তেনে কোনো সুযোগ সুবিধা পোৱা নাছিলো। গতিকে আমাৰ সেৱা মহাবিদ্যালয়ৰ চৌহদতে সীমাবদ্ধ হৈ ৰল। ইয়াৰ উপৰিও এই বছৰ এটা নতুন দায়িত্ব সমাজসেৱা বিভাগৰ ওপৰত দিয়া হৈছিল এইটো হ'ল শ্ৰীশ্ৰীসৰস্বতী পূজা উদযাপন কৰা। যোৱা কেইবছৰৰ এই পূজাৰ দায়িত্ব আছিল সাংস্কৃতিক সম্পাদকৰ। সেইবাবে এইবাৰ এই পূজা আমিয়েই পাতিব লগীয়া হৈছিল। শিক্ষক বৃন্দ আৰু বন্ধু-বান্ধবী সকলৰ সহযোগিতাৰ ফলত এই উৎসৱটি সুকলমে পাৰ হৈ যায়। মোৰ এই চমু কাৰ্য্যকালৰ প্ৰতিটো পদক্ষেপত মাননীয় শিক্ষাগুৰু, অগ্ৰজ ছাত্ৰ সকলৰ দিহা পৰামৰ্শ আৰু প্ৰেৰণাৰ অভাৱ হোৱা নাছিল।

সদৌ শেষত নানা ধৰণৰ দিহা পৰামৰ্শ দি সহায় কৰা আমাৰ বিভাগৰ দায়িত্বত থকা অধ্যাপক শ্ৰীযুত গোলাপ কলিতা দেৱলৈ লগতে মোৰ প্ৰতিটো পদক্ষেপত সহায় সহযোগিতা আগবঢ়োৱা বন্ধু শ্ৰীৰঞ্জন বড়ো,

দিপু বৰগোহাঁই, ৰঞ্জিত ৰয়, ফুনু বৰগোহাঁই, দিলীপ শইকীয়া, হিমাদ্রি গগৈ, চন্দ্রপ্রভা চেতিয়া আৰু শেৱালী গগৈলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। ডিগবৈ মহাবিদ্যালয় ছাত্র সন্থাৰ দীৰ্ঘায়ু কামনা কৰি মই মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয় আই অসম।

শ্ৰী হিমেন গগৈ।
সম্পাদক, সমাজসেৱা বিভাগ
ডিঃ মঃ ছাঃ সং

# মহাবিদ্যালয় সঙ্গীত

ৰচনা ও সুৰ :
ডঃ কান্তেশ্বৰ ডেকা
শ্ৰী ৰুকণ দেৱ
ডঃ প্ৰফুল্ল কুমাৰ ভূঞা ।

এইয়া অসম দেশৰে প্ৰান্ত
য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত
আছে এক কামনা অনন্ত
আন্ধাৰ নাশৰ এটি স্বপ্ন "এটি স্বপ্ন"

এখন ছবি এইয়া বহুতো ৰঙৰ
বহুত জনৰ আৰু বহুতো প্ৰাণৰ
তথাপিও এই ছবি প্ৰাণেৰে জীৱন্ত
মানৱ হৃদয় প্ৰাণৱন্ত ।। প্ৰাণৱন্ত ।।

সূৰ্যমুখী আমাৰ এই মন
উৰ্দ্ধমুখী আমাৰ এই মন
আমি যাওঁ জ্ঞানৰ পোহৰ বিচাৰি যাওঁ
আমি যাওঁ শান্তিৰ জোনাক বিচাৰি যাওঁ

মহাপ্ৰলয়ৰ মহাভাৰতৰ
ইতিহাস, আমি পাওঁ
মহান মহান ক'ত শ্ৰেষ্ঠ তুলিকা
মানৱক আমিয়ে বিলাওঁ
ডিগবৈ কলেজৰ কৃতিত্বৰে দেশমাতৃৰ
মুখ উজলাওঁ

আমি যাওঁ জ্ঞানৰ পোহৰ বিচাৰি যাওঁ
আমি যাওঁ শান্তিৰ জোনাক বিচাৰি যাওঁ ।।

# স্বৰলিপি

## মহাবিদ্যালয় সঙ্গীত —"এইয়া অসম দেশৰে প্ৰান্ত"

স্বৰলিপি = শিৱতোশ দাস

তাল—কাহাৰবা (দ্ৰুতলয়)

সগ II { ম ম S গ | ম গ স গ ম ম S | S S" স গ I
এই য়া { অ স ম দে | শ O ৰে প্ৰা ন্ ত O | O O য' ত

I ম ম স গ I ম গ স গ I গ ম ম S I S S (স গ) } I S S I
প নী য়া সো নে ৰে প্ৰা ণ ৰ ন্ ত O O O (এই য়া) } O O

I ম ধ ধ ম I ধ নি নি নি I নি ধ র্স র্স র্স S | S S -নি -ধ I
আ ছে এ ক্ কা ম না অ ন ন্ ত O | O O O O

I র্স নি S ধ I প S ম গ I প S S S | S S ম গ I
আন্ ধা ৰ না শ ৰ এ টি স্ব প ন O | O O এ টি

I ম গ স S | S স স গ II
স্ব প ন O | O O "ই য়া"

S S II { ধ S S প | ধ S ধ ধ I S ম প গ | ম S ম ম I
O O { এ খ ন্ ছ | বি O এই য়া O ব হু তো | ৰ O ঙ ৰ

I ধ ধ S প | ধ S ধ ধ I S ম প গ | ম S ম S } I
ৰ হু ত জ | ন ৰ আ ক O ব হু তো | প্ৰা O ণ ৰ }

I { ম ধ ধ ম | ধ নি নি ধ I নি র্স নি ধ | নি র্স S র্স র্স } I
{ ত থা পি ও | এ ই ছ বি প্ৰা ণে ৰে জী | ৰ ন্ ত O }

I র্স S নি S ধ | প S ম গ I প S প S | S S ম গ I
মা O নি ৰ হৃ | দ য় প্ৰা ণ ৰ ন্ ত O | O O প্ৰা ণ

I ম Sগ স S | S S স গ II
র O ন্ ত O | O O এই য়া

[র্রে]

S S II { ধপ S ম I ম S রে ম I ম ম S ম I ম S S S I
O O { সু ক জ মু খী O O O আ মা র্ এ ম O O ন্

রে র্স [ধ নিধ প ধপ]

I { রে S রে র্ম | র্স S S S I র্স র্স নি নি | নি S S সরে }
{ উ র্ ধ মু | খী O O O আ মা র এ | ম O O (O ন) }

I ম S S S | S S ম প I { ধ S S S | S S প ম I
O ন্ | আ মি { যা O O O | O O O ওঁ

ধ

I রে প S S I S S S I রে প S প I প ম প ম I
জ্ঞা ন O র্ পো হ র্ বি ছা O O বি

I ম S S S I S S ম প I ধ S S S I S S প ম I
যা O O O O ওঁ আ মি যা O O O O O O ওঁ

ধ

I রে S প S I S S S I রে রে প প I প ম প ম I
শা ন্ তি O O র্ জো না ক্ বি ছা O O রি

[ম ম]
[ম হা]

I ম S S S I S S ম প } I { প ধ পধ প I S S ম গ I
যা O O O O ওঁ আ মি } { প্র ল য় O O র ম হা

I ম ম ম S I S (S ম ম) } I S S S I ধ ধ S প I S ম রে ম
ভা র ত O O (র্ ম হা) } O র্ ভূ তি O হা O সে আ মি

I ম S S S I S S S S I { ধ র্স ধ র্স I র্স S র্স র্ I
পা O O O O O O ওঁ { ম হা ন্ ম হা ন্ ক ত

I র্স ধ ধ র্স I র্স S র্স ধ I ধ ধ ধ ধ I প ম রে ম I
শ্রে O ষ্ঠ তু লি O কা O মা ন র ক্ আ মি O বি

স´
I ম S S S I S S S S | I {র্ম S র্ম ৰে´ I ৰে´ ৰে´ ৰে´ নি I
লা O O O O O O ও} {ডি গ বৈ O ক লে জ ৰ্

I নি নি S নি I নি ধ প ম I ৰে প প S I S S প ম I
কু তি O ত্ব ৰে O দে শ মা O তৃ O O O O ৰ্

ধ
I প ম ম ম I ম (S S S)} I S ম প} I ধ S S S I S S প ম I
মু খ্ উ জ লা (O O ও)} ও আ মি} যা O O O O O O ওঁ

ধ
I ৰে প S S I S S S S I ৰে প S প I প ম প ম I
জ্ঞা ন O ৰ্ পো হ ৰ্ বি ছা O O ৰি

I ম S S S I S S ম প I ধ S S S I S S প ম I
যা O O O O ওঁ আ মি যা O O O O O O ওঁ

ধ
I ৰে S প S I S S S S I ৰে ৰে প প I প ম প ম I
I শা ন্ তি O O ৰ্ জো না ক্ বি ছা O O ৰি

I ম S S S I S (S ম প)} I S S S II II
যা O O O I O (ওঁ আ মি)} O O ও

**স্বৰলিপিত ব্যৱহৃত বিভিন্ন চিহ্ন সমূহৰ ব্যাখ্যা ঃ—**

গ = কোমল গান্ধাৰ (গ)
ধ = কোমল ধৈৱত (ধ)
নি = কোমল নিষাদ (নি)
স´ = তাৰসপ্তকৰ সা
'‿' = মীড়
'S' = অবগ্ৰহ

'{ }' = দুবাৰ গাব লাগিব
'[ ]' = দ্বিতীয়বাৰ গোৱাৰ সময়ত গাব লাগিব।
'( )' = দ্বিতীয়বাৰ গোৱাৰ সময়ত গাব নেলাগে ॥
',' = ইয়াত বৈ অন্তৰা, সঞ্চাৰী ইত্যাদি ধৰিব লাগে।

*DIGBOI COLLEGE MAGAZINE : A Souvenir published by the Digboi College Students' Union and Printed at the EASTERN ENTERPRISE, Digboi – 786171.*
EDITOR : RANJIT PHUKAN.